# চিটিয়ান

প্রথম সংখ্যা, ২০১৪-১৫ বর্ষ



সম্পাদক

জয়ন্ত বর্মন

# চিটিয়ান

## বার্ষিক মুখপত্র

এছ.ডি.পি. শিক্ষক প্রশিক্ষণ মহাবিদ্যালয়

প্রথম সংখ্যা ঃ ২০১৪-১৫ বর্ষ

**SDP College of Teachers' Education**

## Students' Annual Journal

1st Volume, 2014-15 Academic Session

সম্পাদক

জয়ন্ত বর্মন

**'চিটিয়ান'** এছ.ডি.পি. শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ মুখপত্ৰ, সম্পাদনা সমিতিৰ দ্বাৰা প্ৰকাশিত আৰু পাল্‌কী অফচেট প্ৰেছত মুদ্ৰিত।

---

প্ৰথম সংখ্যা, ২০১৪-১৫ বৰ্ষ

## সম্পাদনা সমিতি

উপদেষ্টা : ডঃ কিশোৰ কুমাৰ তালুকদাৰ
: শ্ৰীযুত পবিন্দ্ৰ নাথ দাস


তত্বাৱধায়ক : ডঃ অঞ্জলি কৰ্মকাৰ

সম্পাদক : জয়ন্ত বৰ্মন

সদস্য/সদস্যা : ধনমণি ঠাকুৰীয়া
: দিপ্তী মেধি
: গোবিন্দ চক্ৰৱৰ্তী
: অস্মিতা কাকতি
: দিপজ্যোতি কলিতা
: মিণ্টি কলিতা
: তুষাৰ শৰ্মা
: ৰঞ্জিতা তালুকদাৰ বৰা

বেটুপাতৰ শিল্পী :
প্ৰথম পৃষ্ঠা : গোবিন্দ চক্ৰৱৰ্তী
শেষ পৃষ্ঠা : জ্যোতিস্মিতা লহকৰ
অংগসজ্জা : ধনমণি ঠাকুৰীয়া
সামগ্ৰিক পৰিকল্পনা : সম্পাদক

ছপা : পাল্‌কী অফচেট প্ৰেছ, টিহু।
ভ্ৰাম্যভাষ : ৮৪৮৬৮৫০২০৯




**উছৰ্গা**

যিসকল মহান ব্যক্তিৰ
প্ৰচেষ্টাত
আমাৰ মহাবিদ্যালয়খন
ঠন ধৰি উঠিছে
সেইসকল প্ৰয়াত
জ্ঞানী-গুণীসকলৰ নামত
এই প্ৰথম সংখ্যা চিটিয়ান
উছৰ্গা কৰিলোঁ।

আন্তৰিকতাৰে -
*সম্পাদনা সমিতি*

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Dr. Mridul Hazarika**
**Vice Chancellor**
Phone : +91 361 2570412(O), 2570408(R)
Fax : +91-361-2675515
Email ID : hazarika50@gmail.com
vc_gu@yahoo.in

## MESSAGE

I am happy to learn that S.D.P. College of Teacher Education, Tihu is going to publish its annual college magazine for the session 2014-15 very soon. College magazine is a strong medium for the constituent members of a college for intellectual exercise. It carries sentiments, emotions, creativity and objectivity to integrate into a totality of views of a community at a given time.

I wish all success in their mission and hope the magazine will be immensely beneficial to all concerned.

Date : 31.03.2015

( Mridul Hazarika )

**Address:** Gopinath Bordoloi Nagar, Jalukbari, Guwahati, Assam 781014 **Phone:** 0361 257 0415 **Website:** www gauhati.ac.in

*Office of the Principal*

# TIHU COLLEGE, TIHU

No. TC/
From :
***Dr. K. K. Talukdar**, M.Sc.,B.Ed,M.Phil,Ph.D.*
***Principal***
Tihu College, Tihu

P.O.- Tihu
Dist.- Nalbari (Assam), PIN.- 781 371
☎ S.T.D. 03624-281238 (O)
Website :- www.tihucollege.org.
e-mail :- tihucollege@rediffmail.com.
Date.......................



## Message

At the very outset, I would like to welcome all members of S.D.P. College of Teacher Education, Tihu whose untiring efforts go into the publication of the first issue of ***"CTEAN"*** after long twenty-one years since its inception. It's really enthralling to know that the young scholars have taken initiative to get substantial steps in the direction of an indispensable co-curricular achievement.

Education provides us with the guiding light to enlighten even the darkest recesses of the human mind. True and meaningful education is that which ushers in the all-round development of a person, refining his or her taste and temperament, and the very sensibility itself. This is where the worth of any co-curricular or extra-curricular endeavour lies. I sincerely believe that ***"CTEAN"*** will be no exception in this regard.

I hope both the scholars and the faculty of this frontline institute of teacher education will find ample opportunity to exercise their creative as well as critical prowess through the annual magazine. It is crucial for the future teachers to inculcate the habit of aesthetic and literary creation along with nourishing the requisite critical acumen, two fundamental aspects where the magazine might come handy. The Editor as well as the entire support staff deserves lots of admiration for such a meaningful co-curricular exercise.

I wish ***"CTEAN"*** and everyone connected with it all the best.

K Talukdar.
**Dr. K.K. Talukdar**
**Principal**
**Tihu College, Tihu**

# From the Principal's Desk.....



It is a pleasure to quote these lines for the Annual magazine of the college for year 2014-15. This magazine reflects the hard work and various activities of the teacher-trainees and the various programmes conducted by the college. This is an occasion to look back at all accomplishments as well as look ahead to strive for further accomplishments.

My hearty Congratulations goes to all the members of the Editorial Board ,the teacher-trainees and all who have contributed their talents, time and efforts with all its challenges to bring out the issue of this magazine. I even take this opportunity to thank each and every one for all the wonderful things that you have done during this year to make this year a memorable one. Your support and encouragement for taking this bold step with limited time and resources offers us all to face the realities of life with more optimism and courage. Every impossible thing becomes possible with determination, hard work and dedication.

Life is short and every second, every minute utilised properly makes it more enduring and worthwhile. You as present and future educators of the society and as young enthusiastic people can create an environment of love, trust, peace, joy where every-one will be able to grow with friendship and understanding as well as blossom, flourish and contribute to the development of our nation. You are the hope of tomorrow, you are the moulders and makers of the next generation .Our country depends on you trainees who have taken the responsible task of becoming teachers. As architects of the society this modern era needs people like you all - who are able to share their talents, time, experience, practical knowledge and positivism. You as teachers can make a lot of difference in the lives of people in our society. Therefore make use of every opportunity that comes your way and make it a learning experience.

Last but not the least I would like to pay my tributes to all those people who in many ways have contributed immensely towards achieving this successful journey of long 21 years of S.D.P.College of Teacher Education , Tihu .

Thank you all and Long live S.D.P.College of Teacher Education, Tihu.

God Bless You All.
**Dr.Anjali Karmakar,**
Principal

# সম্পাদকীয়...



প্ৰথম সপোন...
প্ৰথম প্ৰয়াস...
প্ৰথম নাম।
হে চিটিয়ান
তোমাৰ সপোন দেখাজনক
তোমাৰ ৰূপকাৰজনক
শত সহস্ৰ ধন্যবাদ।
হে চিটিয়ান
সৌৰা চোৰা...
তোমাৰ চৌপাশে মাথোঁ খেলিমেলি
সংকটৰ গৰাহত মানৱতা, উদাৰতা, সত্য আৰু সততা
বাণিজ্যৰ মেৰপেচত শিক্ষা
স্বাৰ্থপৰতাই আনি দিছে বৈষম্য
বঢ়াইছে ধনী-দুখীয়াৰ পাৰ্থক্য
ই-সংস্কৃতিৰ দানৱী কোবাল সোঁতত
উটি গৈছে সৃষ্টিশীলতা
তোমাৰ... আমাৰ...
সৃষ্টি হৈছে ভেদাভেদৰ প্ৰাচীৰ
খৰ্ব হৈছে মানুহৰ অধিকাৰ
দেখিও আমি আজি নিৰ্বিকাৰ
হে চিটিয়ান
এয়া এক জটিল সময়
এই সময় সচেতন হোৱাৰ সময়
ন্যায় প্ৰতিষ্ঠাৰ হকে যুঁজাৰ সময়
সাম্য-মৈত্ৰীৰ নতুন সমাজ গঢ়াৰ বাবে
নৱবিপ্লৱ সূচনাৰ সময়
ব্যক্তিকেন্দ্ৰিকতা পৰিহাৰ কৰি সমাজমুখী হোৱাৰ সময়
মানুহে মানুহক বুজাৰ সময়
হে চিটিয়ান!
তোমালৈ আশা
তুমি... মূৰ দাঙি থাকিবা
তোমালৈ অনুৰোধ
তুমি... হাঁহি থাকিবা
চিৰদিন... চিৰকাল...

জয়ন্ত বৰ্মন

# সূচীপত্ৰ.....


❑ এছডিপি বি এড কলেজৰ ইতিবৃত্ত ১

■ পবিন্দ্ৰ নাথ দাসদেৱৰ সৈতে এখন্তেক

❑ সাক্ষাৎকাৰ বিশেষ ৫

■ ৰাষ্ট্ৰীয় বঁটা প্ৰাপক কৃতি শিক্ষয়িত্ৰী চন্দ্ৰপ্ৰভা হুজুৰী বৰ্মনৰ সৈতে এক আছুতীয়া সাক্ষাৎকাৰ

❑ বিশেষ আলোচনা ১০

■ আগৰ দিনৰ শিক্ষাৰ নে আজিৰ দিনৰ শিক্ষাৰ মানদণ্ড উন্নত?

❑ কবিতা

| | | |
|---|---|---|
| ■ মৰমৰ এনাজৰী | বনশ্ৰী কলিতা | ১৪ |
| ■ প্ৰকৃতি জগত | কমল দাস | ১৪ |
| ■ চাৱনি | হীৰকজ্যোতি পাটগিৰি | ১৫ |
| ■ এটি কবিতা | গোবিন্দ দাস | ১৫ |
| ■ সোণৰ অসম | মৌচুমী কলিতা | ১৬ |
| ■ ৰং বিহীন শিল্পী | কল্পনা দেৱী | ১৬ |
| ■ সেউজীয়া সপোন | পল্লৱী শৰ্মা | ১৭ |
| ■ বেদনাত ধূলিৰ ধুমুহা | গীতুমণি ৰাজবংশী | ১৭ |
| ■ বিদায় লগ্ন | দ্বিপজ্যোতি কলিতা | ১৮ |

❑ গীত

| | | |
|---|---|---|
| ■ বি. এড. কলেজৰ আমি '১৫ বৰ্ষৰ শিক্ষাৰ্থী | জয়ন্ত বৰ্মন | ১৯ |

❑ চুটি গল্প

| | | |
|---|---|---|
| ■ এটি সপোনৰ অপমৃত্যু | ববিতা বৰুৱা | ২২ |
| ■ অবান্তৰ | দিপ্তী নায়ক | ২৫ |
| ■ অনুগল্প | ডেইজী দেৱী | ২৮ |
| ■ এশৰীয়া গল্প | নেহা কাশ্যপ | ২৮ |

❑ অভিজ্ঞতামূলক কাহিনী

| | | |
|---|---|---|
| ■ এটি অভিজ্ঞতা | চন্দ্ৰমা কলিতা | ২৯ |

# সূচীপত্ৰ.....


❑ ভ্ৰমণমূলক কাহিনী

■ নাজিৰাখাট আৰু কিছু স্মৃতি — দিপ্তী মেধি — ৩০

❑ নীলা খামৰ চিঠি

■ God is Good — মিণ্টি কলিতা — ৩৩

❑ প্ৰবন্ধ

■ বিদ্যালয়ত তথ্য আৰু যোগাযোগ প্ৰযুক্তি (আইচিটি) — ধনমণি ঠাকুৰীয়া — ৩৫

■ An Aspect of Bodo Culture and Its Identity — Monalisha Narzary — ৩৭

■ নাৰী মহীয়সী — হিমাক্ষী মজুমদাৰ — ৪১

■ Radiation from Cellphone : An Unseen Hazard — Sangita Goswami — ৪৩

■ বিহু নৃত্য-গীতৰ স'তে বাদ্যযন্ত্ৰৰ প্ৰয়োজনীয়তা — জোনালী পাঠক — ৪৬

■ Global Warming — Raisumai Basumatary — ৪৯

■ আমাৰ বিশ্বব্ৰহ্মাণ্ড — বিকাশ শৰ্মা — ৫০

■ Higher Education and Quality Maintenance — Mridula Das — ৫৪

■ যোগ আৰু স্বাস্থ্য — মিতালী শৰ্মা — ৫৫

■ Globalization - Its Impact on Our Society — Tandraleem Kashyap — ৫৭

■ বৰ্তমান অসমীয়া সমাজ জীৱনত ব'হাগ বিহুৰ ভূমিকা — চন্দনা বৰ্মন — ৫৯

■ Redifining Dulha Dulhan Wali Baat — Ranjita Talukdar Bora — ৬০

■ অসমীয়া সংস্কৃতি আৰু নৱ প্ৰজন্ম — মলয়া বৰ্মন — ৬২

■ বিখ্যাত লোকৰ অখ্যাত কাহিনী — তুষাৰ শৰ্মা — ৬৬

❑ (এছ.ডি.পি.) বি. এড. কলেজৰ প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকল — ৬৮

❑ প্ৰতিভাৱান চিটিয়ান — ৬৯

❑ মহাবিদ্যালয় পৰিচালনা সমিতি — ৭০

❑ মহাবিদ্যালয়ৰ অধ্যক্ষসকল — ৭০

❑ চিটিয়ান সম্পাদনা সমিতি (ফটো) — ৭১

# এছ.ডি.পি. বি এড কলেজৰ ইতিবৃত্ত

## পবিন্দ্ৰ নাথ দাসদেৱৰ সৈতে এখন্তেক



এছডিপি কলেজ অৱ টিচাৰ এডুকেচনৰ জন্মলগ্নৰে পৰা জড়িত তথা বৰ্তমানৰ সভাপতি পবিন্দ্ৰ নাথ দাসদেৱ টিহুৰ স্থায়ী বাসিন্দা। কলেজৰ ইতিবৃত্তৰ বিষয়ে জানিবলৈ উৎসুক হৈ থকা আমাৰ শিক্ষাৰ্থীসকলৰ উৎসুকতা দূৰ কৰিবলৈ আমি যুগুত কৰা দাস চাৰৰ সাক্ষাৎকাৰৰ এটা সম্পাদিত ৰূপ ইয়াত দাঙি ধৰা হ'ল।

*? চাৰ, তাহানিতে বি এড কলেজৰ প্ৰতিষ্ঠাৰ চিন্তা আপোনাৰ মনলৈ কেনেকৈ আহিল?*

ঃ- ১৯৯৪ চনৰ ২০ এপ্ৰিলৰ কথা। বৰ্তমানৰ টিহু মহাবিদ্যালয়ৰ অধ্যক্ষ তথা আমাৰ বি এড কলেজৰ প্ৰতিষ্ঠাৰে পৰা আজিলৈকে থকা সম্পাদক ডঃ কিশোৰ কুমাৰ তালুকদাৰ আৰু মই সন্ধিয়া আলোচনা কৰি টিহুত এখন বি এড কলেজৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিলো। কিয়নো সেই সময়ত টিহুৰ ছাত্ৰ-ছাত্ৰীসকলে নলবাৰী নাইবা পাঠশালাকুছিলৈ পঢ়িব যাব লগা হৈছিল যিটো বৰ সুবিধাজনক নাছিল।

*? চাৰ, এই ক্ষেত্ৰত আপোনালোক দুয়োজনে কি দৰে আগবাঢ়িলে আমাক অলপ জনাব নেকি?*

ঃ- কলেজ প্ৰতিষ্ঠাৰ চিন্তাটো তাৰ পাছত দুয়োজনে আমাৰ বন্ধুবৰ্গ বৰ্তমান টিহু কলেজৰ অধ্যাপক পুলিন দাস আৰু দ্বিপেশ ভাগৱতী, প্ৰকাশ বেজবৰুৱা, মাধৱ তালুকদাৰ, প্ৰমোদ কলিতাক ব্যক্ত কৰি তেওঁলোকৰ লগত আলোচনাত মিলিত হ'লো। বন্ধুবৰ্গৰ পৰা সঁহাৰি পাই সেই সন্ধিয়াই আমি আমাৰ শিক্ষাগুৰু প্ৰয়াত ৰমেশ চন্দ্ৰ গোস্বামী চাৰৰ কাষ চাপিলো। চাৰৰ সঁহাৰি পাই সেই চনৰে ১ মে' তাৰিখে আমি দুয়োজনে আহ্বায়ক হৈ টিহু মহাবিদ্যালয়ত এখন ৰাজহুৱা সভা আহ্বান কৰিলো আৰু সেই সভাত সভাপতিত্ব কৰিলে ৰমেশ চন্দ্ৰ গোস্বামী চাৰে। ৰাইজৰ মাজৰ বহুতেই আমাক আৰ্থিকভাৱে সহায় কৰিব নোৱাৰাৰ কথা ব্যক্ত কৰাত আমি কৈছিলো, "আমি আৰ্থিকভাৱে নহয় কেৱল ৰাইজৰ সহায় বিচাৰো।" আমাৰ কথাত প্ৰয়াত কালিচৰণ ডেকাদেৱেও হয়ভৰ দিলে আৰু


তেতিয়া গোটেই ৰাইজে আমাৰ প্ৰতি সঁহাৰি জনালে। সেই সভাতে কমিটি গঠন হ'ল আৰু প্ৰয়াত ৰমেশ চন্দ্ৰ গোস্বামী চাৰ সভাপতি, ডঃ কিশোৰ কুমাৰ তালুকদাৰ সম্পাদক আৰু মই সহকাৰী সম্পাদক হিচাপে দায়িত্ব লওঁ। আমাৰ কাম-কাজত প্ৰয়াত প্ৰমোদ কলিতাদেৱৰ ভূমিকা শলাবলগীয়া। তাৰ পাছতেই আমি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুমতি ল'ব আগবাঢ়ো কিন্তু বিশ্ববিদ্যালয়ৰ অনুমতিৰ বাবে স্থায়ী ৰেজিষ্টাৰী মাটিৰ প্ৰয়োজন আছিল। কিন্তু মাটি আমি পাওঁ ক'ত? এই ক্ষেত্ৰত ডঃ কিশোৰ কুমাৰ তালুকদাৰৰ পিতৃদেৱৰ অৱদানক স্বীকাৰ কৰিবই লাগিব। তেখেতে অসুস্থ অৱস্থাতো সুস্থ মগজুৰে নিজৰ নামৰ মাটি কলেজৰ স্বাৰ্থত কলেজৰ নামত চুক্তি কৰি আমাক বিশ্ববিদ্যালয়ৰ অনুমতি লোৱাত বিশেষভাৱে আগভাগ লৈছিল।

*? শুনিছো আগতে হেনো আমাৰ বি এড কলেজৰ ক্লাছ টিহু মহাবিদ্যালয়ত হৈছিল?*

ঃ- হয়, সেই সময়ত হঠাতে শ্ৰেণীকোঠা নিৰ্মাণৰ বাবে আমাৰ সম্বল নাছিল। সেয়ে আমি তেতিয়াৰ টিহু মহাবিদ্যালৰ অধ্যক্ষ চাৰৰ অনুমতি সাপেক্ষে টিহু কলেজৰ বৰ্তমানৰ ২০ নং কোঠাত ক্লাছ কৰিছিলো আৰু আমাৰ বি এড কলেজখনৰ নাম দিছিলো 'কলেজ অব টিচাৰ এডুকেচন, টিহু' আৰু তেনেকৈয়ে আমি ১৯৯৬ চনৰ ১৫ জুন তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্বীকৃতি লাভ কৰো।

*? চাৰ, সেই সময়ত কেনেকৈ আপোনালোকে শিক্ষক যোগাৰ কৰিছিল?*

ঃ- সেই সময়ত শিক্ষক যোগাৰ কৰা বহুত কঠিন আছিল। বৰঞ্চ আজিলৈকে শিক্ষকৰ সমস্যাই আমাৰ পিছ এৰা নাই। সেই সময়ত বি এড উত্তীৰ্ণ শিক্ষক নিচেই তাকৰ আছিল। অধ্যক্ষৰ বাবে উপযুক্ত অৰ্হতাসম্পন্ন শিক্ষক নাছিল আৰু বিচাৰি বিচাৰি শেষত মাখিবাহা হাইস্কুলৰ প্ৰধান শিক্ষক




তাহানিৰ বি. এড. কলেজ

শশীভূষণ মিশ্র চাৰক পাইছিলো। দ্বিপেশ ভাগৱতী, প্রমোদ কলিতা, তৰুণ ভাগৱতী আৰু মহেশ শৰ্মাই শিক্ষা বিষয়, শশীভূষণ মিশ্র চাৰে অসমীয়া, কিশোৰ তালুকদাৰে গণিত বিষয় আৰু মই সমাজ বিজ্ঞান বিষয় শিকাইছিলো। দৰমহা ৪০০ টকাৰে কলেজৰ স্বাৰ্থত আমি গধূলি দুটা হেচক লাইটৰ পোহৰেৰে ক্লাছবোৰ চলাইছিলো।

*? চাৰ, আপোনালোকে বিচৰা ধৰণে শিক্ষাৰ্থীয়ে নামভৰ্তি কৰিব আহিছিলনে?*

ঃ- তেতিয়া বি এড পঢ়া ছাত্ৰ-ছাত্ৰী নাছিলেই। ছাত্ৰ-ছাত্ৰী বিচাৰি আমি স্কুলে স্কুলে গৈছিলো। তেতিয়া ভৰ্তি মাচুল আছিল ৯০০ টকা। তাৰেই বহুতে আধামান পইচা বাকীত ৰাখিছিল আৰু বহুজনে পইচা দিয়াৰ ভয়তে পৰীক্ষাও দিয়া নাছিল। কিন্তু প্ৰথম বছৰেই আমাৰ কলেজৰ পৰা দুগৰাকী শিক্ষাৰ্থীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাটো আমাৰ বাবে সফলতা আছিল কিয়নো সেই সময়ত অসমত প্ৰথম বিভাগত উত্তীৰ্ণৰ সংখ্যা নিচেই তাকৰ আছিল।

*? চাৰ, টিহু কলেজৰ ২০ নং কোঠাৰ পৰা বৰ্তমানৰ ঠাই কেনেকৈ পালে আমাক অলপ জনাব নেকি?*

ঃ- সেই সময়ত স্থায়ী মাটি তথা শ্ৰেণীকোঠাৰ খুবেই প্ৰয়োজন আহি পৰিছিল আৰু সেয়ে প্ৰয়াত দলৈৰাম পাঠকৰ টিহুত থকা মাটিখিনিৰ বাবে গুৱাহাটীৰ শান্তিপুৰ নিবাসী তেওঁৰ পত্নী শ্ৰীসুধাৰাণী পাঠক আৰু জিয়ৰী দুলুৰাণী পাঠকৰ ঘৰলৈ যাওঁ। কিন্তু তেওঁলোকে ৰাইজৰ স্বাৰ্থত মাটিখিনি দান দি আমাৰ মহৎ উপকাৰ সাধিলে। আৰু সেয়ে আমিও সকলোৰে সন্মতিক্ৰমে কলেজখনৰ নাম দিলো সুধাৰাণী দলৈৰাম পাঠক শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়, টিহু ১৯৯৬ চন, সংক্ষেপে SDP College of Teacher Education, Tihu 1996।

*? তাৰ পাছতো আপোনালোকে কিবা সমস্যাৰ সন্মুখীন হৈছিল নেকি?*

ঃ- সমস্যাতো বহুতেই আছিল। এতিয়াও সমস্যাই লগ এৰা নাই। আমাৰ নতুন সমস্যাটো আছিল NCTE, Bhubaneswar ৰ স্বীকৃতি লোৱা। NCTE ৰ নিয়মানুসৰি ডঃ কিশোৰ কুমাৰ তালুকদাৰ আৰু মই নিজেই আন বন্ধু বৰ্গৰ সহায়েৰে কলেজৰ নামত ৫ লাখ টকা বেংক একাউণ্টত ফিক্সড্ কৰিব লগা হ'ল। আৰু বহুতো সমস্যাৰ অন্তত ১৯৯৯-২০০০ চনত আমি NCTE ৰ স্বীকৃতি পালো ৬০ গৰাকী শিক্ষাৰ্থীৰ আসনৰ সৈতে। ইয়াৰ পাছত দুটা ভাল দিন অহা বুলিয়েই ক'ব লাগিব। তাৰে এটা হৈছে ২০০০ চনত ভগৱান লহকৰৰ তত্ত্বাৱধানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰিদৰ্শক দল আহিছিল আৰু আমাৰ প্ৰতি সদয় হৈ আমাৰ ইয়াত পৰীক্ষা কেন্দ্ৰৰ অনুমতি দিছিল। আনটো হৈছে ৰাজ্যসভাৰ এম পি প্ৰয়াত তাৰাচৰণ মজুমদাৰে বৰ্তমানৰ নিৰ্মিত ঘৰটোৰ বাবে ৫ লাখ টকা দান দিয়া কাৰ্য যাৰ সৈতে আমি আৰু ৩ লাখ যোগ দি ঘৰ নিৰ্মাণৰ কাম আৰম্ভ কৰোঁ।

কিন্তু ২০০৩ চনত হঠাৎ এটা দুৰ্ভাগ্য আহিল। হঠাতে NCTE, মুখ্য কাৰ্যালয় দিল্লীৰ পৰা পৰিদৰ্শকৰ দল এটা গোটেই অসমৰ কলেজবোৰ পৰিদৰ্শন কৰিব আহি আমাৰ কলেজতো সোমাইছিল ২১ এপ্ৰিল, ২০০৩ ইং তাৰিখে আৰু উপযুক্ত শ্ৰেণীকোঠা, ডেস্ক-বেঞ্চ আৰু অন্যান্য কিছু নথি-পত্ৰৰ অভাৱত স্বীকৃতি বাতিল কৰে আৰু আমি 'আপিল' কৰিব বিচাৰিলে এমাহৰ ভিতৰত NCTE, দিল্লীৰ অ'ফিচত গৈ আপিল কৰিব পাৰিম বুলি জনালে। আমাৰ হাহাকাৰ লাগিল। ল'ৰা-ছোৱালীসকল দেখোন এতিয়া ননকলেজিয়েট হ'ব, পৰীক্ষা দিব নোৱাৰিব। সেয়ে অতি কম দিনৰ ভিতৰতে সকলো নথি-পত্ৰ যোগাৰ কৰি আমি দুয়োজনে দিল্লী ৰাওনা হ'লো। নথি-পত্ৰ চালি-জাৰি চাই সিহঁতৰ কমিটিয়ে জনালে যে শিক্ষক-কৰ্মচাৰীৰ নামৰ বিপৰীতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেজিষ্টাৰৰ 'কাউণ্টাৰ চাইন' নাই বাবে নথি-পত্ৰবোৰ মানি লোৱা নহয়। বহুতো কাকুতি-মিনতি কৰি ৫ দিনৰ সময় লৈ আমি গুৱাহাটীলৈ আহিলো ৰাজধানী এক্সপ্ৰেছত বিভিন্ন সমস্যাৰ সন্মুখীন হৈ। সেই সময়ত আমাৰ কলেজৰ সভাপতি আছিল যোগেশ গোস্বামী চাৰ আৰু সৌভাগ্যক্ৰমে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেজিষ্টাৰ মাধৱ চন্দ্ৰ শৰ্মা তেখেতৰেই নিজ ছাত্ৰ হোৱা বাবে কামটো তৎক্ষণাত হৈ গ'ল। আৰু অৱশেষত ৬০ টা চিটৰ সৈতে আমি পুনৰ স্বীকৃতি পালো। সমস্যাৰ মাজতেই এটা সুখবৰ যে তাৰ পিছতেই সেই সময়ৰ ৰাজ্য সভাৰ সদস্য তথা প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙক লগ ধৰি আমি কলেজ নিৰ্মাণৰ বাবে ৫০ লাখ টকাৰ অনুমোদন কৰাও যদিও এই পৰ্যন্ত আমি পইচা পোৱা নাই। এইটো আমাৰ বাবে এক সৌভাগ্য বুলিবই লাগিব। গতিকে এনেকৈ বিভিন্ন সমস্যাৰ মাজেদি আহি আজিৰ এই অৱস্থাত উপনীত হৈছো।

*? বৰ্তমান সময়তো কিবা সমস্যা অনুভৱ কৰিছে নেকি আপোনালোকে?*

ঃ- বৰ্তমান সময়ৰ মূল সমস্যাটো হৈছে কলেজখন চৰকাৰীকৰণ কৰাৰ সমস্যা আৰু আন এটা সমস্যা হৈছে শিক্ষকৰ সমস্যা। আমাৰ এই অঞ্চলত বি এড কলেজত শিকাব পৰাকৈ শিক্ষাগত অৰ্হতাসম্পন্ন শিক্ষকৰ অভাৱ আমি আৰম্ভণিৰ পৰা এতিয়ালৈ পাই আহিছো। আশা কৰো এতিয়াৰ শিক্ষাৰ্থীসকলে এই অভাৱক পূৰণ কৰি আমাৰ চেষ্টা, কষ্ট, শ্ৰমেৰে গঢ়ি তোলা এই শিক্ষানুষ্ঠানখনক আগুৱাই লৈ যাব।

সদৌ শেষত কলেজখনৰ সকলো দিশতে উন্নতি কামনা কৰি সদাশয় ৰাইজৰ সহায়-সহযোগ সততে থাকিব বুলি আশা ৰাখিলোঁ।❑

# সাক্ষাৎকাৰ বিশেষ

*ঐতিহ্যমণ্ডিত টিহুৰ প্ৰথম গৰাকী ৰাষ্ট্ৰীয় পদক প্ৰাপ্ত*
*শিক্ষয়িত্ৰী* শ্ৰীচন্দ্ৰপ্ৰভা হুজুৰী বৰ্মনৰ *সৈতে এক আছুতীয়া সাক্ষাৎকাৰ*



১) বাইদেউ নমস্কাৰ জনাইছোঁ। আমি গৌৰৱেৰে ক'ব বিচাৰিছো যে আপুনি ঐতিহ্যমণ্ডিত টিহুবাসীৰ প্ৰথম গৰাকী ৰাষ্ট্ৰীয় পদক লাভ কৰা মহিলা শিক্ষয়িত্ৰী। শিক্ষকতা কৰ্মত যোগদান কৰাৰ পূৰ্বে আপুনিও এগৰাকী শিক্ষাৰ্থী আছিল। এগৰাকী শিক্ষাৰ্থী হোৱাৰ গৌৰৱক আপুনি কেনেদৰে সুঁৱৰিব ?

হয়, শিক্ষকতা কৰ্মত যোগদান কৰাৰ পূৰ্বে মই এগৰাকী শিক্ষাৰ্থী আছিলোঁ। মোৰ ঘৰ আছিল দৰং জিলাৰ মাজবাটৰ ফুলগুৰিত। মই পঢ়া স্কুলখনৰ নাম আছিল মাজবাট টাউন প্ৰাথমিক বিদ্যালয়। শিক্ষাৰ্থী জীৱন আনন্দৰে কটাইছিলো। প্ৰথম শ্ৰেণীতে চিঠি লিখিব শিকিছিলো। মায়ে শিকাইছিল। অসম বাণী আৰু দৈনিক অসম পঢ়িছিলো। মই ৰন্ধন প্ৰক্ৰিয়া পঢ়িছিলো আৰু মায়ে যা-যতনাই বনাই দিছিল। কিন্তু পঞ্চম শ্ৰেণীতে মা ঢুকুওৱাত অশান্ত মনটোৱে পঢ়াতো খেলিমেলি লগাইছিল। শ্ৰেণীত Position নথকা হোৱাত ঘৰতে ভাত ৰান্ধি থাকিম বুলি দেউতাক কৈছিলোঁ, কিন্তু দেউতাৰ বুজনিত স্কুল যোৱাৰ সিদ্ধান্ত লৈ পুনৰ Position লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। দেউতাই মাৰ অভাৱ পূৰণ কৰাৰ লগতে আমাক নৈতিকতাৰ পাঠও শিকাইছিল। অভাৱনীয়ভাৱে সৌভাগ্যক্ৰমে মেট্ৰিক পৰীক্ষা পাছ কৰাৰ পাছতেই মই শিক্ষকতা কৰিব লগা হ'ল। গাঁৱৰ আন ল'ৰা-ছোৱালীক চহৰৰ কলেজলৈ যোৱা বাছখনত উঠা দেখি মনটো বেয়া লাগিছিল কিয়নো যোগ্যতা থাকিও মই সেই সুবিধাকণ ল'ব পৰা নাছিলো। পিছলৈ ঘৰতেই মই এম এ পৰ্যন্ত পঢ়িলো। সেয়ে মোৰ মনটো আজিও শিক্ষাৰ্থী হৈয়েই থাকিল।

**২) বাইদেউ আপুনি ১৭ বছৰ বয়সতে কিয় শিক্ষক হোৱাৰ সিদ্ধান্ত ল'লে আৰু কিদৰে বৰ্তমানৰ এই পৰ্যায় পালে?**

শিক্ষাৰ্থী বয়সতে মই শিক্ষক হ'ম বুলি ভবা নাছিলোঁ। পৰিস্থিতিৰ মেৰপাকত পৰি ১৯৭৩ চনতে মই ১০ মাহৰ বাবে Deputation vacancy পদত মাজবাট টাউন বালিকা প্ৰাথমিক বিদ্যালয়ত অস্থায়ীভাৱে শিক্ষকতাৰ আৰম্ভণি কৰো। তাৰ পাছত স্থায়ীভাৱে ক্ৰমে খামটোৱাৰী প্ৰাথমিক বিদ্যালয় (১৯৭৪), ফুলগুৰি প্ৰাথমিক বিদ্যালয়, নলবাৰী টাউন মোক্তাব প্ৰাথমিক বিদ্যালয় (১৯৮০), লখুপুৰ প্ৰাথমিক বিদ্যালয় (১৯৮১), ৩৯৫ নং টিহু টাউন বুনিয়াদী বিদ্যালয় (১৯৮২) আৰু বৰ্তমান ১৮৬ নং খলিহাগুৰি প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰি আছো ১৯৯৬ খ্ৰীষ্টাব্দৰ অক্টোবৰৰ পৰা।

**৩) বাইদেউ আপুনি স্কুলত নথকা সময়ত কি কৰি ভাল পায়?**

স্কুলত নথকা সময়তো দেখোন শিক্ষাৰ লগত জড়িত কথাই বেছিকৈ ভবা যায়। সভা-সমিতিত যোৱা, কিতাপ পঢ়া, কিতাপ লিখা, সম্পাদন কৰা, ট্ৰেইনিং আদি কামবোৰেই ব্যস্ত ৰাখে মোক। সাধাৰণ জ্ঞান আৰু বিজ্ঞান (দ্বিতীয় শ্ৰেণী), অ-আ-ক-খ ছবি আৰু ছন্দ (প্ৰাক্-প্ৰাথমিক), সেউজ সংঘ (দল হিচাপে), ওমলা ঘৰত এথুপি গীত আৰু কবিতা, মোৰ দলিছাৰ সুৰাগমণি এই কিতাপ কেইখন মোৰ স্কুলত নথকা সময়ৰ অধ্যয়নৰ প্ৰচেষ্টাৰে ফল মাথোন। তাৰোপৰি বিভিন্ন আলোচনী, বাতৰি কাকত আদিতো যথেষ্ট প্ৰবন্ধ পাতি লিখি থাকো। অনুষ্ঠানবিলাকে পতা প্ৰতিযোগিতা বিলাকত বিচাৰক হ'বলৈ যাওঁ ইত্যাদি।

**৪) বাইদেউ, স্কুলত শ্ৰেণীবোৰ আকৰ্ষণীয় কৰিবলৈ তথা শৃংখলাবদ্ধভাৱে শ্ৰেণী পৰিচালনা কৰিবলৈ আপুনি কেনে ধৰণৰ ভূমিকা গ্ৰহণ কৰিছিল।**


মোৰ বৰ্তমানৰ স্কুলখন এটা সময়ত এক অসুস্থ পৰিৱেশত আছিল আৰু কেনেকৈনো এক সুস্থ পৰিৱেশ ঘূৰাই আনিব পাৰো তাৰ চিন্তা কৰিছিলো। প্ৰথমে মই শিক্ষাৰ্থীসকলক স্কুলৰ প্ৰতি, শ্ৰেণীৰ প্ৰতি আকৰ্ষণ কৰিছিলো। তেওঁলোকক সংস্কৃতিৰ কথা শিকাইছিলো। পিন্ধন-উৰণ, চাফ-চিকুণৰ প্ৰতি লক্ষ্য দিছিলো। ডেস্ক-বেঞ্চ সজাই শৃংখলাবদ্ধ হৈ থাকিব শিকাইছিলো। শ্ৰেণী কোঠাৰ উপযুক্ত শিক্ষাৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰিবলৈ তথ্য তালিকা, চিত্ৰ আদি বেৰত উপস্থাপন কৰিছিলো। গানৰ মাধ্যমেৰে (Acting song) শিকোৱাৰ উপৰিও প্ৰয়োজনীয় নিম্নতম ব্যৱহাৰৰ প্ৰতি মনোযোগ দিছিলো। ৰেডিঅ', টিভি আদিত প্ৰগ্ৰেম কৰাই ছাত্ৰ-ছাত্ৰীক উৎসাহী আৰু আনন্দমধুৰ পৰিৱেশ ৰচনা কৰিছিলো। বিভিন্ন প্ৰতিযোগিতাবোৰলৈ উপযুক্ত কৰি তালৈ পঠিয়াইছিলো। যথেষ্টভাৱে পুৰস্কৃত হৈ স্কুলৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক দায়বদ্ধ কৰাই তুলিছিলো। সেয়ে ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীকোঠা তথা বৰ্হিশিক্ষাৰ প্ৰতি আকৰ্ষিত হৈছিল।

**৫) বৰ্তমান শিক্ষা ব্যৱস্থাত নৈতিকতাৰ অভাৱ ঘটিছে নেকি ? যদি ঘটিছে ইয়াক আমি কেনেকৈ দূৰ কৰিম ?**

নৈতিকতা ধৰি ৰাখিবলৈ আমাৰ সমাজত অভাৱ দেখা যায়। এই ক্ষেত্ৰত আমাৰ পাঠ্যপুথিত শিক্ষাৰ মাজেৰে সংযম সম্বন্ধীয় জ্ঞান সন্নিবিষ্ট থকা উচিত। এতিয়া মানুহ যিমান শিক্ষিত হৈছে সেই অনুপাতে আত্ম সংযম বান্ধি ৰাখিবলৈ আৰু অধিক প্ৰয়োজন আছে। এয়া সম্ভৱ হ'ব জ্ঞান তথা বিভিন্ন ধৰণৰ বিশ্লেষণৰ মাধ্যমেৰে।

**৬) প্ৰাথমিক পৰ্যায়ৰ শিক্ষা ব্যৱস্থাত বৰ্তমান প্ৰচলন হোৱা মধ্যাহ্ন ভোজনে শিক্ষা ব্যৱস্থাক প্ৰভাৱিত কৰিছে নেকি ?**

নিশ্চয় প্ৰভাৱিত কৰিছে। উচ্চ শ্ৰেণীয়ে ইয়াৰ বিৰোধিতা কৰে যদিও, মধ্যাহ্ন ভোজনে দৰিদ্ৰ সীমাৰেখাৰ তলৰ শিক্ষাৰ্থীসকলক স্কুলমুখী কৰি তুলিছে। যিহেতু এল পি স্কুলৰ সৰহভাগ শিক্ষাৰ্থীয়েই দুখীয়া পৰিয়ালৰ, সেয়ে দেখাত 'স্কুলত খানা' ভাল নেদেখিলেও ক'ব নোৱাৰাকৈ এইটো এটা বৃহৎ সফলতা সৰ্বস্তৰৰ শিশুকে বিদ্যালয়মুখী কৰিব পৰাটো।



**৭) মাধ্যমিক পৰ্যায়ত বহুতো শিক্ষাৰ্থী বেয়া দিশলৈ ধাৱমান হোৱা দেখা যায়। ইয়াৰ মূল কাৰণ আপুনি কি বুলি ভাবে আৰু ইয়াক আমি কেনেকৈ নিৰ্মূল কৰিম ?**

প্ৰাথমিক পৰ্যায়ত ঘাটি ৰৈ গ'লে সিহঁতৰ মনটো বেলেগ দিশে গতি কৰে। বংশগত প্ৰভাৱ, জ্ঞান আৰু চিন্তাৰ অভাৱেও বহু পৰিমাণে ইয়াক প্ৰভাৱিত কৰে। এই ক্ষেত্ৰত চৰকাৰে তেওঁলোকৰ পাৰদৰ্শিতা থকা বিষয়বোৰ নিৰ্বাচন কৰি তাৰ প্ৰশিক্ষণ দি উপযুক্তভাৱে তেওঁলোকক গঢ়ি তুলিব লাগিব।

তেওঁলোকৰ অন্তৰে গ্ৰহণ কৰিবলগীয়া বিষয়বোৰেৰে সিহঁতক প্ৰশিক্ষণ দিব পাৰিলে ব্যক্তি আৰু সমাজ উভয়ে উপকৃত হ'ব।

**৮) আপোনাৰ মতে এগৰাকী ভাল শিক্ষক বা শিক্ষয়িত্ৰীৰ দক্ষতা কেনে হ'ব লাগে?**

জ্ঞান তথা পাণ্ডিত্যৰ পৰিসৰ বহল হ'ব লাগে। ডাঙৰ ডাঙৰ বাক্যই পাণ্ডিত্যৰ পৰিচয় নহয়। নিজৰ পৰিসৰত কি প্ৰয়োজন তাক অনুভৱ কৰি সকলো গোটাই লৈ শিকাব লাগে। শিক্ষকজন কেৱল শ্ৰেণীকোঠাতেই নহয়, খোজ কাটল, কথা-বতৰা, মাত-কথা, ভাব-চিন্তা, জ্ঞান-বিদ্যা,ৰাস্তা-ঘাট, খেল পথাৰ, সভা-সমিতি, ঘৰত, ছাত্ৰ-ছাত্ৰীৰ সন্মুখত, সমাজত প্ৰত্যেক ক্ষেত্ৰতেই শিক্ষকজন শিক্ষক হিচাপে থাকিব পৰা গুণ আয়ত্ব কৰিব লাগে। কিয়নো শ্ৰেণীৰ বাহিৰত নেদেখাকৈ তেওঁক অনুকৰণ কৰে শিক্ষাৰ্থীয়ে। আনহাতে শিক্ষক গৰাকীয়ে ছাত্ৰ বা ছাত্ৰীক সামগ্ৰিক দিশেৰে প্ৰভাৱিত কৰিব পাৰে।

**৯) "শিক্ষক এজন স্কুলৰ শিক্ষক হোৱাৰ উপৰিও সমাজৰো শিক্ষক" বুলি আমি জানো। কিন্তু আজিৰ শিক্ষকসকলৰ সমাজৰ প্ৰতি দায়বদ্ধতাৰ কিবা পৰিৱৰ্তন দেখিছে নেকি আপুনি?**

দায়বদ্ধতা কমা যেন অনুভৱ হয়। আগৰ দিনৰ ডাঙৰ মানুহবোৰ একো একোজন শিক্ষক আছিল। আগতে পাণ্ডিত্য আছিল। এতিয়া চাকৰিহে কৰে। এই ক্ষেত্ৰত চৰকাৰে চাকৰিটো কি মানদণ্ডৰে বিচাৰ কৰি দিলে সেইটোও ডাঙৰ বিষয়। সেয়ে আমি হৃদয়ংগম কৰা উচিত যে এজন শিক্ষক বেয়া মানে এখন সমাজ ধ্বংস হোৱা।

**১০)আপোনাৰ প্ৰধান দুৰ্বলতা কি? আৰু আপুনি কেনেকৈ তাক দূৰ কৰাৰ প্ৰচেষ্টা কৰে?**

দুৰ্বলতা বুলিবলৈ ক'বলৈ হ'লে ইংৰাজীৰ প্ৰতি মোৰ এটা সময়ত দুৰ্বলতা আছিল। কাৰণ মই স্কুলীয়া বা কলেজীয়া শিক্ষাৰ পূৰ্ণতা নাপালো। পিছত ভালদৰে অধ্যয়ন কৰি আৰু বন্ধু বৰ্গৰ লগত আলোচনাৰ মাধ্যমেৰে এই দুৰ্বলতা দূৰ কৰিবলৈ বহু পৰিমাণে সফল হৈছো। অন্যান্য পৰিৱেশতো হঠাতে অহা দুৰ্বলতাবোৰত নিজৰ মনক সংযম কৰি অনুধাৱনৰ মাজেৰে পাৰ কৰো।

**১১)বৰ্তমান শিক্ষা ব্যৱস্থাত ঘৰুৱা শিক্ষক শিকন ব্যৱস্থা প্ৰয়োজনীয় বুলি আপুনি ভাবেনে?**

প্ৰয়োজনত ঘৰুৱা শিক্ষক-শিকন ব্যৱস্থাটো থকা উচিত। ই ছাত্ৰ-ছাত্ৰীৰ সহায়ৰ বাবেহে হ'ব লাগে, কিন্তু পেচা হ'ব নালাগে। প্ৰকৃতাৰ্থত শিক্ষাৰ্থীৰ টিউচনৰ প্ৰয়োজন নাই, যদিহে প্ৰয়োজনীয় সকলোবোৰ ক্লাছ সময়মতে নিয়াৰিকৈ হয়। টিউচনে বহুতো ছাত্ৰ-ছাত্ৰীক 'কটা ঘাঁহ খোৱা বলধ'ৰ দৰে শিকন প্ৰক্ৰিয়ালৈ এলেহুৱা কৰি তোলাৰ সম্ভাৱনা থাকে।

**১২)আপুনি বৰ্তমান শিক্ষা ব্যৱস্থাক লৈ সন্তুষ্ট নে য'ত ছাত্ৰ-ছাত্ৰীক প্ৰহাৰ কৰা নিষেধ?**

কিছুমান ক্ষেত্ৰত সন্তুষ্ট হ'লেও মই কিন্তু কিছুমান ক্ষেত্ৰত অসন্তুষ্ট। আগৰ সময়ত নাম ভৰ্তি

কৰা ন-দহ বছৰীয়া শিক্ষাৰ্থীক বেতৰ আগৰ বিদ্যাৰে শিকোৱা প্ৰক্ৰিয়াত বহু পৰিমাণে সফল হোৱা দেখা গৈছিল। কিন্তু বৰ্তমান সময়ৰ চাৰি-পাঁচ বছৰীয়া শিক্ষাৰ্থীক প্ৰহাৰ কৰাত মই একমত নহয়। কিন্তু কিছু ক্ষেত্ৰত সিহঁতক ভয় দেখুওৱাৰ উপৰিও বিশেষ পৰিস্থিতি তথা বয়স অনুসৰি উচিত শাস্তি দিয়াটো প্ৰয়োজন যেন অনুভৱ হয়।

**১৩)আপোনাৰ শিক্ষা জগতত আটাইতকৈ ডাঙৰ কৃতকাৰ্যতাটো কি?**

মোৰ কৃতকাৰ্যতাক মই কেতিয়াও ডাঙৰ বুলি নাভাবো। মুহূৰ্তে মুহূৰ্তে ছাত্ৰ-ছাত্ৰীক নজনা কথা শিকাই মনত পোৱা আনন্দই মোৰ ডাঙৰ কৃতকাৰ্যতা।

**১৪)ৰাষ্ট্ৰীয় বঁটাই আপোনাৰ জীৱনত কিবা পৰিৱৰ্তন আনিছিল নেকি?**

আমাৰ দেশৰ ৰাষ্ট্ৰপতি প্ৰতিভা দেৱী সিং পাটিল মহোদয়াই ২০১০ চনত মোক ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত কৰে। অনুন্নত পৰিৱেশৰ স্কুল এখনক উন্নত স্কুল হিচাপে গঢ়িবলৈ কৰা প্ৰচেষ্টা আৰু মোৰ কৰ্মৰাজিৰ ফল ৰাষ্ট্ৰীয় বঁটাই স্বীকৃত কৰিলে। সেয়াই মোক অধিক কাম কৰিবলৈ যথেষ্ট উৎসাহী কৰি তুলিছে আৰু পবিত্ৰ কৰ্মৰ মূল্যায়ন হয় বুলি প্ৰমাণিত হৈছে।

**১৫)ৰাষ্ট্ৰীয় বঁটাৰ উপৰিও আপুনি অন্য কোনো ক্ষেত্ৰত পুৰস্কৃত হৈছে নেকি?**

মই সৰুৰে পৰা বহুতো ক্ষেত্ৰত সৰু-সুৰা পুৰস্কাৰ পাইছিলো। সেইবোৰে মোক বৰ আনন্দিত কৰিছিল। শ্ৰেণীত প্ৰথম হ'লে কোনোবাই নহয় কোনোবাই মোক নতুন কিতাপ এখন পুৰস্কাৰ দিছিল। হাইস্কুলত প্ৰথম, দ্বিতীয় বা তৃতীয় স্থান পালে চৰকাৰে ৫০.০০ টকাকৈ দিছিল উচ্চ শ্ৰেণীত। তাৰোপৰি স্কুলৰ পৰাও বাৰ্ষিক অধিৱেশনত স্থান প্ৰাপক হিচাপে পুৰস্কৃত হৈছিলো। খেল ধেমালিৰ পুৰস্কাৰবোৰেও যথেষ্ট উৎসাহিত কৰিছিল। এম এ পাছ কৰাৰ পিছত প্ৰবন্ধ, কবিতা আদি লিখি অসম ভিত্তিত আৰু উত্তৰ পূৰ্বাঞ্চল ভিত্তিত পুৰস্কৃত হৈছিলো। সেইবোৰে মোক পিছত লিখা মেলাত সাহস যোগাই আহিছে। শিক্ষকতা জীৱনৰ নলবাৰী জিলাৰ কৃতি শিক্ষক হিচাপে উপায়ুক্ত আশুতোষ অগ্নিহোত্ৰীয়ে ২০০৯ চনত জিলাভিত্তিক পুৰস্কৃত কৰিছে। ২০০৮ চনত অসম চৰকাৰে ৰাজ্যিক বঁটাৰে কৰিমগঞ্জলৈ লৈ গৈ পুৰস্কৃত কৰিছে। শেষত এই বঁটাবোৰেই মোক ৰাষ্ট্ৰীয় বঁটা পোৱাৰ বাবে উপযুক্ত কৰি তুলিলে বুলি মই ভাবো।

**১৬)এছ ডি পি বি এড কলেজৰ শিক্ষাৰ্থীসকলৰ বাবে আপুনি কি বাৰ্তা দিব বিচাৰে?**

এছডিপি বি এড কলেজৰ সমূহ শিক্ষাৰ্থীৰ পৰা সু-চৰিত্ৰ তথা সংযমী মন প্ৰতি মুহূৰ্ততে আশা কৰো। অধ্যয়নত নিজৰ চেষ্টা অপৰিসীম। চেষ্টাৰ অসাধ্য একো নাই। এৰি অহা দিনৰ ঘাটিবোৰ পূৰণ কৰিবলৈ প্ৰয়াস কৰিব লাগে। আত্ম সংযম আৰু লক্ষ্যৰে আগবাঢ়িব লাগে। সকলোৱে যাতে তথাকথিত ভদ্ৰলোক হ'বলৈ নপঢ়ি প্ৰকৃত জ্ঞান সমৃদ্ধ কৰ্মী হ'বলৈ পঢ়ে তাকে কামনা কৰিলো।□

# বিশেষ আলোচনা

*"আজিকালিৰ ফাৰ্ষ্ট ডিভিজন..... এহ! থৈ দি..... আমাৰ দিনৰ ফাৰ্ষ্ট ডিভিজনৰ কোৱালিটিয়েই বেলেগ আছিল..."* — অসমৰ চুকে কোণে বিভিন্ন সময়ত বিভিন্ন ঠাইত এনে ধৰণৰ কথা কাণত পৰা দেখা যায়। **"আগৰ দিনৰ শিক্ষাৰ নে আজিৰ দিনৰ শিক্ষাৰ মানদণ্ড উন্নত ?"** এই প্ৰশ্নক লৈ সমাজৰ বিভিন্ন চামৰ মাজত বিতৰ্কও হোৱা দেখা যায়। এই বিতৰ্কৰ সন্ধান বিচাৰি আমি টিহু অঞ্চলৰ বিভিন্ন ক্ষেত্ৰৰ কেইগৰাকীমান ব্যক্তিক লগ ধৰিছিলো। আহকচোন তেওঁলোকৰ দৃষ্টিভংগী, চিন্তাৰ স'তে আমি চিনাকি হওঁ —



**শ্ৰীযুত কৰুণা কাকতি**
প্ৰধান শিক্ষক, টিহু হাইস্কুল, টিহু

ঃ- আগৰ দিনৰ শিক্ষা জ্ঞানকেন্দ্ৰিক হোৱাৰ লগতে মানৱতাবোধ, ব্যৱহাৰ তথা চাৰিত্ৰিক দিশবোৰেৰে প্ৰভাৱিত আছিল। কিন্তু বৰ্তমান শিক্ষাত ইয়াৰ অভাৱ দেখা যায়। বৰ্তমান শিক্ষা হৈছে নশ্বৰৰ প্ৰতিযোগিতা। বাহ্যিকভাৱে বৰ্তমান শিক্ষাত বহুত উন্নতি হৈছে কিন্তু আভ্যন্তৰীণভাৱে চাব গ'লে আগৰ শিক্ষাৰ লগত ই ফেৰ মাৰিব পৰা নাই। বৰ্তমান পাঠ্যক্ৰম শুদ্ধ আৰু শৃংখলাবদ্ধ কিন্তু তাক উপযুক্তভাৱে প্ৰয়োগহে কৰিব পৰা নাই। আগৰ শিক্ষাৰ্থীবোৰে পৰিয়াল তথা সমাজৰ স্বাৰ্থ ৰক্ষাৰ লগতে গুৰুজনক সন্মান কৰিছিল। কিন্তু বৰ্তমানৰ শিক্ষাৰ্থীয়ে নিজৰ ব্যক্তিগত স্বাৰ্থকহে বেছি গুৰুত্ব দিয়া দেখা যায়। আগৰ শিক্ষকসকলে বিদ্যালয়ক নিজ ঘৰ বুলি ভাবিছিল কিন্তু বৰ্তমানৰ শিক্ষকে কেৱল চাকৰিহে কৰে, নিৰ্দিষ্ট সময়ত স্কুলত থাকিব পাৰিলেই তেওঁলোকৰ কৰ্তব্য শেষ বুলি ভাবে আৰু পাৰিলে দুই এটা Side Business তো গুৰুত্ব দিয়ে। সেয়েহে আমাৰ শিক্ষকসকলৰ এক বিশেষ দায়িত্ব আছে আজিৰ শিক্ষাৰ্থীক মানৱতাবোধ, ব্যৱহাৰ তথা চাৰিত্ৰিক দিশৰ জ্ঞান দিয়া।



**শ্ৰীযুত জগৎ গোস্বামী**
বিশিষ্ট সমাজকৰ্মী, টিহু

ঃ- ব্ৰিটিছ শিক্ষানীতিৰ উদ্দেশ্য আছিল তেওঁলোকৰ প্ৰশাসনিক দিশৰ সহায়ৰ বাবে

এচাম শিক্ষিত লোক তৈয়াৰ কৰা। আনহাতে স্বাধীন ভাৰতৰ উদ্দেশ্য আছিল চহৰ তথা গাঁৱৰ চুকে কোণে শিক্ষা সম্প্ৰসাৰণৰ জৰিয়তে মানৱ সম্পদ গঢ়ি তোলা। কিন্তু ১৯৯১ চনৰ New Liberal Policy ৰ পাছত গোটেই শিক্ষা ব্যৱস্থা Commerce Oriented হৈ পৰিল, যিয়ে ছাত্ৰ-ছাত্ৰী, শিক্ষক, পাঠ্যক্ৰম, সকলোৰে ওপৰত প্ৰভাৱ পেলালে। আগৰ শিক্ষাত পাঠ্যক্ৰমৰ বিষয়বস্তু আছিল সমগ্ৰ জ্ঞানৰ বাবে। আনহাতে আজিকালি শিক্ষাৰ পাঠ্যক্ৰম আংশিক জ্ঞানৰ বাবেহে। আগৰ শিক্ষকে ক্লাছত কোৱাইছিল, ঘৰত আহিছিল। আজিৰ এচাম শিক্ষকে কয়, "ক্লাছত পঢ়ালো, গতিকে মোৰ তাত টিউচন ল'ব লাগিব।" আগৰ ছাত্ৰই নিজৰ লগতে সামগ্ৰিক কৰ্ম-সংস্কৃতিক ৰক্ষা কৰাৰ কথা ভাবিছিল। আজিৰ ছাত্ৰই অধিক নম্বৰ, Position লাভ তথা ব্যক্তিগত স্বাৰ্থ ৰক্ষাৰ কথা বেছি ভাবে। বিকাশৰ বাবে প্ৰযুক্তিবিদ্যা প্ৰয়োজনীয় কিন্তু তাৰ প্ৰয়োগৰ সু-ব্যৱহাৰহে গুৰুত্বপূৰ্ণ। পাঠ্যক্ৰমত ভূগোল, ইতিহাসৰ অন্তৰ্ভুক্তি খুবেই প্ৰয়োজনীয়। পৰিমাণৰ ফালৰ পৰা চাব গ'লে আজিৰ শিক্ষাৰ মানদণ্ড বহুতো উন্নত। কিন্তু গুণৰ ফালৰ পৰা চাব গ'লে আজিৰ শিক্ষা লাহে লাহে তললৈ নামি গৈছে। It is very dangerous for India, very very dangerous for Assam.



**শ্ৰীযুত উদয় চন্দ্ৰ কলিতা**
বিশিষ্ট ব্যৱসায়ী, টিহু

ঃ- আগৰ শিক্ষা ব্যৱস্থাত নম্বৰ পাবলৈ বহুত কঠিন আছিল, তাৰ পৰিৱৰ্তে আজিকালি ভাল নম্বৰ পোৱাটো বহুত সহজ। ব্যৱহাৰৰ ফালৰ পৰা আদি কৰি খেলা-ধূলা সকলো ক্ষেত্ৰতেই আগৰ শিক্ষা বৰ্তমানৰ শিক্ষা ব্যৱস্থাতকৈ নাম্বাৰ ওৱান আছিল। আগৰ শিক্ষা ব্যৱস্থাত কৰ্মৰ মাজেৰে শিক্ষা আহৰণ কৰিছিল, কিন্তু আজিকালি মাক-দেউতাকে কেৱল অধ্যয়নতহে বেছি গুৰুত্ব দিয়ে যাৰ পৰণতিত ল'ৰা-ছোৱালীৰ আন আন প্ৰয়োজনীয় কামৰ প্ৰতি অজ্ঞতা দেখা যায়। আগৰ শিক্ষকসকল বৰ্তমানৰ শিক্ষকতকৈ অধিক দায়িত্বশীল, কৰ্মদক্ষতাপূৰ্ণ আছিল। আজিকালি শিক্ষা ব্যৱস্থা সকলো ফালৰ পৰা বেয়া দিশলৈ ধাৱমান হোৱাৰ মূল কাৰণ হৈছে কৰ্মৰ প্ৰতি অনিহা, ধৰ্মৰ প্ৰতি অনাস্থা, জ্ঞানৰ প্ৰতি অনিচ্ছা, মোবাইল তথা আধুনিকতাৰ প্ৰভাৱ আৰু যুগৰ পৰিৱৰ্তন।

চিটিৱান



শ্ৰীযুত হৰেকৃষ্ণ তালুকদাৰ
বিশিষ্ট সংগীত শিল্পী, টিহু

ঃ-আগৰ শিক্ষা আৰু আজিৰ শিক্ষাৰ মাজত পাৰ্থক্য স্বাভাৱিক। সা-সুবিধাৰ ফালৰ পৰা আগতকৈ আজিকালিৰ শিক্ষা ব্যৱস্থা বহুত উন্নত। আগতে আমি কলপাতত লিখিছিলো, চাকিৰ পোহৰত লিখিছিলো। আজিকালি প্ৰণালীবদ্ধ আৰু পাঠ্যক্ৰম অনুযায়ী শিকাৰ ব্যৱস্থা হৈছে। এগৰাকী সংগীত শিল্পী হিচাপে মোৰ দৃষ্টিত কলাক্ষেত্ৰত অতীজৰে পৰা বৰ্তমানেও গুৰু বিদ্যাৰ প্ৰচলন হৈ আছে, য'ত গুৰুক যথেষ্ট সন্মান যচা হয়। কিন্তু শিক্ষাৰ আন আন ক্ষেত্ৰবোৰত বহু গুণে কম দেখা যায়। আমি আগতে গুৰুক ৰাস্তাত দেখিলে চাইকেলৰ পৰা নামিছিলো। আজিকালি তাৰ অভাৱ দেখা যায়। গুৰুসকলো Professional হোৱা পৰিলক্ষিত হৈছে।



শ্ৰীযুত যোগেশ্বৰ বৰ্মন
বিশিষ্ট খেতিয়ক, টিহু

ঃ-আজিকালিৰ শিক্ষাতকৈ আগৰ শিক্ষা টান আছিল। আমি যিমান পৰ্হিবা লাইগ্‌ছিল, আজিকালি সিমান নাল্‌গে। আমি পৰীক্ষাত গোটাই কিতাপখানোৰে উত্তৰ কৰ্‌বা লাইগ্‌ছিল আৰু চব লং প্ৰশ্ন আছিল। আজিকালি কিতাপৰ কেটামান পাঠৰহে উত্তৰ কৰ্‌বা লাগে। তাকো সৰু সৰু প্ৰশ্ন। মই যিত্তে ১৯৭১ চনত মেট্ৰিক পৰীক্ষা দিছ্‌লু, তিত্তে মূৰ ঘূৰোবাই নোচ্ছিলু। আজিকালি দেখুন চিনাকী মাষ্টৰে পৰীক্ষাত চব শিখে দিয়ে। আমি ভূগোল, বুৰঞ্জী চব মুখস্থ কৰি দিছ্‌লু। আজিকালিৰ ছলিক যদি সুধা ভূগোল মানে কি অ', সি ভেবা লাগি মুখ মেলি থাক্‌বো — ভূগোল মানে বা আৰু কি?



শ্ৰীযুত বিমান কলিতা
সাংবাদিক, 'খবৰ' দৈনিক কাকত, টিহু

ঃ- পুৰণি শিক্ষা ব্যৱস্থাটো জ্ঞানকেন্দ্ৰিক আছিল। বেতৰ আগৰ বিদ্যাৰে বিষয়বস্তুৰ সম্পূৰ্ণ জ্ঞান দিয়াটোৱে আছিল আগৰ শিক্ষাৰ উদ্দেশ্য।

কিন্তু বৰ্তমানৰ শিক্ষা ব্যৱস্থাটো নম্বৰকেন্দ্ৰিক। অভিভাৱক তথা শিক্ষক-শিক্ষাৰ্থীয়ে কেৱল নম্বৰৰ ওপৰতহে গুৰুত্ব দিয়ে। গুণগত শিক্ষাৰ বাবে বৰ্তমান চৰকাৰে সৰ্বশিক্ষা অভিযান আঁচনি, ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান আঁচনি আদি নানা আঁচনি ৰূপায়ণ কৰিছে যদিও ব্যৱহাৰিক দিশত যিমান আগবাঢ়িব লাগিছিল সিমান আগবাঢ়িব পৰা নাই।

যিহেতু গুণগত শিক্ষাইহে সমাজ এখনৰ প্ৰকৃত উন্নতি সাধিব পাৰে তাৰ বাবে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱকসকলে গুণগত শিক্ষাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা উচিত বুলি মই ভাবো।



শ্ৰীগৌৰৱ পাঠক
উচ্চতৰ মাধ্যমিক পৰীক্ষাত (বিজ্ঞান শাখা)
টিহু অঞ্চলৰ ভিতৰত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰ

ঃ- পুৰণি শিক্ষা ব্যৱস্থা যথেষ্ট সু-শৃংখল আৰু নিয়মানুৱৰ্তিতাৰে পৰিপূৰ্ণ আছিল য'ত পাঠ্যক্ৰমৰ সামগ্ৰীৰ লগতে ব্যৱহাৰিক ক্ষেত্ৰতো যথেষ্ট গুৰুত্ব দিছিল। মা-দেউতাৰ পৰা বা বিভিন্ন কিতাপ পঢ়ি জানিছিলো গুৰুৱে শিষ্যক মৰম তথা শিষ্যই গুৰুক সন্মান কৰাৰ কথা। কিন্তু বৰ্তমানৰ বিজ্ঞানৰ যুগত শিক্ষা ব্যৱস্থাটো উশৃংখল হৈছে। বৰ্তমান পাঠ্যপুথি যথেষ্ট উন্নত হৈছে কিন্তু সেই অনুপাতে তাৰ ব্যৱহাৰ হোৱা নাই। বিভিন্ন Social Network যেনে Facebook, Twiter, আদিয়ে শিক্ষক-শিক্ষাৰ্থীক প্ৰভাৱিত কৰিছে। শিক্ষাৰ্থীয়ে বহু ক্ষেত্ৰত শিক্ষকক সন্মান কৰা কম দেখা যায়। এই ক্ষেত্ৰত শিক্ষক সকলোৰো দোষ নথকা নহয়। সমাজত এচাম দায়িত্বশীল শিক্ষক আছে যদিও এচামে যেন Time Pass হে কৰি আছে। সেয়ে পুৰণি শিক্ষাক আমি সমানে আকোঁৱালি ল'লে বৰ্তমানৰ শিক্ষাৰ দ্বাৰা উন্নতিৰ জখলাত আগবাঢ়ি যাব পাৰিম।



শ্ৰীহৰেকৃষ্ণ দাস
থেলাচালক, টিহু

ঃ- এহ! আগৰ দিনতে ভাল আছিল। আমি ৰাস্তাত চাৰ আহাক দেখ্‌লি নাইম্‌ছিলু। আজিকালিৰ ছলিয়ে নাম্‌নেই। আমি চাৰ আহাক ভয় কচ্ছিলু। আজিকালি ভয়-ছয় নক্‌ৰে।❑

কবিতা




## মৰমৰ এনাজৰী

বনশ্ৰী কলিতা

আমোলমোল শেৱালীৰ সুবাস লৈ
মই যেতিয়া
নিশাৰ আকাশৰ
জোনবাইৰ সৌন্দৰ্য্যত বিভোৰ,
কাষতে হঠাৎ
তোমাক অনুভৱ কৰোঁ,
অজানিতে এন্ধাৰত
মিচিকিয়াই হাহোঁ
কেতিয়াবা উলাহত
তোমাৰ সৈতে কথা পাতো
কেতিয়াবা গুণগুণাও,
আৰু
কেতিয়াবা চকুলোৰে ভৰি উঠে দুচকু,
কেতিয়াবা মোৰ ভগ্ন হৃদয়ে তোমাক
বিচাৰে,
ওহো ! জোনবাইৰ বুকুত
সপোনৰ কাৰেংঘৰ সাজিবলৈ নহয়,
হৃদয়ৰ গভীৰৰ এচুকত
সজতনে সাঁচি ৰখা সপোনটোক
পোহৰৰ বাট দেখুৱাবলৈ।







## প্ৰকৃতি জগত

কমল দাস

আমাৰ প্ৰকৃতি জগতখন
অতিকৈ মনমোহনীয়।
নানা তৰহৰ ফুল বিকশাই তুলি
মায়াভৰা পৃথিৱীখন সুন্দৰ কৰি,
চাৰিওফালে নয়নমুগ্ধকৰ শোভা বিয়পাই তোলাৰ ক্ষেত্ৰ
আমাৰ প্ৰকৃতি জগতখনৰ অৱদান অপৰিসীম
প্ৰকৃতি জগতৰ এই অপূৰ্ব নয়নমুগ্ধকৰ শোভাই
মোক যেন প্ৰকৃতিপ্ৰেমী হ'বলৈ বাধ্য কৰিছে
মই যেন প্ৰকৃতিবলীয়া।।
এই প্ৰকৃতি জগতৰ অপূৰ্ব শোভা চাই
মই মোৰ দুখ-বেদনাৰে জৰ্জৰিত জীৱনটোৰ পৰ
কিছু সময়ৰ বাবে হ'লেও সুখ অনুভৱ কৰো।
দুখ-বেদনাৰে জৰ্জৰিত এই জীৱনটোত মোৰ বাবে
প্ৰকৃতি জগতখনে জীয়াই থকাৰ পথ।
দৃষ্টিদান কৰিলে দৃষ্টি আঁতৰ কৰিব নোৱাৰা
প্ৰকৃতি জগতখন মই কেতিয়াও পাহৰিব নোৱাৰিম।



## চাৱনি

হীৰকজ্যোতি পাটগিৰি

তোমাৰ ঠিকনা বিচাৰি গুচি আহিলোঁ মই
নুপুওৱা ৰাতিৰ শেষত
মনত পৰিছে,
প্ৰেমত শৰবিদ্ধ মাতাল ৰাতিবোৰত
মই যে তোমাক ভাল পাওঁ।
তোমাৰ প্ৰেমৰ ৰজনীগন্ধা পাহি বিচাৰি
যন্ত্ৰণাৰ পাহাৰখনো বগাইছিলোঁ মই।
কিন্তু,
দেওবৰীয়া প্ৰেম বজাৰত,
নিলাম কৰিলা তুমি মোৰ প্ৰেমক।
এতিয়া, নালাগে মোক
তোমাৰ মৰমৰ এনাজৰী
নাচাওঁ তোমাৰ দুচকুৰ
এমুঠি স্বপ্ন
তোমাৰ কাজলসনা দুচকুত
এতিয়া মাথোঁ অমানিশা।।
মই নিবিচাৰো শীতৰ সেমেকা ৰাতি
নতুবা বসন্তৰ সতেজ প্ৰভাতী
প্ৰভাতী পক্ষীৰ কল্‌কলনিত
পাৰ হয় মোৰ
নিদ্ৰাহীন ৰাতি।
গুচি আহিলোঁ মই
তোমাৰ ঠিকনা বিচাৰিব এৰি
এখন উন্মুক্ত সতেজ
পৃথিৱী বিচাৰি।





## এটি কৱিতা



গোবিন্দ দাস

ভাবিছোঁ, এটি কবিতা লিখিম।
শব্দবোৰ আহে আৰু যায়
মই যে নোৱাৰো,
মোৰ অনুভূতি প্ৰকাশ কৰিব।
দুখৰ প্ৰাচীৰে দিয়ে থিয়
সঘনে, প্ৰতি মুহূৰ্তে
হৃদয়ো মোৰ ঠুনুকা
উকুখা পঁজাৰ দুখেৰে আবৃত
মোৰ দুচকুৰ অশ্ৰু বন্যাই
বিচাৰে স্পৰ্শ
কিহৰ?
এখনি কোমল হাতৰ
জীৱনৰ বাটত বহুদূৰ আগবাঢ়ি গ'লো
পোৱা নোপোৱাৰ
বেদনাকেই হিচাপ কৰি ল'লো।

চিটিয়ান



## সোণৰ অসম

মৌচুমী কলিতা

অ' আইতা তুমি কোৱা
সোণৰ অসম ৰূপহী অসম
কেনি হেৰাই গ'ল,
বীৰ লাচিতৰ বীৰ ভূমি
চিলাৰায়ৰ জয়ধ্বনি
কেনি মাৰ গ'ল।
ইয়াতেই জনমিছিল নৰকাসুৰ,
বীৰ ভগদত্ত, বাণাসুৰ
ৰণ হুংকাৰত আকাশ জ্বলিছিল
পৃথিৱী কঁপিছিল থৰথৰ।
আহোম ৰজাই গঢ়িলে দেশ
পাহাৰে ভৈয়ামে কৰি এক,
দুষ্কৃতিকাৰীৰ দূৰন্ত অভিসন্ধিত
সিয়ো হ'ল সবংশে নিশেষ।
অ' আইতা বদন বৰফুকনে
আনিলে মান অসম নাশিবলে',
সেই সুযোগতে ব্ৰিটিছ চৰকাৰে
অসম কাঢ়ি ল'লে।
ভাৰতবৰ্ষ স্বাধীন হ'ল
অসমী আই শ্ৰীহীন হ'ল
পাহাৰ ভৈয়াম সকলোতে
বিষপুলি ৰুই গ'ল।
অ' আইতা কিনো ক'ম দুখৰ কথা
হিয়া ভাঙি যায়,
হিয়া ভাঙি যায়,
অসমীয়া নেতাসবে
বিদেশীকহে ভাল পায়।
গঁড়েৰে ভৰা কাজিৰঙা
বাঘেৰে ভৰা মানস অভয়াৰণ্য
অসমী আইৰ বুকুৰ ধন
এটি এটিকৈ নোহোৱা হ'ল।
অ' আইতা খাল-বিল-চৰণীয়া পথাৰ
অসমীয়াৰ ভোগৰ ভঁৰাল
বিদেশীৰ হাতত গ'ল,
তাকে দেখি বুঢ়া লুইত
অলিয়া-বলিয়া হ'ল।



## ৰং বিহীন শিল্পী

কল্পনা দেৱী

মোক এটা ৰং দিয়া
ৰঙা, নীলা, হালধীয়া অথবা সেউজীয়া
তুলিকাও দিবা
মনৰ দাপোণত মই এখন ছবি আঁকিব খোজো
অস্পষ্ট, ধূসৰিত ছবিখন
মোৰ হৃদয়ৰ প্ৰতিচ্ছবি
হ'ব পাৰে মৰম আকলুৱা
মোৰ হৃদয় গহ্বৰত অঁকা ছবি
নাইবা তোমাৰ ভগ্ন প্ৰেমৰ মৃতদেহ
মোৰ বুকুৰ চিতাত অগনি হৈ
জ্বলাৰ প্ৰতিচ্ছবি
তুমি বাৰু দিবানে সহাৰি
দিবানে ৰঙা, নীলা, হালধীয়া বা সেউজীয়া
নে সাপৰ দৰে মেৰিয়াই ধৰিবা মোক?
মই যেন হৈ যাম
আকৌ ৰং বিহীন শিল্পী।


চিটিয়ান



# সেউজীয়া সপোন

**পল্লৱী শৰ্মা**

সেউজীয়া সপোনটো ইয়াতেই আছিল...
কোনো খেতিয়কৰ,
ভাগৰুৱা দেহক যেন
পাৰি দিছিল এখন
শ্যামল দলিছা...
বতাহে তাক উৰুৱাই নিছিল
এজাক ৰোৱনীৰ
দেহৰ সৌন্দৰ্য্য বৃদ্ধি
কৰিবলৈ,
এখন সেউজীয়া আঁচল হৈ,
সি উৰিছিল...
এজাক গাভৰুৰ খিলখিল
হাঁহিত,
সি উন্মনা হৈছিল
আকোঁৱালি লৈছিল...
এজাক গাভৰুৰ মতলীয়া যৌৱনক,
তাৰ বুকুৰ মাজত।
কোনোবা ডেকাৰ
কঠিন হাতৰ মুঠিত,
সি ওপচাই দিছিল, অযুত আশা...
কিন্তু, হঠাৎ এদিন!
সেউজীয়া সপোনটো,
হেৰাই থাকিল...
কলীয়া ডাৱৰৰ আঁৰত
হেৰাই যোৱা সূৰুযটোৰ দৰে
সিও হেৰাই থাকিল...
কংক্ৰিটৰ দেৱাল আৰু অট্টালিকাবোৰৰ চেপাত...
কোনে জানে,
তাক আকৌ কোনোবাই
বিচাৰি আহিবনে, নাহে?





# বেদনাত ধূলিৰ ধুমুহা


**গীতুমণি ৰাজবংশী**

ফাগুন তুমিতো গ'লা গুচি
একো সাৰ-সুৰ নোহোৱাকৈ
চ'তৰ প্ৰথম বুধবাৰটোতে
আহিল এজাক শিল বৰষুণ
ধূলিয়ে আলিংগন কৰি
মনত বৰ তৃপ্তি দিলে।
পিছে যিবোৰ ধূলি আছিল শুই
তুমি অহা গমকে নাপালে
এতিয়া গম পাই তোমাক বিচাৰি
চৌদিশে ঘূৰি ফুৰিছে।
গোটেই আকাশ ধূলিময়
একোকে নমনি চকুৰে।
আলিংগন নাপাই বাউলি আজি
ক'ত যাব কি কৰিব।
খঙৰ ভমকত আঁকিব নোৱাৰি
বলিছে ধূলিৰ ধুমুহা হৈ
গছৰ ডালৰ পাতবোৰেও
ঝৰ মৰ কৈ সৰি পৰিছে তললৈ।
পানী কেঁচুৱাৰ দৰে কুঁহিপাতবোৰে
তোমাৰ বাবে মেলিব পৰা নাই চকু
এনেকৈ সদায় থাকিলে ভাঙিব বুকু।
লাজুকী কুলিয়ে পাতৰ আঁৰত
গাইছে সুমধুৰ গান
ব'হাগ অহাৰ বাতৰি পাই
ডেকা গাভৰুৱে কৰে স্নান।



# বিদায় লগ্ন

দ্বিপজ্যোতি কলিতা



কেৱা... কেতিয়া লৈ যাবা তুমি
মোৰ ঘৰৰ পৰা তোমাৰ সকলো বয় বস্তু।
তোমাৰ এই বস্তুবোৰৰ যে কোনো প্ৰয়োজন নাই মোৰ জীৱনত,
তুমি মাত্ৰ লৈ যোৱা, মোক আৰু একো নালাগে।
তোমাৰ নতুন ঠিকনা বিচাৰি মই হাহাকাৰ কৰি ফুৰিছিলো, জানা?
মই যে পাগল হৈ গৈছিলো তোমাক সেইবোৰ ঘূৰাই দিবলৈ
তুমিনো লুকাই চুৰকৈ কিয় তোমাৰ ঠিকনা সলনি কৰিলা...
নতুন ফোন নম্বৰটোৰো যে মোক নিদিলা
কিয়? তোমাক আমনি কৰিম বুলি ভাবিছিলা নেকি!
মইতো তোমাক কেতিয়াও আমনি কৰা নাছিলো; বৰং
তুমিহে মোক সদায় কৰিছিলা..... আমনি
তোমাৰ সেই সৰল মুখখনিয়ে আজিও মোক আমনি কৰে
কিন্তু ক'তা! তোমাক জানো জানিবলৈ দিছো এই কথা মই
তুমিতো অচিনাকীৰ দৰেই আহিলা... আৰু গ'লা মোৰ এই ঘৰটোৰ পৰা
আলহীৰ দৰে থাকিলা আৰু শেষত তোমাৰ এই বস্তুবোৰ এৰি
চোৰৰ দৰে গুচি গ'লা... এখোজ দুখোজকৈ।
এই বস্তুবোৰে মোক জ্বলাই খাইছে জানা!
মোক তিল তিলকৈ মাৰিছে।
মোৰ এই ঘৰটোত যে আৰু কোনো মানুহেই নাহে... জানানে তুমি!
ইমান লেতেৰা আৰু বিধ্বস্ত কৰি থৈ গ'লা যে
ই আৰু কোনো মানুহৰে বসবাসৰ যোগ্য হৈ নাথাকিল।
তোমাক এটা কথায়ে কওঁ শেষত
কাৰো ঘৰত (?) আহি যোৱাৰ পৰত নক'বা মইতো তোমাৰ আলহীহে আছিলো
বন্ধুৰ দৰে তোমাৰ সকলো বস্তুক নিজৰ বুলি ভাবিছিলো।
ইয়াতকৈ বেছি আৰুতো একো নাছিল
পাৰা যদি এপাক আমাৰ ফালে আহি লৈ যাবাহি
তোমাৰ... মোৰ... আমাৰ মৰমৰ সেই বয়বস্তুবোৰ
মোৰ খালী ঘৰটোৰ পৰা।□

*গীত*

# (এছ.ডি.পি.) বি. এড. কলেজৰ আমি '১৫ বৰ্ষৰ শিক্ষাৰ্থী

জয়ন্ত বৰ্মন



বি. এড. কলেজৰ আমি '১৫ বৰ্ষৰ শিক্ষাৰ্থী
বেয়া নাপাবা বন্ধু, অলপ কৰিম ধেমালি...
*গোবিন্দ* কেপ্তেইন কামৰূপ বাহিনীৰ
ঘটে ঘটে পানী খাই বাহিনী চলাই
*চন্দ্ৰমা, বনশ্ৰী* মেম্বাৰ, *মিতালী* এডভাইচাৰ
ফুড মন্ত্ৰী *পিংকি* ভাল পায় মেগি খুৱাই
*ভূপালী* শিক্ষামন্ত্ৰী কামৰূপ বাহিনীৰ
ক্লাছ খতি নকৰে মাৰ্ক কম পাব বুলি
ৰাতি সপোনতো তাই নোটচ্ বিচাৰে
*গোবিন্দৰ* শান্তনা টেন্‌চন্ নলবি
*ববিতা* আহে জলখানাৰ পৰা
হাবকুলিচ লেডিজ চাইকেল চলাই
*বিশ্ব* বাঙালীক বাটতে লগ পাই
গপচপত টাইমত ক্লাছ নাপায়
*ৰেইচুমাই, জোনালী* ফাৰ্ষ্ট বেঞ্চত সদায়
*মোনাই* তাতে বহিবলৈ জোৰত স্কুটি চলায়
*ধৰিত্ৰীয়ে* লাষ্ট বেঞ্চত বহিহে ভাল পায়
ফেচবুকতেই তাই কলম চলায়
*মলয়া* আহে মছলপুৰৰ পৰা
লগত *জিনু*ও আহে সদায় সদায়
দুয়োৰে ভাল পায় ডাইৰেক্ট বাছত উঠি
বাছ সলালে যে লিপ্‌ষ্টিক্ গুছি যায়
*কাকলিৰ* টেনছন মেষ্ট্ৰোখন তাইৰ ডাঙৰ
ভৰিবে যে তাই মাটি লগ নাপায়
পাৰ্কিঙৰ টাইমত হাবাথুৰি খায়
*পল্লৱীয়ে* ঠেলে গাড়ী আগুৱাই
স্মাৰ্ট বয় *বিকাশ* আহে মাখিবাহাৰ পৰা
দেউতাকে বাইক নিদিলে আহে চাইকেল চলাই
*তুষাৰ* ক্লাছৰ সকলোতকৈ দীঘল
*হীৰক* দেখাত নাউমান, কিন্তু কৰে কাম ডাঙৰ

## চিটিয়ান

*দ্বীপ* হঠাৎ আহি ওলাই পিক্‌নিক্‌ৰ দিনতে
আহিয়েই মিলি যায় চবৰে লগতে
বাছত অন্টাকক্ষৰী কিমান যে গান গালে
গাৰ্লফ্ৰেণ্ডৰ গালিত আহোতে ডেঞ্চ নকৰিলে

*কমল* আধা লোকেল ঘৰ হালধিবাৰীতে
জোক্‌ছ্‌ শুনাই পপুলাৰ চবৰে মাজতে
চিএঞ্জৰাতো নাম্বাৰ ওৱান সকলোৱে জানে
কামৰূপ বাহিনীক থয় সদায় ষ্টেচনতে

*চন্দনা* আহে বিহামপুৰৰ পৰা
টেম্পো, মেজিক সলাই সলাই
চকুত চচমা, ওঠত কাঢ়া লিপষ্টিক
*ডেইজি* লগত আহিও পাট্টা নাপায়

*দীপ্তি* 'ডন' আমাৰ লেডিজ বাহিনীৰ
মূৰত হেলমেট ৰঙা ৰুমাল ডন হেন লাগে
সময়ত তাম্‌চা ফূৰ্তি সময়ত গালি
অন্যায় দুৰ্নীতি তাই সহ্য নকৰে

*ধনমণি* আহে হাৰিভাঙ্গাৰ পৰা
এল আই চিৰ ফৰ্ম বেগত বান্ধি
*ধনমণি*ক দেখি *বৰ্মন*দাৰ উঠে খং
প'লিচিৰ ভাগ কম পাম বুলি

*মৌচুমী* আহে টিহু চ'কৰ পৰা
লাজত মুখেৰে তাইৰ কথা নোলায়
*জ্যোতিস্মিতা* আহে স্পিডত স্কুটি দৌৰাই
*মৌচুমী*য়ে হাত দাঙিও পাট্টা নাপায়

*হিমাশ্ৰী* আহে ভোজকুছিৰ পৰা
ভাগৰি পৰে তাই চাইকেল চলাই
প্লিজাৰ দিয়ে দেউতাকে দিন-বাৰ ভাল চাই
প্ৰেক্টিচ কৰোতেহে তাইৰ গাড়ী উল্টা খায়

*অংশুমান, অস্মিতা*ৰ চচমাৰ পাৱাৰ একে
দুয়োকে ক্লাছত ককা-আইতা সকলোৱে মাতে
ককা আহে সুদূৰ চামতাৰ পৰা
লোকেল আইতাই ভাত খুৱায় তাক দুখতে

*ৰঞ্জিতা* আহে গুজৰাটৰ পৰা
মোডিৰ কাহিনী শুনাই ক্লাচতে আমাক
ভঙা ভঙা অসমীয়া তাইৰ মুখতে
ডেলহিৱালী বুলি কয় তাইক সকলোৱে

*প্ৰাঞ্জল* দা ডক্টৰ বাবু আমাৰ ক্লাছৰে
মেডিচিনৰ চেম্পুল থাকে সদায় লগতে
চ্যুট টাই প'লিচ জোটা জকমক কৰে
তাকেই দেখি বেমাৰীৰ বেমাৰ কমে

*বিশ্ব* দাই হঠাৎ বিয়াখন পাতে
বিয়াত চবকে আমাক জোৰ কৰি মাতে
বিয়াৰ পাছত চিকেন-ৰোল আমাক পাৰ্টি দিয়ে
নজৰ লাগিব বুলি বৌক দেখাইহে নিদিয়ে

*মিতালী* আহে গোৱালপাৰাৰ পৰা
হঠাৎ আহি গান গায় পিকনিক বাছতে
*কল্পনা*ৰ টেনচন চেচনেল একজামত
তাই বহা চিটতে যে আনে বহে

*অনামিকা* আহে নমাটিৰ পৰাই
ৰঙা নীলা মেখেলা চাদৰ সলাই
*মিন্টি*ৰ তামচা ফূৰ্তি মুখত ফুটে সদায়
ঘৰুৱা ভাষাত কথা কৈ তাই বৰ ভাল পায়

*বৰ্মন* দা বড়ো বাবু আমাৰ কলেজৰে
সৰু বাবু *ভাইটি* দাইও কাম বহু কৰে
*চইলেন* দাই সদায় লাইব্ৰেৰীত বহে
*পুটুকণ* দাই *দীপক* দাক সহায় কৰে

*পক* দা আহে সদায় বৰেৰ পুৰাই
ম ঝাৰু দিয়ে সদায় সদায়
াজে মাজে বৰ্মন দাৰ গালি খায়
থাপিও তেওঁ চবৰে আদৰে পায়
কৰিশ্মা চলাই *মনোজ* চাৰ আহে
কম্পিউটাৰৰ ক্লাছ শিকাবলৈ'
তেওঁক দেখি *সোনমণি* দাৰ ষ্টাইল অলপ বাঢ়ে
ডাঢ়িৰ ডিজাইন সলাই সলাই কলেজ আহে
*প্ৰিন্সিপাল মেম* আহে গুৱাহাটীৰ পৰা
কামৰূপ ট্ৰেইন তেখেতৰ ভৰষা
মেগাজিন-খেল-পিকনিক আমাক উৎসাহ দিয়ে
মাজে মাজে *নিয়ৰ*কো কলেজ আনে
*খুচবু মেম* থাকে কলেজৰ কাষত
ঘৰত আঞ্জা বনালে গোন্ধ পাই কলেজত
আমাৰ স'তে ৰাজস্থান কিমান আহিল প্লেনিং
এতিয়া সঁচাকে যাব আমাক এৰি
*প্ৰণীতা মেম* আহে কদমতলৰ পৰাই
মুখত বিৰিঙি থাকে হাঁহি সদায়
ক্লাছৰ মাজত ধেমালি মেমে ভাল পায়
সেয়ে মেমকো সকলোৱে ভাল পায়
*দীপ্তি মেম* আহে বাইহাটাৰ পৰাই
টিছ চ'কত টেম্পো ৰখি আমনি পায়
ক্লাছত নোটচ দি মেডামে ভাল পায়
লিখোতে লিখোতে আমাৰ হাত বিষাই যায়
*পাপৰি মেম* আহে নান্নাট্টাৰীৰ পৰা
ৰেল লাইন পাৰ হয় দিনে দুবাৰ
*নিলাক্ষী মেডামে* অসমীয়া শিকায়
চচ্মাৰ ফাকেৰে চাই চাই

মিচ কৰিম প্ৰিন্সিপাল মেম
মিচ কৰিম প্ৰণীতা মেম
মিচ কৰিম খুচবু মেম
মিচ কৰিম পাপৰি মেম
মিচ কৰিম নীলাক্ষি মেম
মিচ কৰিম দ্বীপজ্যোতি চাৰ
মিচ কৰিম মনোজ চাৰ
মিচ কৰিম অ'ফিচ ষ্টাফ
মিচ কৰিম হোম ভিজিট
মিচ কৰিম টি পাৰ্টি
মিচ কৰিম পিকনিকৰ গান
মিচ কৰিম হোলিৰ ৰঙ্
মিচ কৰিম ওৱাল মেগাজিন
মিচ কৰিম কলেজ মেগাজিন
মিচ কৰিম চেচনেল এক্জাম
মিচ কৰিম প্ৰেক্টিচ টিচিং
মিচ কৰিম হোৱাট্চ্ আপ্ গ্ৰুপ
মিচ কৰিম আমাৰ আড্ডা
বি. এড. কলেজ কেম্পাচৰ
পাহৰি নাযাবা ও মোৰ বন্ধু
পাহৰি নাযাব ও শিক্ষাগুৰু
ভুল হৈছিল যদি আমাৰ কেতিয়াবা
বিচাৰিছো আজি এই ক্ষণতে ক্ষমা

আমি বি. এড. কলেজৰ.....
'১৫ বৰ্ষৰ.....
শিক্ষাৰ্থী....।

চুটি গল্প

# এটি সপোনৰ অপমৃত্যু



ববিতা বৰুৱা

হেমন্ত বৰা স্থানীয় হাইস্কুলৰ এগৰাকী আদৰ্শ শিক্ষক। দুগৰাকী সন্তান ৰূপম, নয়না আৰু পৰিবাৰ মালতী বৰাৰ সৈতে এক সুখৰ সংসাৰ হেমন্তবৰাৰ। শিক্ষক হিচাপে অঞ্চলটোত এটা বিশেষ নাম আছে। সকলোৱে তেওঁক সন্মান আৰু সমীহ কৰি চলে। গাঁওখনৰ প্ৰতিটো কামতে হেমন্ত বৰাই আগভাগ লয়। উদাৰপন্থী আৰু এক মানৱ দৰদী লোক বুলি তেওঁৰ এটা বিশেষ নাম আছে।

দেউতাকৰ আদৰ্শ অনুসৰণ কৰি উচ্চ শিক্ষাৰে শিক্ষিত হৈছিল ৰূপম। বৰ্তমান তেওঁ অসম চৰকাৰৰ জনস্বাস্থ্য বিভাগৰ এজন উচ্চ পদস্থ বিষয়া বিচাপে গুৱাহাটীত কাৰ্যনিৰ্বাহ কৰি আছে। হেমন্তৰ কন্যা সন্তান নয়নাও পঢ়াই-শুনাই, ৰূপে-গুণে সকলোৰে দ্বাৰা সমাদৃত। তাই বৰ্তমান বি.এ. চূড়ান্ত বৰ্ষৰ ছাত্ৰী।

ইতিমধ্যে হেমন্তৰ পুত্ৰ ৰূপমৰ যোৰহাট চহৰৰ বাসিন্দা বিখ্যাত ব্যৱসায়ী অমল মেধিৰ একমাত্ৰ ছোৱালী পৰিনিতা মেধিৰ লগত ধুমধামেৰে বিয়া সম্পন্ন হৈ যায়। সকলোৰে মনত অপাৰ আনন্দ। কিন্তু ৰূপমৰ বিয়াৰ ঠিক দুমাহ পিছৰ পৰাই হেমন্ত বৰাৰ জীৱনৰ এক কৰুণ অধ্যায়ৰ সূচনা হয়। ৰূপমে শাহুৰেকৰ মায়াজালত বন্দী হৈ তাৰ নিজৰ ঘৰখনৰ লগত সম্পৰ্ক সম্পূৰ্ণ ৰূপে বিচ্ছিন্ন কৰিলে। মৰ্মাহত হ'ল হেমন্ত বৰাৰ সৰল হৃদয়। ৰূপমৰ এনে আচৰণত মালতী আৰু নয়নাও মৰ্মাহত হ'ল আৰু হিয়া ঢাকুৰি কান্দিলে। হেমন্তৰ ইমান দিনৰ আস্থাৰ ভেটি যেন লাহে লাহে ক্ষয় হ'বলৈ ধৰিলে। ৰূপমৰ এনে অভাৱনীয় পৰিৱৰ্তনে হেমন্তক বাৰুকৈয়ে বিব্ৰত কৰি তুলিছিল। এই দুখে তেওঁক লাহে লাহে অস্থিৰৰ পৰা অধিক অস্থিৰতৰ কৰি তুলিলে।

এনেকৈয়ে এদিনাখন এখন ভগ্ন হৃদয়ৰে হেমন্ত বৰাৰ দেহাৱসান হ'ল। গাঁৱৰ সমূহ ৰাইজে হেমন্ত বৰাৰ বিদেহী আত্মাৰ চিৰশান্তি বিচাৰি তেওঁৰ পাৰ্থিৱ শৰীৰক বিদায় দিলে চিৰদিনৰ বাবে। দেউতাকৰ অকাল বিয়োগে দিশহাৰা কৰিলে নয়নাৰ কোমল অন্তৰখন। বৈধব্যক স্বীকাৰ কৰিব নুখুজিও নিয়তিৰ ওচৰত স্বীকাৰ কৰিবলৈ বাধ্য হ'ল মালতী। ইপিনে দেউতাকৰ মৃত্যুৰ বাতৰিয়েও বিচলিত কৰিব নোৱাৰিলে হেমন্তৰ পুত্ৰ ৰূপমক। আনকি পিতৃৰ শেষকৃত্য কৰাৰ বাবেও সি অশান্তি প্ৰকাশ কৰি তাক খবৰ দিবলৈ যোৱা গাঁৱৰ ডেকা দুজনক ভেঙুচালি কৰি পঠালে। এনে এক সময়ত নয়না আৰু মালতীৰ ভৰসাৰস্থলী নাইকীয়া হৈ আহিল যদিও গাঁৱৰ ৰাইজৰ সহায়ত স্বৰ্গীয় হেমন্ত বৰাৰ আদ্যশ্ৰাদ্ধ

সমাধা হ'ল।

আদ্যশ্ৰাদ্ধৰ পিছত মালতী বৰাৰ ঘৰৰ দৈনিক খৰচৰ বাবে টকাৰ অভাৱ ঘটিল। শিক্ষকৰ চাকৰি কৰিও হেমন্তই বিশেষ টকা পইচা ৰাহি কৰিব পৰা নাছিল। আৰু আনৰ টান-বিপদত সহায় কৰি তেওঁ নিজৰ বাবে সাচতীয়া ভাৱে একো ৰাখিব পৰা নাছিল। তেওঁৰ মৃত্যুৰ পিছত হলা গছত বাগী কুঠাৰ মৰাৰ দৰে দুই-এজনে নয়নাৰ দেহৰ ওপৰত নজৰ দিবলৈও চেষ্টা কৰিছিল। নয়নাই দেউতাকৰ শিক্ষক পদটোৰ চাকৰিটো পোৱাৰ বাবে দুই এক শুভাকাংক্ষীৰ পৰামৰ্শ মতে বিভাগীয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিব ধৰিলে। এইবাবে তাই সঘনাই গুৱাহাটীলৈ যাবলগীয়া হৈছিল। প্ৰথম অৱস্থাত মাকে তাইৰ লগত গৈছিল। কিন্তু শাৰীৰিক অসুস্থতা আৰু টকা-পইচাৰ অনাটনৰ বাবে পিছলৈ মালতী জীয়েকৰ সৈতে যাব নোৱাৰা হ'ল।

এদিনাখন নয়নাই গুৱাহাটীৰ পৰা ঘূৰি আহি তাইৰ ঘৰৰ সন্মুখত এখন মাৰুতি গাড়ী ৰৈ থকা দেখি তাই আচৰিত হ'ল আৰু দৌৰাদৌৰিকৈ ঘৰত সোমাই দেখিলে যে মাকৰ লগত এজন সুদৰ্শন যুৱকে কথা পাতি আছে। নয়নাই মাকৰ ফালে চোৱাত মাকে তাইক যুৱকজনৰ লগত চিনাকি কৰি দি ক'লে "এওঁৰ নাম অমৰ, তোৰ সম্বন্ধীয় দাদা।" চিনাকিৰ অন্তত অমৰ নামৰ সুদৰ্শন যুৱকজনে ক'লে "তোমাৰ চাকৰিটোৰ বাবে বাকী থকা কামখিনি নিঃসন্দেহে মই তোমাক কৰি দিম।" অমৰে আকৌ ক'লে, "শিক্ষা বিভাগৰ মন্ত্ৰী, বিষয়া, আমোলা মোৰ অতি ভাল চিনাকি। গতিকে কামটো শেষ কৰাত একো জটিলতা নহ'ব বুলি মোৰ বিশ্বাস।" অমৰৰ কথা মালতী আৰু নয়নাই হাততে সৰগ ঢুকি পোৱা যেন পালে। ইয়াৰ পিছত ল'ৰাটো সিদিনাৰ বাবে দুয়োৰে ওচৰৰ পৰা বিদায় লৈ গ'লগৈ। মাক মালতীয়ে জীয়েকৰ চাকৰি হ'ব বুলি দৃঢ় বিশ্বাসী হ'ল।

ইয়াৰ এক সপ্তাহ মান পিছত অমৰ পুনৰ আহিল মালতীহঁতৰ ঘৰলৈ আৰু আহিয়েই তেওঁ নয়নাক ক'লে, "তুমি তোমাৰ সকলো নথিপত্ৰ লৈ আজিয়েই মোৰ লগত গুৱাহাটীলৈ যাব লাগিব শিক্ষা বিভাগৰ মন্ত্ৰীক লগ ধৰিবলৈ।" অমৰে আকৌ ক'লে যে মন্ত্ৰীৰ চহীটো আনিব পাৰিলেই নয়নাই চাকৰিটোত দুই এদিনতে যোগদান কৰিব পাৰিব। অমৰৰ মুখৰ কথাখিনি শুনি নয়না আৰু মালতী দুয়ো উৎকণ্ঠিত হ'ল এক নোপোৱাৰ বাসনা পূৰণ হোৱাৰ চানেকী দেখি। প্ৰথম অৱস্থাত নয়নাই অকলে অমৰৰ লগত যাবলৈ ইতস্ততঃ কৰিছিল যদিও মাকৰ অনুমতি লাভ কৰি আৰু চাকৰিটোৰ আশাত তাই অমৰৰ লগত যাবলৈ প্ৰস্তুত হ'ল। সকলো নথিপত্ৰ ফাইলত ভৰাই মাকৰ আশীৰ্বাদ লৈ নয়নাই অমৰৰ লগত গুৱাহাটী অভিমুখে যাত্ৰা কৰিলে।

মনত এক আশাৰ বন্তি জ্বলাই নয়নাই অমৰৰ লগত গৈ থাকিল। তাইৰ গাঁৱৰ পৰা দিছপুৰলৈ তিনি-চাৰি ঘণ্টাৰ ৰাস্তা। কিন্তু ই কি! পাঁচ ঘণ্টা ভ্ৰমণ কৰিও দিছপুৰ নোপোৱাত স্বাভাৱিকতে সন্দিহান হৈ নয়নাই অমৰক সুধিলে আমি কিয় এতিয়াও দিছপুৰ পোৱা নাই। অমৰে গহীন ভাৱে ক'লে, "তুমি চিন্তা কৰিব নালাগে আমি কিছু সময় পিছতেই দিছপুৰ পামগৈ।" ইয়াৰ আধা ঘণ্টা পিছত অমৰৰ গাড়ী গৈ এটা প্ৰকাণ্ড অট্টালিকাৰ

ওচৰত ৰ'লগৈ। অমৰক দেখি দাৰোৱানজনে তেওঁক চালাম জনাই ভিতৰলৈ যাব দিলে। অমৰৰ পিছে পিছে নয়নাও হাতত ফাইলটো লৈ চিৰি বগাই অট্টালিকাৰ ওপৰলৈ গ'ল। অট্টালিকাৰ চতুৰ্থ মহলাৰ এটা কোঠাৰ ওচৰত অমৰে বৈ কলিং বেল টিপাৰ লগে লগে ওলাই আহিল এগৰাকী ষোড়শী যুৱতী। তাই অমৰক আদৰণি জনাই লৈ গ'ল কোঠাৰ ভিতৰলৈ। নয়নাও অমৰক অনুসৰণ কৰি সোমাই গ'ল কোঠাটোৰ ভিতৰলৈ। দুয়ো গৈ সুসজ্জিত চোফাত বহিল। অমৰৰ মুখখন আগতকৈ গহীন হোৱা যেন বোধ কৰিলে নয়নাই। কিছুসময় পিছত প্ৰথম দেখা ষোড়শী যুৱতী গৰাকীয়ে অমৰক আন এটা কোঠালৈ মাতি নিলে। অমৰ যোৱাৰ পাছত নয়নাৰ উৎকণ্ঠা ক্ৰমাগত ভাৱে বৃদ্ধি হ'বলৈ ধৰিলে।

প্ৰায় আধা ঘণ্টা অপেক্ষাৰ অন্তত অমৰ আহিল। অমৰক দেখি নয়নাই তেওঁক উৎকণ্ঠাৰে প্ৰশ্ন কৰিলে মন্ত্ৰী মহোদয়ক কেতিয়া লগ পোৱা হ'ব বুলি। উত্তৰত অমৰে ব্যঙ্গাত্মক হাঁহিৰে সৈতে ক'লে যে নয়নাৰ চাকৰি হৈ গ'ল। তেওঁ হাঁহি হাঁহি নয়নাক ক'লে, "তোমাৰ চাকৰি হৈ গ'ল, তোমাৰ চাকৰি অসমত নহয় মুম্বাই চহৰত স্থিৰ কৰা হৈছে। এতিয়াৰ পৰা তুমি অসমত নহয়, মুম্বাইত থাকিব লাগিব।" অলপ সময় পিছত তুমি ফ্লাইটত মুম্বাইলৈ যাব লাগিব। অমৰৰ কথা শুনি নয়নাৰ বুজিবলৈ বাকী নাথাকিল যে অমৰে তাইৰ সৰ্বনাশ মাতি আনিছে। চাকৰি দিয়াৰ প্ৰলোভনেৰে সি তাইক কুখ্যাত নাৰী ব্যৱসায়ীৰ ওচৰত বিক্ৰী কৰিলে। তাই শিল পৰা কপৌৰ দৰে থৰ থৰকৈ কঁপিবলৈ ধৰিলে আৰু কান্দি কান্দি অমৰৰ লম্পট, বদমাচ, অসভ্য আদি গালি-শপনি পাৰি অৱশেষত অচেতন হৈ মজিয়াত ঢলি পৰিল।

এনেদৰে অচেতন অৱস্থাৰ পৰা নয়নাই যেতিয়া জ্ঞান পালে তাই বুজিলে যে সেয়া মুম্বাই চহৰ। তাই এতিয়া এটা চৌখিন সুগন্ধময়ী কোঠাৰ ভিতৰত আৱদ্ধ। কোঠাৰ মজিয়াখন ৰঙীণ মসৃণ দলিচাৰে ঢকা আৰু কোঠাটোৰ ভিতৰত এখন সুন্দৰ বিচনা। কোঠাটোৰ এটা ফালে এটা সুন্দৰ শ্বোকেছৰ ভিতৰত সুন্দৰ বটলত বিলাতী সুৰাৰ পয়োভৰ। তাইৰ বুজিবৰ বাকী নাথাকিল যে তাইক এই পতিতালয়ত বিক্ৰী কৰা হৈছে। নিজৰ ওপৰতে ধিক্কাৰ লাগিল তাইৰ। মনত পৰিল তাইৰ বিধবা মাতৃৰ কৰুণ মুখখনিলৈ। তাই ভাবিলে এই কলংকিত জীৱনৰ অৱসান কৰাটোৱে তাইৰ বাবে উত্তম পন্থা হ'ব। ইয়াৰ পিছত তাই কোঠাৰ লগত সংলগ্ন বাথৰুমত সোমাই নিজৰ পিন্ধি থকা শাৰীখন ডিঙিত মেৰিয়াই আত্মহত্যা কৰিলে। এনেকৈয়ে অৱসান হ'ল এটা সপোনৰ, মানুহৰ স্বাৰ্থপৰতাৰ বলী হ'ল নতুন জীৱনৰ সপোনত বিভোৰ এগৰাকী গাভৰুৰ।

ইপিনে নয়নাক হেৰুৱাই মাক মালতী উন্মাদিনী হ'ল। গাঁৱৰ মানুহে থানাত নয়নাৰ অপহৰণৰ বিষয়ে অভিযোগ দাখিল কৰিলে। অৱশেষত পুলিচৰ তৎপৰতাত নয়নাৰ মৃতদেহ উদ্ধাৰ হ'ল সেই বিশেষ পতিতালয়ত। কাৰাৰুদ্ধ হ'ল ধনৰ লোভত আত্মীয়ক নৰকলৈ পঠিওৱা অমৰ। কিন্তু এচাম দুষ্কৃতিকাৰীৰ স্বাৰ্থপৰতাৰ বলী হ'ল মালতী, নয়নাহঁতৰ দৰে আৰু বহুজন।□

# অবান্তৰ



দিপ্তী নায়ক

আনদিনাৰ দৰে আজিও গধূলিৰ চাহকাপ লৈ জুৰিয়ে চন্দনাৰ ৰুমলৈ গ'ল। সদায় এই সময়ত টিভি চাই থকা বাইদেউক আজি কিবা চিন্তা কৰি থকা দেখি শুধিলে — বাইদেউ, আপোনাৰ গা বেয়া নেকি? যোৱা এসপ্তাহ ধৰি আপোনাক কিবা চিন্তিত যেন দেখিছো। জুৰিৰ ফালে চাই চন্দনাই ক'লে — নাই, গা বেয়া নহয়, এনেই অলপ ভাগৰ লাগিছে। তই যা তোৰ চাহকাপ লৈ আহ। জুৰিয়ে পুনৰ তাইৰ চাহকাপ হাতত লৈ চন্দনাৰ ৰুম পালে — বাইদেউ, পাহৰিছিলো, এইখন চিঠি, পিয়নজনে যোৱাকালিয়েই দিছিলে আৰু কাইলৈ কেইটামান বজাত মিটিঙলৈ যাব?

চন্দনা - পাহৰিছিলোৱেই কাইলৈ যে মিটিং আছে।

জুৰি - বাইদেউ, আপুনি প্ৰথমবাৰৰ বাবে এখন মিটিঙৰ কথা পাহৰিছে। আপোনাৰ নিশ্চয় কিবা এটা হৈছে। আপুনি মোকো ক'ব নোৱাৰে নেকি?

চন্দনা - একো হোৱা নাই, তই এতিয়া যা। মোক অলপ অকলে থাকিব দে।

চাহৰ কাপ দুটা হাতত লৈ চলচলীয়া চকুৰে জুৰি ৰূমৰ পৰা ওলাই আহিল। যোৱা আঠ বছৰত আজি প্ৰথম চন্দনাই তাইক টানকৈ কিবা কৈছে। চন্দনাই জুৰিয়ে দি যোৱা খামটোৰ পৰা চিঠিখন উলিয়াই ল'লে। চিঠিখন প্ৰকাশকৰ পৰা আছিল— বাইদেউ, আপুনি জানে আপোনাৰ "ডায়েৰীৰ পাতে পাতে" শীৰ্ষক উপন্যাসখন পঢ়ুৱৈৰ মাজত যথেষ্ট সমাদৰ পাইছে। গতিকে সোনকালে আপোনাৰ পৰা আন এখন উপন্যাস বিচাৰিছোঁ।

চিঠিখন টেবুলত থৈ চন্দনাই বাৰান্দালৈ ওলাই আহিল। বাহিৰখন জোনাকময় হ'বলৈ আৰু অলপ পৰ বাকী আছিল। জুৰিক তাই ঠিকেই ক'লে, তাইৰ একো হোৱা নাই। কিন্তু সঁচাকৈ তাইৰ একো হোৱা নাই নেকি? একো হোৱা নাই যদি এই সময়ত তাই জোনাকৰ কথা কিয় ভাবিছে? কিয় লিখিম বুলি লোৱা গল্পটো লিখিব পৰা নাই। বাহ্যিকতাৰে সকলোবোৰ ঠিকেই আছিল কিন্তু মনৰ ভিতৰত সকলো ঠিক নাছিল। কাইলৈ তাই তাইৰ নিজৰে পঢ়া স্কুলখনৰ বাৰ্ষিক অধিৱেশনত নিৰ্দিষ্ট বক্তাৰ বাবে নিমন্ত্ৰণ পাইছে। এনেকুৱা সভা-সমিতি এতিয়া এটা স্বাভাৱিক কথা, তাইৰ ভাল বুলি কোৱাটো কেনেদৰে স্বাভাৱিক? কাৰণ মানুহৰ ভালৰ একো কাৰণ নাথাকে। ভাল বুলি ক'চোন কোনেও নুশুধে কিয় ভাল। কেৱল বেয়াৰহে কাৰণ থাকে। সেয়ে সদায় ভালৰ ভাওঁ দেখুৱাই মানুহৰ সহস্ৰ প্ৰশ্নৰ পৰা

আঁতৰি থকা চন্দনাই নিজকে প্ৰশ্ন কৰিবলৈ বাধ্য হৈছে — মই আজি সঁচাকৈ ভালে আছোনে? ভালে আছো যদি পাহৰণিৰ গৰ্ভৰ পৰা স্মৃতিবোৰে আমনি কৰিছে কিয়? বাৰান্দাৰ পৰা সোমাই তাই খিৰিকীখন খুলি দিলে। খিৰিকীৰ ফাকেৰে জোনাকবোৰ তাইৰ চকু-মুখত পৰিব ধৰিলে। খিৰিকীৰ সিটো ফালে চকু থৈ তাই ভাবিলে — স্মৃতি হৈ জীয়াই থকা পৰিৱেশটো আজি নাই। সকলো পৰিৱেশেই সলনি হৈছে। সকলোৰে নিজৰ নিজৰ ব্যস্ততাৰ এখন পৃথিৱী আছে। তাইৰো এই ব্যস্ততাক আকোঁৱালি লোৱাৰ আঠ বছৰ মান হ'ল। এতিয়া এটা ৰুমত থাকে তাইৰ বাস্তৱ, ব্যস্ততা আৰু জুৰি। মাক ঢুকুওৱাৰ পিছত ভায়েকৰ লগত নথকাৰ সিদ্ধান্ত ল'লে। তাইৰ মতে ছোৱালীৰ প্ৰকৃততে নিজৰ ক'তো ঘৰেই নাথাকে। এটা সময় আহে যেতিয়া নিজৰ জন্ম ঘৰখনে নিজা নহয় যেন লাগে। এনে পৰিস্থিতি নোহোৱাতেই তাই আঁতৰি আহিল। বিয়া নোহোৱাকৈ থকাটো তাইৰ নিজৰ সিদ্ধান্তআছিল। তাৰ বাবে তাই আনক নোদোষে। কেতিয়াও নকয় ইয়াৰ অন্তৰালৰ কাৰণবোৰ...।

কিন্তু সিদিনা ষ্টেচনত সন্মুখীন হোৱা পৰিস্থিতি এটাই এবাৰ আকৌ অতীতলৈ ঘূৰি যাবলৈ তাইক বাধ্য কৰাইছে। যিটো পৰিস্থিতিৰ পৰা তাই নিজকে আঁতৰাই ৰাখিছে, এক প্ৰকাৰ পলাই ফুৰিছে। আজি অবান্তৰ যেন লগা এটা পৰিস্থিতি যাৰ সন্মুখীন তাই কেতিয়াও হ'ব বিচৰা নাছিল। ইউনিভাৰচিটিৰ চেমিনাৰখনৰ পৰা উভতিবৰ বাবে তাই ৰৈ থকা ৰেলখনত উঠিলে সদায় পঢ়াৰ দৰে আজিও বেগৰ পৰা আলোচনীখন উলিয়াই ল'লে। হঠাৎ এজন মানু তাইৰ সন্মুখৰ চিটত বহিল। আলোচনীখনৰ পৰা মূৰটো তুলি মানুহজনলৈ চালে। বহুদিন নেদেখা এখন চিনাকি মুখ। এখন ৰেলৰ, এটা ডবাত আ বছৰৰ পিছত তাই সন্মুখীন হ'ল এটা সময়ৰ তাই প্ৰেমিক, তাইৰ প্ৰেৰণা, তাইৰ আশা, তাই ভৱিষ্যৎ চিন্ময়ৰ। এনেতে ৰেলখনে ষ্টেচন এৰা সংকেত দিলে। ৰেলৰ উকিত তেওঁলোকৰ সম্বি আহিল। দুয়োজনে একে মুখে ক'লে — তুমি?.. কিছু সময়ৰ পিছত চিন্ময়ে সুধিলে — ভাল আছানে? চন্দনাই অ' ভালে আছো বুলি ক'বলৈ বহু চেষ্টা কৰিও ক'ব নোৱাৰিলে। আজিও তাইক মৌনতাই লগ দিছে। তোমাৰ খবৰ... সংসা ভালে চলিছেনে চন্দনাই ক'লে। চিন্ময়ে মিচিকিয় হাঁহি মাৰি ক'লে তুমি তেন্তে নাজানা।

যোৱা আঠ বছৰত চন্দনাই এবাৰৰ কাৰণেও চিন্ময়লৈ উভতি চোৱা নাই। নিলাক্ষীৰ লগত তা বিয়াৰ খবৰ পোৱাৰ পিছত তাই এবাৰৰ কাৰণেও মনত নকৰাৰ কথা দিলে নিজকে। ৰেলৰ উকিবোৰে কমি অহা দূৰত্বৰ ইংগিত দি থাকিল তাই এক অস্বস্তিকৰ চাৱনিৰে চালে। চিন্ময়ে ক'বলৈ ধৰিলে — তুমি দিল্লীলৈ যোৱাৰ পিছত নিলাক্ষীৰ বিয়া থিক হৈছিল। বিয়াৰ দিনা দুৰ্ঘটনাত তাইৰ দৰাজনৰ মৃত্যু হৈছিল। তাইৰ দেউতাক ছত্ৰছায়া নাপালে সি জানো থিয় হ'ব পাৰিলে হয় তেওঁৰ সহায়ৰ ঋণ পৰিশোধ কৰিব নোৱাৰি

সেইদিনা সি নিলাক্ষীক বিয়া কৰাবলগাত পৰিলে। চন্দনাই জানিছিল নিলাক্ষীৰ দেউতাকে চিন্ময়ক কৰা সহায়ৰ কথা। কিন্তু নিলাক্ষীৰ লগত চিন্ময়ৰ বিয়াৰ খবৰ পোৱাৰ পিছত আৰু কেতিয়াও জানিবলৈ চেষ্টাই নকৰিলে। আজি সত্য জানি চিন্ময়ৰ প্ৰতি থকা তাইৰ আস্থা বাঢ়ি গৈছে। তাই সুধিলে নিলাক্ষী এতিয়া কেনে আছে? বিয়াৰ এবছৰ পিছত ল'ৰাটোৰ জন্ম হ'ল আৰু তেতিয়াই নিলাক্ষীৰ মৃত্যু হৈছে।

চন্দনা - তেন্তে ল'ৰাটো ক'ত?

চিন্ময় - শিক্ষাপীঠৰ হোষ্টেলত আছে।

চন্দনা - কিয়?

চিন্ময় - তাৰ মাক নাই, তাক চোৱা-চিতা কৰিবলৈ আৰু মোৰ কামৰ বাবে তাৰ চোৱা চিতা ভালদৰে কৰা নহয়।

চন্দনা - তুমি আকৌ বিয়া নকৰালা কিয়?

চিন্ময় - তুমি জানো ল'ৰাটোৰ মাক হ'বা?

ৰেলখন পাঠশালা ষ্টেচনত ৰ'ল। তেওঁলোকে তাৰ পৰা নিজৰ নিজৰ গন্তব্য স্থানলৈ গ'ল। কোনেও নজনা, জানিব নোখোজা, বিশ্বাস নকৰা, কৰিব নোখোজা কথা এটা চিন্ময়ে ক'লে — তাই জানো সেই ল'ৰাজনৰ মাক হ'ব? অথচ সদায় চিন্ময়ৰ সন্তানৰ মাতৃ তাইয়ে হ'ব বিচাৰিছিল। পৰিস্থিতি যিয়েই নহওক কিয় সিহঁত বিচ্ছিন্ন হৈছে। সকলোবোৰেই আমাৰ মাজত ঠিকেই আছিল। তেওঁলোক বিচ্ছিন্ন হোৱাৰ বাবে বসন্ত, বাৰিষা নহাকৈ থকা নাছিল। বাহ্যিকভাৱে সকলোবোৰ থিকে আছিল কিন্তু তথাপিও মোক শূন্যতাই খেদি ফুৰিছিল কিয়? সেই শূন্যতাৰ লগত বাস কৰিবলৈকে তাই সকলোৰে পৰা আঁতৰত থাকিব লৈছে। এতিয়া তাই এজনী প্ৰবক্তা, লিখিকা, বক্তা, সমালোচক হিচাপে তাইৰ জীৱনৰ কিবা শূন্যতা আছে বুলি কোনোবাই কল্পনা কৰিবনে? নতুনকৈ লিখিব লগা উপন্যাসখনত লিখিব নেকি তাইৰ শূন্যতাৰ কথা, নে তাই ক'ব পাৰিব চিন্ময়ক তাৰ সন্তানৰ মাক হোৱাৰ হেঁপাহৰ বাবেই আনৰ লগত বিয়া নহ'ল। ইচ্ছা কৰিলেও তাই ক'ব নোৱাৰে — সমাজখনে তাইৰ পৰা তেনে আশা নকৰে। আজি কিয় তাইৰ কান্দিবলৈ মন গৈছে? অবান্তৰ হ'লেও এই কথাবোৰে তাইক শান্তি দিছে। এই ডিগ্ৰী, সন্মান, চাকৰি সকলোবোৰ অলংকাৰ খহাই তাই আগৰ চন্দনাজনী হ'বলৈ মন গৈছে। কিয় আজি তাৰ অকলশৰীয়া জীৱনৰ প্ৰতি তাইৰ দয়া উপজিছে। কিয় ক'ব মন গৈছে — সময় সলনি হ'লেও সলনি হোৱা নাই মই, সলনি হোৱা নাই মোৰ প্ৰেম। তাৰ অনুভৱত আজিও মনত আউল লাগিছে আগৰ দৰে। ওচৰৰ পৰা আঁতৰি গ'লেই বিষাদে আগুৰি ধৰিছিল, আজিও আগুৰি ধৰিছে- সেয়ে লিখিবৰ মন গৈছে —

তোমাৰ চকুত ধৰা দিয়াৰ ভয়ত
সৃষ্টি কৰিছিলো প্ৰাচীৰবোৰ
এতিয়া বিচাৰিছো
এখন এখনকৈ খহি পৰক
প্ৰাচীৰবোৰ...
তোমাক হেৰুৱাৰ বেদনাই যে
ক্লান্ত কৰে মোক।

**চিটিয়ান**

ছয়ত্ৰিছ বছৰীয়া জীৱনত তাই জানো খহাব পাৰিব এই প্ৰাচীৰবোৰ। কেতিয়াবা নিজৰ ওপৰত খং উঠে তাইৰ, খং উঠে নিজৰ সিদ্ধান্তবোৰৰ ওপৰত। যি সমাজে মোৰ কৃতকাৰ্যতাক অভিনন্দন দিয়ে তেওঁলোকেতো নুবুজে মই যে আজিও চাব নোৱাৰো ফাগুনৰ আবেলিবোৰ। আজিও মই কিমান অভাৱী। বাইদেউ, জুৰিৰ মাতত চন্দনাই চক খাই উঠিল। আপোনাক বহুত সময় মাতি আছো, আপুনি এইখন পৃথিৱীত নাই, কি চিন্তা কৰি আছে? চন্দনাই জুৰিক সকলোবোৰ কথা ক'লে। মই জানো এই অভাৱবোৰ নাইকিয়া কৰিব পাৰিম জুৰি। জুৰিয়ে ক'লে — "সময়ে আপোনাক এটা সুবিধা দিছে নিজৰ শূন্যতাক আঁতৰোৱাৰ এটা সুযোগ দিছে। আপুনি সুযোগটো গ্ৰহণ কৰা উচিত আছিল।" এনেও তেওঁতো নিলাক্ষীৰ প্ৰেমত পৰি বিয়া কৰোৱা নাছিল। তেওঁ এনে কৰিববলৈ বাধ্য হৈছিল। বাধ্যতাৰ বাবেহে তেওঁ আপোনাক ফাঁকি দিববলৈ বাধ্য হৈছিল। আপুনি তেওঁৰ শূন্যতাক এটা সুযোগ দিয়া উচিত। তেওঁৰ সন্তানৰ মাতৃ হোৱা উচিত। চকুপানীবোৰ মচি মোবাইলটো উলিয়াই ল'লে আৰু এটা নম্বৰ ডায়েল কৰিলে — ৯৮৫৬.....□



# অনুগল্প

ডেইজী দেৱী

বাইকৰ হুৰ্ণৰ শব্দটো তাইৰ প্ৰায় চিনাকি হৈ পৰিছিল। আৰু সময়টো বেছি আপোন হৈ পৰিছিল। কাৰণ পুৱা ছটা বজাৰ লগে লগে তাইৰ পদূলি মুখেৰে পাৰ হৈ যায় এছাটি মলয়া বতাহ। এবাৰ চাই হেঁপাহ নপোলোৱা অচিনাকি মুখখনক চিনাকি পৰ্বৰ স্বীকৃতি দিবলৈ আৰম্ভ কৰিছিল লাহে লাহে। আৰু তেতিয়াই দুটি ওঁঠত হাঁহি বিৰিঙি উঠিছিল। কিন্তু এদিন বুকুত আগলি বাঁহৰ লাহৰি গগণা বাজি উঠাৰ আগতে তাইৰ হিয়াৰ অকণমানি পঁজাটো ভাঙি অট্টালিকা সাজিলে বাইকৰ পিছত উঠি অহা ধুমুহা বতাহজাকে। লগতে দাঁত নিকটাই হাঁহি আছিল অবতৰীয়া ধুমুহাজাকৰ লগত থকা পুৱাৰ সূৰুযৰ ৰক্তাভ আভাই..... যেন চাৰিওফালে নিমিলা অংকৰ পাহাৰ আহি থিয় দিলে।□

# এশব্দীয়া গল্প

নেহা কাশ্যপ

তামোল পাণযোৰ আগবঢ়াই ভনীয়েকৰ বিয়ালৈ নিমন্ত্ৰণ জনাই উভতি অহা ৰুণুই জপনাখন জপাবলৈ লওঁতে কাণত পৰিল — অ' প্ৰতিভা গোবৰ মাটিৰে ঠাইকণ মচি দেচোন, বিধবাৰ ভৰি পৰা চোতালখনে বা এতিয়া আৰু কি ৰূপ লয়।□

*অভিজ্ঞতামূলক কাহিনী*

# এটি অভিজ্ঞতা

চন্দ্ৰমা কলিতা



কামৰূপ এক্সপ্ৰেছ। ডবা ৫৯৮০। সময় ১ বাজি ৪৫ মিনিট। এছ ডি পি কলেজৰ খুচবু মেডামৰ ক্লাছটো শেষ কৰি ঘড়ীলৈ চাই দৌৰা-দৌৰিকৈ আহি টিহু ৰেল ষ্টেচন আহি পালো। ইতিমধ্যে ৰেলখন আহি ৰৈ আছিল। কোনোমতে উঠিলো। দৌৰা-দৌৰিতে বিচ্ছিন্ন হৈ পৰিলো লগৰবোৰৰ পৰা। ভিৰৰ মাজত এটি চিট বিচাৰি উদ্বিগ্ন হৈ থকা সময়তে এজন ভদ্ৰ মানুহে তেওঁৰ ওচৰত থকা মহিলা কেইগৰাকীক ক'লে —

"প্ৰকৃততে ছোৱালী মানুহে ইমান পঢ়াৰ দৰকাৰ নাই, ইহঁতে ঘৰৰ ৰান্ধনী হোৱাই ভাল। নিজৰ স্বামী আৰু সন্তানৰ সকলো দায়িত্ব পালন কৰি সুখী কৰি ৰখাটোৱে প্ৰধান কাম হ'ব লাগে।"

ভদ্ৰ মানুহজনৰ কথা শুনি মোৰ প্ৰতিবাদী মনটোৱে জাগ্ৰত হৈ কৈ উঠিল — "দাদা আকাশক মানুহে এটা সময়ত বুজাই নাছিল আৰু এতিয়া সেই আকাশতে মহিলা বিচৰণ কৰি আছে। আপুনি কোন শতিকাত আছে? একবিংশ শতিকাৰ লগত নিজকে খাপ খুৱাওঁক।" মোৰ কথাত মানুহজনে আত্মগৌৰৱেৰে নিজৰ পুৰুষবাদী চৰিত্ৰক উদঙাই দিবলৈ মোৰ ওপৰত বেয়া বেয়া শব্দৰে আঘাট হানিবলৈ ধৰাত মই মোৰ কণ্ঠস্বৰ হেৰাই পেলাই কান্দি পেলালো। এনেতে ডবাৰ সিটো মূৰত থকা মোৰ বন্ধু-বান্ধৱীসকলে ঘটনাটো জানি মোৰ কাষ পালে আৰু মানুহজনৰ অভদ্ৰ আচৰণৰ মুহটোড় জবাব দিলে।


সঁচাকৈয়ে আজিৰ একবিংশ শতিকাতো নীচ মানসিকতাৰ মানুহবোৰ পিয়াপি দি ঘূৰি আছে। আমি সকলোৱে চিঞৰি আছো মহিলাসকলক সুৰক্ষিত কৰিব লাগে। বিভিন্ন নিউজ চেনেল, মহিলা সমিতিয়ে যি সময়ত মহিলাৰ অধিকাৰৰ বাবে মাত মাতি আছে তেনে সময়তে মহিলাসকলে এনেকুৱা কটু উক্তিৰ সন্মুখীন হ'ব লগা হৈছে বিভিন্ন সময়ত বিভিন্ন ঠাইত। স্ত্ৰী শিক্ষাৰ প্ৰয়োজনীয়তা বুজি নোপোৱা এনেকুৱা চিন্তাধাৰাৰ মানুহবোৰৰ বাবে আজিৰ সমাজত মহিলাসকল পিছপৰি ৰ'ব লগা হৈছে। কিন্তু এইটো সকলোৱে জনা উচিত যিখন সমাজে মহিলাক দেৱীৰূপে পূজে সেইখন সমাজে মহিলাৰ স'তে এনে ব্যৱহাৰ কৰিলে মহিলা তথা আজিৰ সমাজ জানো আগবাঢ়িব??□

ভ্ৰমণমূলক কাহিনী

# নাজিৰাখাট আৰু কিছু স্মৃতি



দিপ্তী মেধি



ভ্ৰমণ বুলিলেই আমাৰ মনত জাগি উঠে এক হেঁপাহ, এক কৌতূহল নজনাটো জনাৰ আৰু নোচোৱাটো চোৱাৰ। আমি টিহু বি. এড. কলেজৰ শিক্ষাৰ্থী। ছাৰ, মেডাম আৰু আমি শিক্ষাৰ্থীসকলোৱে মিলি নাজিৰাখাট নামৰ ঠাই ডোখৰ আমাৰ শৈক্ষিক ভ্ৰমণৰ বাবে বাছনি কৰি উলিয়ালো। সকলোৰে সুযোগ সুবিধা অনুসৰি ৭ ফেব্ৰুৱাৰী দিনটো আমাৰ ভ্ৰমণৰ বাবে ধাৰ্য্য কৰা হ'ল। সকলোৰে মন উখল মাখল লাগি আছিল নাজিৰাখাট চাবলৈ।

অৱশেষত বহু প্ৰত্যাশিত দিনটো আহিল। আমি সকলোৱে ছয় বজাতে কলেজ চৌহদত উপস্থিত হ'লো। আমাৰ ভ্ৰমণৰ বাবে এখন বাছ আৰু দুখন সৰু গাড়ীৰ ব্যৱস্থা কৰা হৈছিল। সকলোৱে নিজৰ পছন্দৰ ছিটত বহিবলৈ হেতা-ওপৰা লগালে আৰু দুই এজনৰ মুখ ওফন্দা-উফন্দিও হ'ল আৰু অৱশেষত ৬.৪৫ বজাত আমি নাজিৰাখাট অভিমুখে যাত্ৰা আৰম্ভ কৰিলোঁ। কিছুদূৰ যোৱাৰ পিছত আমাৰ ফাৰ্ষ্ট ক্লাছ মিউজিক চিষ্টেমটো অন কৰা হ'ল, কিন্তু দেখা গ'ল যে মিউজিক চিষ্টেমটো অকণমান ইননি-বিননি কৰি বন্ধ হৈ গ'ল। আমাৰ



মাজৰে দুই এজন মেকানিকে হাত লগালে কিন্তু মিউজিক চিষ্টেমটো নিমাতী কন্যা হৈ থাকিল আৰু এনেদৰে ই আমাৰ সকলোৰে আৱেগত চেঁচা পানী ঢালিলে। উপায় নাপাই আমি সকলোৱে অন্তাক্ষৰী খেলা আৰম্ভ কৰিলো। আমাৰ অনুষ্ঠানৰ মুখ্য আঁত ধৰোতা আছিল জয়ন্ত। ল'ৰা-ছোৱালী, মেডাম সকলোৰে মাজত তীব্ৰ প্ৰতিযোগিতা হ'ল কোনে প্ৰথমে তথা শুদ্ধকৈ গান গাব পাৰে। খুচবু মেডামে সুন্দৰ সুন্দৰ অসমীয়া গীত গাই আমাক মন্ত্ৰমুগ্ধ কৰিলে। আমিও ইয়াৰ মাজতে ভুলে শুদ্ধই কাউৰ সদৃশ মাতেৰে এটা দুটা গান গালো। ন-পুৰণি সকলো গানেই আছিল আমাৰ অন্তাক্ষৰীত। আমাৰ মাজৰে দ্বীপে পুৰণি গীত সমূহ গাই সকলোকে আচৰিত কৰিলে। যাত্ৰাৰ মাজতে আমি ইটো সিটো খালো আৰু কেতিয়া নাজিৰাখাট গৈ পালো গমকে নাপালো। সঁচাকৈ যাত্ৰা সুখকৰ হোৱাত সংগীৰ বহুত অৱদান থাকে।

বাছৰ পৰা নমাৰ পিছতে চাৰিওফালৰ নান্দনিক সৌন্দৰ্য্যই আমাক মোহিত কৰিলে। নাজিৰাখাট ঠাইখিনি সোণাপুৰত অৱস্থিত। ইয়াতে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰে জনজাতিসমূহ প্ৰতিনিধিত্ব কৰা এটা Cultural centre আৰু এখন প্ৰত্নতাত্ত্বিক উদ্যান আছে। বাছৰ পৰা নমাৰ পিছতে আমি এটা চেকপোষ্ট পালোঁ আৰু তাৰ পৰা অনুমতি লৈ আমি প্ৰৱেশ কৰিলোঁ — North East Tribal Museum and Cultural Centre অত। ঠাইখিনি পাহাৰীয়া। ওচৰে-পাজৰে বহুত কমলাৰ বাগান দেখা পালোঁ। ভিতৰত যাত্ৰীৰ বাবে সুব্যৱস্থা আছিল। যিসকলে ৰান্ধি খাব খোজে তেওঁলোকৰ কাৰণে নিৰ্দিষ্টকৈ ঠাই বনাই ৰখা হৈছিল আৰু কোনোবাই অৰ্ডাৰ কৰিলে ভোজন পাব পৰা ব্যৱস্থাও আছিল। সেইদিনাখন আমাৰ লগতে বিভিন্ন ঠাইৰ পৰা অহা কেইটামান ছাত্ৰ-ছাত্ৰীৰ দল আছিল। সিহঁতে তেতিয়া ফুটবল খেলি আছিল। আমিও হাত মুখ ধুই চাহ খাবলৈ আগবাঢ়িলো। এনেতে হঠাৎ কি হ'ল জানো মোৰ মূৰত পিছ পিনৰ পৰা কিবা এটা আহি প্ৰচণ্ড জোৰে আঘাট কৰিলে। ঘটনাটো ইমানেই আকস্মিক আছিল যে মোৰ বাহিৰে উপস্থিত কোনোৱে ধৰিবকে নোৱাৰিলে। মুখেৰে গালি ওলাল যদিও উপায় নাই ল'ৰাকেইটাই আহি বহুমূলীয়া শব্দ 'ছৰি' বুলি ক'লে। ইয়াৰ পিছত গোটেই দিনটোৰ বাবে মোৰ মূৰটো বিষাই

থাকিল। ইয়াৰ পিছত আমি সকলোৱে চাহ-জলপান খালো আৰু শাক-পাচলি অলপ কাটি দিলো ৰন্ধাৰ বাবে।

এইবাৰ আমি মেডামহঁতৰ লগত ঠাই ডোখৰ চাবলৈ ৰাওনা হ'লো। নাজিৰাখাটত সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰে জনজাতিসকলৰ ভাস্কৰ্য্য তথা কৃষ্টি-সংস্কৃতি সমূহ প্ৰদৰ্শন তথা সংৰক্ষিত আছিল। প্ৰত্যেকটো জনজাতিৰে বিভিন্ন ধৰণৰ ঘৰসমূহ এটা এটাকৈ সাজি থোৱা আছিল আৰু তাত প্ৰত্যেক জনজাতিৰে জীৱন-ধাৰণৰ পদ্ধতি তথা কাৰুকাৰ্য্যসমূহ প্ৰদৰ্শন কৰা হৈছিল। বিভিন্ন ধৰণৰ হস্ত শিল্প তথা থলুৱা কাপোৰ আৰু আহাৰ সমূহ চাই আমি আপোন পাহৰা হ'লো। আমি সকলোৱে মিলি ঘৰসমূহৰ আগত বিভিন্ন প'জত ফটো উঠিলো।

ইয়াৰ পিছত আমি ওচৰতে থকা প্ৰত্নতাত্ত্বিক উদ্যানখন চাবলৈ ৰাওনা হ'লো। এই উদ্যানখন কৰচিয়া নিজৰাৰ পাৰত অৱস্থিত। এটি পুৰণি শৈল মন্দিৰৰ ভগ্নাৱশেষ আৰু তিনিটা শিলত খোদিত গণেশৰ ভাস্কৰ্য্য এই উদ্যানখনত সংৰক্ষিত হৈ আছে। ই নিজৰাখাট উদ্যানখনৰ প্ৰাণ আৰু ইয়াতেই একাদশ শতিকাৰ এই ভাস্কৰ্য্য তথা স্থাপত্য আছে। নিজৰাটো সঁচাকৈ বৰ ধুনীয়া আৰু কুলু-কুলুকৈ ওখ-চাপৰ শিলৰ মাজেৰে বৈ এক বিনন্দীয়া পৰিৱেশৰ সৃষ্টি কৰিছে। আমি সকলোৱে বিভিন্ন প'জত ফটো উঠিলো আৰু আমাৰ মাজৰে দুই এজনে শিলত পিচল খাই ধুপু-ধাপাচ পৰিলে। মুঠৰ ওপৰত আমি হাঁহি ফূৰ্তিৰ মাজেৰে গোটেই বস্তুখিনি চালোঁ। অৱশ্যে এটা কথা উল্লেখ কৰিব লাগিব যে নিজৰাৰ পাৰত বহুত পেলনীয়া বস্তু, চিপ্‌চৰ পেকেট, প্লাষ্টিকৰ বটল আদিয়ে পানীখিনি প্ৰদূষিত কৰিছে আৰু পানীৰ স্বতঃস্ফূৰ্ত গতিত বাধা দিছে কিছু পৰিমাণে। প্ৰশাসন তথা দৰ্শনাৰ্থী সকলোৱে এই ক্ষেত্ৰত সতৰ্ক হোৱা উচিত।

আমি সকলোৱে পুনৰ একত্ৰিত হৈ দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিলো। সকলোবোৰ বস্তু ঠিক ঠাক হোৱাৰ পিছত আবেলি পাঁচ বজাত আমি বাছত উঠি কলেজ অভিমুখে ওভতনি যাত্ৰা আৰম্ভ কৰিলোঁ। বাছত আমি সকলোৱে ভাগৰ জগৰে টোপনিয়াব ধৰাত আমাৰ লগৰে জয়ন্ত, ধনমণিহঁতে আকৌ আৰম্ভ কৰিলে কিছুমান অভিনৱ অনুষ্ঠান। আমাব সকলোবে নাজিৰাঘাটত গৈ কেনে লাগিল সেইটো এজন এজনকৈ ব্যক্ত কৰিলো। তাৰ পিছত আমি সকলোৱে লগ লাগি নাচি-বাগি,গান গাই আহিব ধৰিলো। মাজতে আমি 'চন্দ্ৰমা' নামৰ চাহ দোকান এখনত চাহ খালো আৰু এনেদৰে আমি ৯ টা বজাত কলেজ আহি পালোঁ আৰু বিদায় সম্ভাষণ জনাই সকলোৱে ঘৰা-ঘৰি হ'লো। সঁচাকৈ নিজৰাঘাটত গৈ বহুত বহুত ভাল লাগিল আৰু ইয়াৰ স্মৃতি আমাৰ হিয়াৰ মণিকোঠাত চিৰদিন সজীৱ হৈ ৰ'ব।□

*নীলা খামৰ চিঠি*

# God is Good

মিণ্টি কলিতা



তুমি হীনতাত কটাইছো মই
যাযাবৰী জীৱন
দূৰলৈ বহুত দূৰলৈ আঁতৰি গ'লা
তোমাক ওচৰত পাবৰ বাবে
এয়া মোৰ এক ক্ষুদ্ৰ প্ৰচেষ্টা...
মোৰ মনৰ বতৰা পাবা বুলি আজি
সুদীৰ্ঘ বিৰতিৰ পিছত কলমটো তুলি
লৈছো, মোৰ মনৰ বতৰা পাবা বুলি.....

মৰমৰ ................,

কেনে আছা বাৰু তুমি? আশা কৰোঁ ভালে আছা। সোঁৱৰণীৰ পাতখিলা লুটিয়াই চাই আজি মই শূন্য হৈ পৰিছো। আছেনে বাৰু তোমাৰ খবৰ ল'ব পৰা অধিকাৰকণ মোৰ? নাজানো তোমাৰ উত্তৰ কি হ'ব? কিন্তু হৃদয়ৰ বান্ধোনেৰে বান্ধ খাই পৰা সেই অধিকাৰখিনিৰে মই আজি তোমাৰ খবৰ লৈছো।

মনত পৰেনে তোমাৰ, এটি কানিমুনি সন্ধিয়াত তুমি মোৰ জীৱনত এটি মিঠা সপোন হৈ ধৰা দিছিলা। তুমি আহিছিলা ধূলিৰ আস্তৰণ ফালি আদ্যস্নাতা হোৱা প্ৰকৃতিৰ সেই মনোৰম সময়ত। তোমাৰ দুচকুত বিচাৰি পাইছিলো নীলা আকাশৰ বিশালতা। তোমাৰ চাৱনিয়ে আহত কৰিছিল মোক। আহ! কি মিঠা সিহৰণ। এৰি দিব নোৱাৰা এক দুৰ্বাৰ আকাংক্ষা। পিছে ক'ত হেৰাই গ'লা বাৰু তুমি? হেৰুৱাব নিবিচাৰিও হেৰুৱাবৰ উপক্ৰম হ'লো। তোমাৰ আগমনৰ



প্ৰতিটো সম্ভাব্যস্থলীত মোৰ সন্ধানী চকুযোৰে এতিয়াও তোমাকে বিচাৰে জানা।

তুমি হয়তো নাজানা বৰ্তমান মই এক শূন্য হৃদয়ৰ গৰাকী। তোমাক সন্মুখত দেখা পালে অভিমানৰ পুখুৰীটোত সাঁতুৰি ফুৰোঁ। বিচাৰো তুমি তুলি ধৰা এই অভিমানী পুখুৰীটোৰ পৰা। কিন্তু আকৌ সৰুতে অংক বুজোতে বুজোতে ভাগৰি পৰাৰ দৰে ভাগৰি পৰো তুমি অহালে' বাট চাই। তুমি জানানে..... তোমাৰ সপোনক মই নিজৰ কৰি ল'ব বিচাৰো। সঁচাকৈ পাহৰি গৈছা মোক? পদূলিমুখৰ বকুলজোপাৰ গোন্ধে আজিও মোক মতলীয়া কৰে। তাৰ তলত ৰৈ ডাকোৱালজনৰ অপেক্ষাৰত বৰ্তমান মই..... কিজানিবা তোমাৰ মৰমেৰে ভৰ্তি নীলাখামৰ চিঠি এখন ডাকোৱালজনে লৈ আহে? কিয়.....? কিয় তুমি বুজি নাপালা বাৰু মোৰ মনৰ অনুভূতি? মই নোকোৱাকৈ তুমি মোক বুজি পোৱাটো মই বিচাৰিছিলো। এয়াই আছিল নেকি বাৰু মোৰ ভুল? কোৱা..... এবাৰ খুলি কোৱা মনৰ কথা, হৃদয়ৰ বতৰা.....

বসন্তৰ আগমনত কুঁহিপাত মেলা নাই মোৰ বুকুত। এতিয়াও ফাগুনে উৰুৱাই লৈ যোৱা মোৰ হেঁপাহৰ পঁজাটোলৈ বৰকৈ মনত পৰে অ'। শেষ নিশাৰ কেতেকীজনীৰ মাতে চুৰমাৰ কৰি পেলায় হৃদয়ৰ গোপন কোঠালিৰ নিস্তব্ধতা। তুমি হয়তো নাজানা মোৰ হৃদয়ৰ কঁঠিয়াতলীখনি শেলুৰৈ লাগি কিবা বেলেগ হৈ উঠিছে। য'ত তুমি আৰু মই শাওনত একেলগে কঁঠিয়া ৰুইছিলো, হেঁপাহৰ ঘৰখনলৈ আনিম বুলি।

.....মোৰ মনৰ আকাশত সাতোৰঙী ৰামধেনুৰ আগমনলৈ বাট চাই চাই ভাগৰি পৰিছো মই। আইৰে শপত, তোমাক কেতিয়াও দুখ নিদিওঁ। দুখৰ যন্ত্ৰণা কিমান মই বহুত ভালকৈ জানো অ মৰম। আকৌ এবাৰ কৈছো তুমি অবিহনে বৰ শূন্য হৈ পৰিছো। তোমাৰ চকুপানীয়ে মোৰ বুকুত এক বিষ যন্ত্ৰণাৰ ঝংকাৰ তোলে। বিশ্বাস কৰা নালাগে মোক তোমাৰ কলিজাৰ তেজেৰে লিখা চিঠি, লাগে মোক তোমাৰ মৰমভৰা এখন নীলা খামৰ চিঠি।

অপেক্ষাৰত মই তোমাৰ মৰমসনা নীলা খামৰ চিঠিৰ বাবে...

হয়তো এক মিছা আশাত বন্দী হৈ
ৰৈছো মই...
কিয় জানো এই বন্দীত্বৰ জীৱন কটাব
ভাল লাগিছে...
সপোনৰ এক আগমনৰ অনুভৱ
কুক্ক-ভা আৰম্ভ হৈ ৰৈছে আশা আৰু সপোনৰ
এক বুজা-নুবুজাৰ দোমোজাৰে আৰু
অন্তৰৰ বহু মৰমেৰে আজিলৈ তোমাৰ
পৰা বিদায় লৈছো —

ইতি -
অপেক্ষাৰত তোমাৰ
প্ৰেম প্ৰত্যাশী

প্ৰবন্ধ

# বিদ্যালয়ত তথ্য আৰু যোগাযোগ প্ৰযুক্তি (আইচিটি)



ধনমণি ঠাকুৰীয়া

মাধ্যমিক পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰীক আইচিটিত দক্ষ কৰি তুলিবলৈ আৰু আইচিটিৰ সহায়ত শিক্ষা গ্ৰহণৰ সুযোগ প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰে ২০০৪ চনত বিদ্যালয়সমূহত "বিদ্যালয়ত তথ্য আৰু যোগাযোগ প্ৰযুক্তি" নামৰ আঁচনি আৰম্ভ কৰে। এই আঁচনিখনে বিভিন্ন আৰ্থ-সামাজিক পৰিস্থিতি আৰু ভৌগলিক ভিন্নতাৰ বাধাৰ প্ৰাচীৰ অতিক্ৰম কৰি শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত এক ডিজিটেল সেঁতুবন্ধনৰ অনুঘটক হিচাপে কাম কৰে। এই আঁচনিয়ে কেন্দ্ৰীয় বিদ্যালয় আৰু নবোদয় বিদ্যালয়সমূহক SMART বিদ্যালয় স্থাপন কৰাৰ লক্ষ্য লৈছে যাতে ই প্ৰযুক্তি প্ৰদৰ্শক হিচাপে কাষৰীয়া অঞ্চলৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আইচিটিৰ প্ৰসাৰৰ বাবে অগ্ৰণী ভূমিকা ল'ব পাৰে। বৰ্তমানে এই আঁচনি চৰকাৰী আৰু চৰকাৰৰ সাহায্যপ্ৰাপ্ত মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয়সমূহত ৰূপায়ণ কৰা হৈছে। কম্পিউটাৰ আৰু আনুসাংগিক উপকৰণৰ ব্যৱস্থা কৰা, শিক্ষামূলক চফ্‌টৱেৰ, শিক্ষকক প্ৰশিক্ষণ আৰু ইণ্টাৰনেট সংযোগৰ বাবে এই আঁচনিৰ যোগেৰে সাহায্য প্ৰদান কৰা হয়। বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগৰ সচিবৰ নেতৃত্বত থকা প্ৰকল্প পৰ্য্যবেক্ষণ আৰু মূল্যায়ন গোটৰ অনুমোদনৰ ভিত্তিত ৰাজ্য চৰকাৰ আৰু আন প্ৰতিষ্ঠানসমূহক বিত্তীয় সাহায্য প্ৰদান কৰা হয়।

সামাজিক ৰূপান্তৰ আৰু ৰাষ্ট্ৰীয় উন্নতিৰ ক্ষেত্ৰত তথ্য আৰু যোগাযোগ প্ৰযুক্তি এটা সাৰ্বজনীনভাৱে জ্ঞাত অনুঘটক। আইচিটিৰ বাবে সাজু হোৱা আৰু ইয়াৰ অসম্ভৱভাৱে ব্যৱহাৰে দেশৰ অৰ্থনৈতিক উন্নতি আৰু উৎপাদনশীলতাত প্ৰভাৱ পেলাব পাৰে। দেশৰ সামাজিক আৰু অৰ্থনৈতিক উন্নয়নৰ বাবে আইচিটিক ভালদৰে বুজা আৰু ইয়াৰ সুবিধা লোৱাটো অতি প্ৰয়োজন। ভাৰতত আইচিটিৰ ব্যৱহাৰৰ ক্ষেত্ৰত ভৌগলিক আৰু জন গাঁথনিৰ ভিত্তিত এক বিৰাট অসমতা দেখা যায়। আইচিটিত দক্ষ কৰ্মীৰ সংখ্যা অধিক থকা দেশবোৰৰ ভিতৰত ভাৰতবৰ্ষও এখন। বাংগালোৰ, গুৰগাঁও আদিৰ দৰে প্ৰযুক্তিকেন্দ্ৰিক ঠাইসমূহ আৰু আৰ্থিকভাৱে উচ্চ মধ্যবিত্ত লোকসকলৰ মাজত আইচিটিৰ ব্যৱহাৰ অতি বেছি দেখা পোৱা যায়। ইয়াৰ বিপৰীতে ভাৰতবৰ্ষত এক বৃহৎ এলেকাৰ লোকে আনকি সাধাৰণ টেলিফোনৰ যোগাযোগ ব্যৱস্থাৰ পৰাও বঞ্চিত। তথ্য প্ৰযুক্তি আৰু চফ্‌টৱেৰ উন্নয়নৰ বাবে

ৰাষ্ট্ৰীয় টাস্ক ফোৰ্চ - ১৯৯৮ চনৰ জুলাইত প্ৰধান মন্ত্ৰীয়ে গঠন কৰা কমিটিয়ে সকলো শিক্ষা প্ৰতিষ্ঠানত বিদ্যালয়সমূহকে ধৰি আইচিটিৰ ব্যৱস্থা কৰিবলৈ বিশেষভাৱে পৰামৰ্শ কৰিছে। ইয়াৰ সংশ্লিষ্ট কিছু অংশ এয়ে যে কম্পিউটাৰ কিনিবলৈ ইচ্ছুক ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু বিদ্যালয়ৰ বাবে যথাক্ৰমে বিদ্যাৰ্থী কম্পিউটাৰ আঁচনি, শিক্ষক কম্পিউটাৰ আঁচনি আৰু বিদ্যালয় কম্পিউটাৰ আঁচনি নামৰ তিনিখন আঁচনিৰ যোগে অতি আকৰ্ষণীয় আৰ্থিক ব্যৱহাৰে কম্পিউটাৰ কিনিব পৰাৰ ব্যৱস্থা আছে। এই আঁচনিবোৰ সফল কৰাত কম দামত কম্পিউটাৰ, সহজ কিস্তিত বেংকৰ ঋণ, আইটি কোম্পানী, ব্যৱসায়িক প্ৰতিষ্ঠান, প্ৰবাসী ভাৰতীয় আদিৰ দ্বাৰা বুজন পৰিমাণৰ কম্পিউটাৰ দান, কম দামত অধিক সংখ্যক কম্পিউটাৰ আমদানি, বিভিন্ন উৎসৰ পৰা আৰ্থিক সাহায্য আদিয়ে সহায় কৰিব। ২০০৩ চনৰ পৰা সকলো বিদ্যালয়, অভিযান্ত্ৰিক প্ৰতিষ্ঠান, মহাবিদ্যালয়, অসামৰিক চিকিৎসালয় আদিত কম্পিউটাৰ আৰু ইণ্টাৰনেটৰ ব্যৱস্থা কৰা হৈছে। SMART বিদ্যালয়ৰ ধাৰণাত কেৱল তথ্য প্ৰযুক্তিত প্ৰসাৰ কৰাই নহয়, ইয়াৰ মূল্যবোধ আৰু দক্ষতা পথ প্ৰদৰ্শক হিচাপে ৰাখি সকলো ৰাজ্যত আৰম্ভ কৰা হ'ব।

উদ্দেশ্যবোৰ —

ক। গ্ৰামাঞ্চলৰ মাধ্যমিক আৰু চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়সমূহত আইচিটি ব্যৱহাৰৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টি কৰা। এই পৰিৱেশৰ বাবে প্ৰয়োজন হ'ব আহিলা আৰু উপকৰণ উপলভ্যতা, ইণ্টাৰনেট সংযোগ আৰু আইচিটি সাক্ষৰতাৰ বাবে উৎসাহিত কৰা।

খ। বেচৰকাৰী আৰু SIET ৰ পৰা উচ্চ মান বিষয়ক সমল যাতে অনলাইন পোৱা যায় সেইটো নিশ্চিত হ'ব লাগিব। আইচিটিৰ যোগেদি বৰ্তমানৰ পাঠ্যক্ৰম শিকা আৰু শিকোৱা ব্যৱস্থাৰে সমৃদ্ধ কৰা।

গ। শিক্ষাৰ্থীসকলক এই ডিজিটেল বিশ্বৰ বাবে প্ৰয়োজনীয় দক্ষতা, উচ্চ শিক্ষা আৰু ভাল কৰ্ম সংস্থানৰ বাবে সক্ষম কৰি তোলা।

ঘ। বিশেষ প্ৰয়োজন থকা শিশুক আইচিটি আহিলাৰ যোগেৰে ফলপ্ৰসূ শিক্ষা পৰিৱেশ প্ৰদান কৰা।

ঙ। নিজে নিজে শিক্ষা লোৱাৰ মাধ্যমেৰে চিন্তান্বেষী চিন্তাধাৰা আৰু ব্যাখ্যা কৰাৰ দক্ষতা বৃদ্ধি কৰা। ইয়াৰ ফলত শ্ৰেণীকোঠাত শিক্ষককেন্দ্ৰিক শিক্ষা গ্ৰহণৰ ঠাইত ছাত্ৰ-কেন্দ্ৰিক শিক্ষা গ্ৰহণৰ ব্যৱস্থালৈ পৰিৱৰ্তিত হ'ব।

চ। দৃশ্য-শ্ৰাব্য মাধ্যম আৰু কৃত্ৰিম উপগ্ৰহজনিত সামগ্ৰীৰ ব্যৱহাৰ কৰি দূৰ শিক্ষাত আইচিটিৰ আহিলা ব্যৱহাৰৰ বৃদ্ধি কৰা।

বৰ্তমান সময়ত অসমত ইয়াৰ সফল ৰূপায়ণ হোৱা দেখা নাই। কিছু সংখ্যক বিদ্যালয়ত এতিয়ালৈ কম্পিউটাৰৰ ব্যৱস্থা কৰিব পৰা নাই আন কিছুমানত আকৌ শিক্ষকৰ অভাৱ। শিক্ষক নিযুক্তি প্ৰক্ৰিয়া অস্থায়ী আৰু বিসংগতি পূৰ্ণ হোৱাৰ বাবে তথ্য আৰু প্ৰযুক্তি বিদ্যা শিক্ষাৰ বাতাৱৰণ বিনষ্ট হোৱা দেখা যায়।□


# An Aspect of Bodo Culture and Its Identity

Monalisha Narzary



**ORIGIN:**

The 'Bodo' is a generic term implying ethnic groups of South Asia, speaking Tibeto-Burman speech family which includes Mech, Rabha, Lalung, Dimasa, Garo, Tiprasa, Chutiya and Bodo-Kachari. Rev. Sidney Endle first classified them as the 'Kacharis'. They are considered to have reached the Brahmaputra valley via Tibet and settled in the foot-hills of the eastern Himalaya range which include the whole of Assam, tripura, North Bengal and parts of Bangladesh. In recent times, the tribe that was originally called 'Bodo-Kachari' are now being called 'Bodo' and is widely accepted. Here, attempt has been made to per-picture only the later mentioned sub-group. It may also be acknowledged that while preparing this article reference has been sought from various reliable sources both print and electronic.



Traditionally, the 'Bodos' practice farming, fishing and cultivation. Some of the major occupational activities ever to this day are - rice farming, tea and betel nut plantation, pig and poultry farming, silk -worm rearing, bamboo crafts and weaving clothes.

**LANGUAGE:**

Bodo speaking areas of Assam stretch from Dhuburi in the west to Sadiya in the east. In the North Bengal districts of Alipurduar, Cooch Behar and Jalpaiguri, the Bodos are known as 'Mech'. According to 1991 census the population of Bodo speakers was 1,984,564 (Bodo - 1,324,748; Mech - 6,59,821). The advent of Bodo literature can be traced back to Rev. Sidney Endle's 'An outline of the Kachari Grammar' in 1884. In present time, the language holds a position of pride with the opening of Post-graduate course in Bodo language and literature in the University of Guwahati in 1996. Apart from it, it is also one of the few eight scheduled languages of the Indian Union.

**RELIGION:**

'Bathouism' is the main religion. The 'Siju' (Euphorbia genus) plant is worshipped as the divine Bathous symbol. A pair of betel nut called 'Goi' and betel leaf called 'Pathwi' is offered at the alter besides rice-grain, milk, flowers etc. Other religions include 'Brahma dharma', Hinduism and Christianity which is seen to have been adopted in modern times.

**ATTIRE:**

The Bodo women weave clothes from thread of 'Eri' and 'Muga' which are dub colour, durable, light but warm. They are expert in rearing 'Endi Enphou' (Eri worm) and 'Muga Latha' (silk worm). The 'Dokhona' is women's dress for covering whole body, the 'Jumgra' is scarf of women, the 'Gamsha' is cloth for covering lower part of the body of men, the 'Phalli' is hankerchief and the 'Shima' is big and wide cloth used as rugs during winter. In the past Bodo men folk used to wear 'Khorom; footwear made of wood.

The women's 'Dokhona' is the signature pride and feature of the Bodo culture. It is weaven in varied colours and 'Agor' (embroidery). The 'Dokhona' with-

out 'Agor' is called 'Salamatha' or 'Matha'. 'Dokhona Thousi' (Pure Dokhona) is used as bridal attire. 'Bwirathi' (women receptionist of bride and groom during Bodo marriage). Bodo women are expert in designing 'Agor'. Some of such hand work embroidery design worth mentioning are - Phareou Megon (Pigeon eye), Daorai Makhreb (Winkle of peacock), Phul Mobla (Varieties of bloomed flowers). Maoji Agan (Footprint of cat) etc.

## ORNAMENTS:

The Bodos are avid lovers of ornaments. M. M. Choudhury, in his book 'tribes of Assam Plains' wrote - "It is well-known fact that the Indo-Mongoloid Bodos used abundance of gold ornaments available in those days. Gradually silver, bronze etc. became popular among them. There were about ten streams which produced gold more or less abundant in the district of Darrang. British people extracted gold from those rivers when they ruled India." Various types of ornaments are used for nose, ears, neck and hands respectively. 'Nakhaphul' on the skin of upper side of nose. 'Nolot' holding from the middle of two nostrils, 'Buluki' as nose pedart, 'Phulkhuri', 'Japkhring', 'Dul', 'Doula' for upper ear, 'Phuti' flower design attached to earlobe. Some of the popular necklaces worn by women folk are - 'Chandra Har' (a heavy necklace), 'Thanka Siri' (a round neck ornament), 'Jibou ZinZiri' (a snake like chair), 'Ashan Suri' (small bangle) and 'Ashan Sangkha' (big white bangle).

## MUSIC & DANCE:

'Bagurumba' is the traditional Bodo dance performed by young damsels accompanied by its trademark song which goes like this 'Bagurumba, hai Bagrumba/Bagurumba, hai Bagurumba/ Jat nonga bwla khun nonga bwla thab brum homnanwi lagwmwn kha hwi lwgw lagwmun kha.....' The different musical instruments Bodos use are :- 'Sifung' a long bamboo flute having five holes, 'Serja' a violin like instrument with a somewhat rounded body and whose scroll is slightly bent forward, 'Tharkha' a bamboo split into two halves used for clapping, 'Khan' a long drum made of wood and goat skin, 'Khawang' a pair of

small cymbols.

**CUISINE:**

'Oma Bedor' (Pork) is consumed with delicious fervour. It is fried, roasted or stewed. It is also smoked in the sun or fire for several days. 'Naphan' is made by grinding smoked fish and mixing with specific leafy vegetables and then allowed to age in sealed bamboo cylinder. 'Onla' is gravy made from rice powder in which slices of bamboo shoots is cooked slightly with 'Khardwi' (traditional soda) and spices. Chicken or pork is also added in it. 'Jumai' is rice beer produced mainly during festivals like 'Bwisagu' and 'Domasi'. It is of two types - 'Gishi' (wet) brewed by fermenting rice and 'Gwran' (dry) produced by distillation. 'Narxi' is bitter gravy that is made from dried jute leaves. Usually pork is cooked in it to generate a distinct taste.

**CONCLUSION:**

The 'Bodos' are by nature simple and hard working. They have been pushed to the brink of darkness for many decades due to which problems like superstitions and illiteracy were in bounty. In early 1930's under the leadership of Gurudev Kalicharan Brahma, the Bodos submitted a memorandum to the Simon Commission for separate political administration for the indigenous and tribal people of Assam. The 1960's saw the Union Territory demand movement called 'Udayachal' for plain tribes in Assam. In 1980's witnessed the Bodoland Movement under the leadership of Bodofa Upendra Nath Brahma. The Bodoland Autonomous Council was formed in 1993 and soon get dissolved. Later in 2003, the Bodoland Territorial Council was formed giving the Bodos a political power to govern themselves. In the modern context, the determination for cultural identity and its richness will largely depend upon the local political leaders, social organisations and the attitude of the modern Bodo youths who are victimised by the on slaught of western culture.❑

# নাৰী মহীয়সী



হিমাক্ষী মজুমদাৰ



ভাৰতীয় সংস্কৃতিত নাৰী এক মহান শক্তি। নাৰী শব্দৰ অৰ্থ হ'ল তিৰোতা বা মহিলা। নাৰীৰ সৃজনী শক্তি অতুলনীয়। অতীতৰ বুৰঞ্জীৰ পাত লুটিয়ালে পাওঁ যে, মহীয়সীৰ মহীয়ান গুণ আৰু কৰ্মদক্ষতা বৰ্ণনাতীত। এগৰাকী নাৰী হৈছে পবিত্ৰতা, সুচিতা আৰু সুন্দৰতাৰ প্ৰতীক। মাতৃৰ মমতাত, প্ৰেমিকাৰ প্ৰেমত আৰু পত্নীৰ ধৰ্মতেই নাৰীৰ মহীয়সী গুণ প্ৰতিফলিত হয়।

আজিৰ যুগৰ বিজ্ঞানৰ লগত ফেৰ মাৰিও অতীতৰ সেই অন্ধকাৰাচ্ছন্ন সময়ৰ নিচিনা কিছুমানে ক'ব বিচাৰে আজিও নাৰী অবলা, দুৰ্বলা আৰু ভীৰু। কিন্তু বুৰঞ্জীৰ পাতে নাৰী মহীয়সীৰ প্ৰমাণ সদায় দি আহিছে।

দৰাচলতে নাৰী সপ্তগুণৰ অধিকাৰিনী। সেয়ে নাৰী ধৰ্মপৰায়ণ, ভক্তিসত্বা, সৌন্দৰ্য্যময়ী। নাৰীৰ অন্তৰত সুপ্ত হৈ আছে ঈশ্বৰ প্ৰদত্ত গুণ। বৰ্তমান সমাজত দ্ৰুত অগ্ৰগতি প্ৰতিযোগিতামূলক চিন্তাধাৰা আৰু ক্ৰমবৰ্দ্ধিত আশা-আকাংক্ষা আদি পূৰোৱা কাৰ্য্য পিতৃৰ লগে লগে মাতৃৰ অতিশয় দায়িত্বপূৰ্ণ কাম।

ভাৰতীয় জাতীয় ঐতিহ্য তথা সংস্কৃতিত মাতৃক শিশুৰ প্ৰথম শিক্ষয়িত্ৰী বুলি কোৱা হয়। এগৰাকী মাতৃ এহেজাৰজন পিতৃতকৈও শ্ৰেষ্ঠ বুলি বুৰঞ্জীয়ে বাৰে বাৰে কৈ আহিছে। নাৰীসকল সৰ্বশ্ৰেষ্ঠ আৰু সৰ্বপ্ৰথম। উদাহৰণস্বৰূপে, ভক্ত প্ৰহ্লাদৰ কথা ক'ব পাৰি। অসুৰ বংশত জন্ম হোৱাৰ

পিছতো মাতৃ গৰ্ভত থাকোতে ভগৱান বিষ্ণুৰ কথা শুনাৰ বাবে, প্ৰহ্লাদ আজি বিষ্ণু ভক্ত বুলি প্ৰচলিত হৈ আছে।

কিন্তু বৰ্তমান সমাজত ব্যক্তিগত জীৱনৰ কৰ্মৰ হেঁচাত নিজ সন্তানক সঙ্গ দিবলৈ অৱসৰ নাপাই, বহুতো অৰ্থ খৰচ কৰি হয়তো গৃহ শিক্ষক ৰাখি বা সন্তানক চোৱা-চিতাৰ বাবে কোনোবা এজনক ৰাখি তাতেই মহীয়সী মাতৃসকলৰ দায়িত্ব সমাপ্ত কৰিছে। যাৰ ফলত শিশুৰ পূৰ্ণাংগ চৰিত্ৰ বিকাশত সহায়ক নহয় বৰং অত্যন্ত ক্ষতিকাৰকহে হৈছে। ফলত বৰ্তমান সমাজত কিশোৰ-কিশোৰী, ডেকা-গাভৰু প্ৰায়েই বিপথে পৰিচালিত হৈছে। ধৰ্ষণ, লুণ্ঠন আদি অসৎ কামত লিপ্ত হৈছে।

নেপোলিয়ন বোনাপাৰ্টে কৈছিল, "Give me a good mother, I will give you a good nation." সমাজত শান্তি প্ৰতিষ্ঠা কেৱল নাৰীসকলেহে কৰিব পাৰে। কাৰণ প্ৰতিখন পৰিয়ালত সুখ-শান্তি বিৰাজ কৰিলেহে সমাজত শান্তি প্ৰতিষ্ঠা সম্ভৱ। মাতৃসকলে সু-চৰিত্ৰৰ অধিকাৰীনী হৈ সু-সন্তান জন্ম দি সমাজখনক ভৱিষ্যতৰ অন্ধকাৰৰ পৰা বচাব পাৰে। দৈৱকীৰ গৰ্ভত শ্ৰীকৃষ্ণ, কৌশল্যাৰ গৰ্ভত ৰাম, পুতলী বাইৰ গৰ্ভত মহাত্মা গান্ধীৰ দৰে মহান মানৱৰ জন্ম হোৱাটো তাৰেই ফলশ্ৰুতি। মাতৃসকলৰ ধৰ্মপৰায়ণ, সংস্কাৰৰ মাজতে লুকাই আছে এখন কল্যাণ আৰু সুন্দৰ সমাজ।

এগৰাকী নাৰী হৈছে জন্মদায়িনী, প্ৰতিপালিনী আৰু গঠনকাৰী শক্তিৰ আধাৰ। তাৰোপৰি নাৰী হ'ল সহনশীলতা আৰু সুন্দৰৰ প্ৰতীক। উঠি অহা শিশুসকলেই হৈছে ভৱিষ্যতৰ পথ প্ৰদৰ্শক। তেওঁলোকক সামাজিক, আধ্যাত্মিক, নৈতিক দিশত আগবঢ়াই নিয়াটো মাতৃৰ একান্ত কৰ্তব্য। নিকা মন, সংযমী ভাব আৰু ধৈৰ্য্য হৈছে মাতৃত্ব সফল হোৱাৰ মাপকাঠি।

শিক্ষাবিদ লেলিনৰ মতে শাৰীৰিক বল বীৰ্যত, নাৰী পুৰুষৰ সমান নহ'লেও সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু বৌদ্ধিক আদি সকলো দিশতে নাৰীসকল আগবাঢ়ি গৈছে। তেখেতে কৈছিল যে, "সমাজৰ আধা অংশকে ৰান্ধনি ঘৰত আৱদ্ধ কৰি ৰাখিলে কোনো দেশে প্ৰগতিৰ পথত আগবাঢ়িব নোৱাৰে।" এজনী সুগৃহিণীয়ে ঘৰখনৰ শ্ৰীবৃদ্ধিত সমল যোগোৱাৰ দৰে নাৰীৰ মহীয়সী গুণে সমাজখনত শ্ৰীবৃদ্ধি জগাব পাৰে। সমাজত এটি প্ৰচলিত প্ৰবচন আছে "তিৰোতাৰ কপালে ধন, পুৰুষৰ কপালে জন।" ধন লাগিলে লক্ষ্মীক লাগিব।

কিন্তু বৰ্তমান সমাজত এই মহীয়সী নাৰীকেই ধৰ্ষণ, ডাইনী হত্যা, কন্যা সন্তান হত্যা, যৌতুকৰ বাবে বোৱাৰীৰ অপমৃত্যু আদি নানা ধৰণৰ ঘটনাৰ মাজেৰে নাৰীক সমাজত, বাতৰি কাকত আদিত উজলাই ৰাখিছে। শেষত, স্বামী বিবেকানন্দই কোৱা এষাৰ কথা আমাৰ সমাজে মৰ্মে মৰ্মে উপলব্ধি কৰা উচিত — "যি দেশে, যি জাতিয়ে তিৰোতাক সন্মান কৰিব নাজানে সেই দেশ বা জাতি মহান হ'ব পৰা নাই আৰু ভৱিষ্যতেও নোৱাৰে।"□

# Radiation from Cellphone : An Unseen Hazard

Sangita Goswami



Cellphone are mobile phone is among a lot of new means of communication which made our life so simple and easy going in this electronic age that we are living. The invention of cellphones is a revolutionary step in the field of tele-communication. It is occupying such a place in our day-to-day life that we cann't even imagine our life without a cellphone!!

A mobile phone works on a unique networking system which needs no wising, no fixation and no botheration. The networking system communicates

able network that a particular phone can use. The base stations serve as connector of the mobile networks through the RF signals transmitted by antennas. Thus a cellphone emits a particular frequency of radiation any time even in standby mode. Cellphones networks worldwide use Ultra High Frequency (UHF), portions of RF Spectrum for transmission and reception. However, frequencies depend on the type of mobile communication technologies -

posed constantly by the radiation emitted by it even while not in use. A person who is text messaging, accessing the internet or using a hands free device will have lower exposure than someone holding the phone against his or her head. Someone who stores the phone in a briefcase or purse will have for lower exposure than one who carries the device in a pocket.

## Specific Absorption Rate (SAR)

Exposure to RF energy is determined by the Specific Absorption Rate (SAR), a measure of rate at which energy is absorbed by the body when exposed to radio frequency. It is defined as the power absorbed per mass of tissue, measured in watts per killogram (W/Kg).


The allowable SAR limit for head is 1.6 W/Kg. For exposure to other parts of body SAR limits have been established to control absorption of RF energy. SAR value for a cellphone of particular model is specific.

Exposure to radiation depends on signal strength too weak signal strength leads higher level of exposure as the device routinely seeks a stronger signal. Hence, it is an interesting fact that people living in rural areas experience higher exposure to RF radiation. Studies have shown that childrens are more prone to exposure than the adults.

Exposure also varies by proximity of the device to human tissues. Since, the intensity of exposure falls exponentially as the distance from the body increases users can limit their exposure dramatically by using speaker phone or headsets

## Cell Phone Use and Cancer

According to a study, wireless phon use is associated with increased risk (



giloma, a malignant type of brain cancer.

**Susceptibility of the Developing Nervous System**

During critical periods of nervous system development (up to an age 21), the brain is susceptible to nervous environmental insults. Even small exposure during that period have a profound effect than exposures during adulthood.

**Effect on Nervous System**

Hearing problems, sleeplessness, migraine, fatigue, lack of concentration, fearfulness are a few short term problems reported by people living in the vicinity of mobile towers.

**Effect on Reproductive Health**

Many studies report molecular and cellular effects following cellphone radiation exposures in organs responsible for reproduction specially in males.

**Genotoxic Effects**

Taking in to consideration of the above ill-effect of using cellphone. It is necessary for us to limit the use of it. While using, some safely measures can be taken to reduce exposure level as -

* Using a cellphone model having low SAR value

* Prohibiting cellphones for childrens

* Using speakerphones or wired headset

* Avoiding sleeping with cellphones

* Avoiding cell dependency by checking and responding to messages at pre-planned time etc.

The cellphone industry is interlinked with various other mega industries and is a multi-billion dollar industry. So, it is very unlikely the public will be told about the health hazard of cellphones. We have to be concerned about the issues related to its use.

Despite few setbacks observed, humankind has made tremendous strides since the introduction of cellphone. Good management, planning and training will increase the positive impact on cellphones in our lives and tremendously ease the life of humankind.❑

# বিহু নৃত্য-গীতৰ স'তে বাদ্যযন্ত্ৰৰ প্ৰয়োজনীয়তা



জোনালী পাঠক



অসমীয়া লোক সংস্কৃতিৰ বৰপথাৰখনৰ শ্ৰেষ্ঠতম উপাদান হৈছে 'বিহু'। আন আন আচাৰ-অনুষ্ঠানৰ তুলনাত বিহুৰ সাৰ্বজনীনতা সৰ্বাধিক বুলিলেও অত্যুক্তি কৰা নহ'ব কিজানি। বিহু হৈছে অসমীয়াৰ প্ৰাণৰ স্পন্দন। সেই বাবেহে কোৱা হয় বিহু অসমীয়াৰ 'বাপতি সাহোন' বুলি। বিহু বুলিলে অসমীয়া জন-জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, হৰ্ষ-বিষাদ, প্ৰেম-প্ৰীতি, ভাৱ-ভকতি আদি সূক্ষ্ম অনুভূতিকে বুজায়। অসমৰ সকলো দিশৰ, চুকে-কোণে, পৰ্বতে-কন্দৰে ৰঙালী বিহু বা ব'হাগ বিহু আহিবৰ আগে আগে ঢোলৰ গুম-গুমনি সৰ্বত্ৰে নিনাদিত হোৱা দেখা যায়। কাৰণ এই সংস্কৃতিটো আমাৰ লোক উৎসৱ অথবা জাতীয় উৎসৱ। এই জাতীয় উৎসৱটিৰ লগত সংপৃক্ত হৈ থকা বাদ্য-বাজনাখিনিকো 'জাতীয় বাদ্য' হিচাপে গণ্য কৰি অহা হৈছে। এই জাতীয় বাদ্যসমূহ আচলতে লোক বাদ্যৰ নামান্তৰ মাথোন। বজোৱাৰ কৌশল, প্ৰস্তুতকৰণৰ 'কিটিপ' আৰু ইয়াৰ প্ৰয়োগিক বৈশিষ্ট্যসমূহলৈ চাই এই বাদ্য-বাজনাসমূহক

চাৰিভাগে বিভক্ত কৰা দেখা যায়। যেনে —

১) তৎ যন্ত্ৰ,
২) ঘন যন্ত্ৰ,
৩) সুষিৰ যন্ত্ৰ আৰু
৪) আনৰ্দ্ধ বা অৱনদ্ধ বাদ্য যন্ত্ৰ।

বিশ্লেষণাত্মক দৃষ্টিভংগীৰে প্ৰত্যেকৰে অন্তৰ্নিহিত কিছু কথা দাঙি ধৰা হ'ল —

**১) তৎ যন্ত্ৰ ঃ**

অৰ্থাৎ তাঁৰ যন্ত্ৰ যিমানবোৰ আছে, বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ হাতৰ বীণাখনকে আদি কৰি, চেটাৰ, তানপূৰা, দতোঁৰা, একতাৰা, খমক আদি বাদ্যবোৰকে তৎ যন্ত্ৰ বুলি চিহ্নিত কৰা হৈছে।

**২) ঘন যন্ত্ৰ ঃ**

ধাতুৰে নিৰ্মিত কিছু প্ৰকাৰৰ তাল, টিলিঙা, বৰকাঁহ, সৰুকাঁহ, ঘণ্টা আদিকে ধৰি বিভিন্ন প্ৰকাৰৰ বাদ্য যন্ত্ৰৰ ব্যৱহাৰ কৰি অহা হৈছে সেইবোৰকে ঘন যন্ত্ৰ বুলি কোৱা হয়।

**৩) সুষিৰ যন্ত্ৰ ঃ**

মুখেৰে 'ফু' দি বজোৱা সমস্ত বাদ্যকেই সুষিৰ যন্ত্ৰ বোলে। ভগৱান শ্ৰীকৃষ্ণৰ হাতৰ বাঁহী, পাঞ্চজন্য শংখটো, মহৰ শিঙৰ পেঁপাটো আদি সকলোবোৰ বাদ্য সুষিৰ যন্ত্ৰৰ শাৰীত পৰে।

**৪) আনৰ্দ্ধ অথবা অৱনদ্ধ বাদ্য যন্ত্ৰ ঃ**

জীৱ-জন্তুৰ ছালেৰে নিৰ্মিত বাদ্যসমূহকে আনৰ্দ্ধ অথবা অৱনদ্ধ বাদ্য যন্ত্ৰ বোলে।

**ক। ঢোল ঃ**

'বিহু' বুলিলে 'ঢোল' বাদ্যটি অপৰিহাৰ্য। অৱশ্যে 'ঢোল' বাদ্যটিয়ে অকল যে বিহু গীত-নাচতেই ব্যৱহাৰ হয় তেনে নহয় আন আন বহু মাঙ্গলিক অনুষ্ঠানত ঢোলৰ ব্যৱহাৰ কৰাও দেখা যায়। এই ঢোল জাতীয় বাদ্যটি অতি প্ৰাচীন। সেই গতিকে ইয়াক দেৱ বাদ্য বুলিও কোৱা হয়। ঢোলৰ মাত নুশুনা বা নেদেখা লোক ক'তো নাই। ঢোলৰ 'মাত' বা 'শব্দ' সৃষ্টিধৰ্মী। ঢোলৰ শব্দই দেহত উন্মাদনা আনে। বিহু নাচ-গীতত বজোৱা ঢোলটোক 'বিহু ঢোল' আৰু ওজাসকলে প্ৰতিযোগিতাত বজোৱা ঢোলটোক 'ওজা ঢোল' বুলিও নামাকৰণ কৰা হয়। দেখা যায় এই বাদ্যটি অতি গুৰুত্বপূৰ্ণ বাদ্য।

পৰম্পৰাগতভাৱে যুগ-যুগান্তৰৰ পৰা চলি অহা এই বাদ্যটিৰ লগত দেৱতা, গন্ধৰ্ব-কিন্নৰসকলৰ নামো সাঙোৰ খাই থকা দেখা যায়। এইবোৰ কাৰণতে ইয়াক দৈৱ বাদ্য বোলে।

**খ। তাল ঃ**

সংগীত শাস্ত্ৰত তালৰ বৰ্ণনা ব্যাপক। তাল বিহীন সংগীত নিৰৰ্থক বুলি জ্ঞান কৰা হয়। নৃত্য-গীত-বাদ্য অৰ্থাৎ একত্ৰে যাক সংগীত বুলি কোৱা হয়। তাত যদি তাল ভংগ হয় অথবা তালৰ ব্যৱহাৰ নহয়, তেতিয়াহ'লে সেইলেখিয়া সংগীতৰ কোনো মূল্য নাই। আমাৰ বিহু ঢোলৰ

লগত যি তাল ব্যৱহাৰ কৰা হয়, তাক পাতি তাল বোলে। তালুৱৈসকলৰ তাল বজোৱাৰ কৌশললৈ চালে চাই থাকিবৰ মন যায়। সেইবোৰ কৌশল অতিকৈ চমকপ্ৰদ।

**গ। শিঙৰ পেঁপা ঃ**

বিহু নৃত্যৰ গীতৰ সৈতে মহৰ শিঙৰ পেঁপাৰ ওতঃপ্ৰোত সম্বন্ধ আছে। মহৰ শিঙৰ উপৰি মেথোনৰ শিঙেৰেও পেঁপা তৈয়াৰ কৰে। মুষিৰ যন্ত্ৰৰ অন্তৰ্গত এইবিধ বাদ্যৰ তৈয়াৰী প্ৰক্ৰিয়াটো তেনেই মন কৰিবলগীয়া বিষয়। নল-খাগৰিৰ চুপহি, বাঁহৰ আগৰ গাঁঠিযুক্ত ঠুৰিৰে নিৰ্মিত হয় মূল দিয়া অংশটো আৰু সেই অংশটোৰ লগত নল-খাগৰিৰ চুপহি নামৰ অংশটি সংলগ্ন কৰা তিনিটা বিন্ধাযুক্ত বাঁহী সদৃশ অংশটোৰে সম্পূৰ্ণ হয় মহৰ শিঙৰ পেঁপাটি।

**ঘ। গগণা ঃ**

এইবিধ বাদ্যও 'মুষিৰ' যন্ত্ৰৰ অন্তৰ্গত। থলুৱা কুটীৰ শিল্পৰ অন্যতম উপাদান এইবিধ বাদ্য সাজি উলিওৱা প্ৰক্ৰিয়াটো অতি চমকপ্ৰদ। গগণাৰ শব্দ ভেকুলীৰ মাতৰ দৰে। ভেকুলীৰ মাতক অনুসৰণ কৰিয়েই হয়টো অতীতৰ কৃষিজীৱিসকলে বৰষুণ আহ্বান কৰি গগণা সাজি খেতি পথাৰতো বজাইছিল। খেতি পথাৰত সময়মতে বৰষুণ নহ'লে খেতিয়কসকলে ঢেঁকী পোতা, গগণা বজাই কৃত্ৰিম ভেকুলীৰ মাত মাতি বৰষুণৰ বাবে মেঘক বা বৰুণ দেৱতাক অনুৰোধসূচক প্ৰাৰ্থনা কৰা দস্তুৰ অতি প্ৰাচীন। পিছলৈ গগণা নামৰ এই বাদ্যটি বিহু গীতত ব্যৱহাৰ কৰিবলৈ লোৱা হয়।

**ঙ। টকা ঃ**

এডোখৰ গোটা বাঁহ ফালি গাঁঠিযুক্ত ফালে দুয়ো হাতেৰে ধৰিব পৰাকৈ সুবিধা অনুপাতে কাটি লৈ পোৱা এবিধ থলুৱা বাদ্যযন্ত্ৰ; ইয়াকেই টকা বোলে। খেতিয়কসকলে এইবিধ যন্ত্ৰও খেতি পথাৰত বজাই আনন্দ কৰিছিল। খেতি পথাৰত ধান পকিবৰ সময়ত পকাধান খাবলৈ অহা চৰাই-চিৰিকটিক হুৰাই দিবৰ বাবে খেতি পথাৰৰ মাজত টঙি সাজি লৈ তাত বজাই থাকে। টক্‌টক্‌কৈ শব্দ উঠা বাবে বাদ্যটিৰ নাম হয়তো টকা বুলি নামাকৰণ কৰিছিল। সময়ৰ সোঁতত পৰি এইবিধ বাদ্যও বিহুৰ অন্যতম বাদ্য হিচাপে চিহ্নিত হয়।

**চ। সুতুলী ঃ**

ডেকা ল'ৰা-ছোৱালীয়ে সুহুৰি মাৰি সংকেত দিয়া, সুহুৰিয়াই গীতৰ সুৰ ধৰা কাৰ্যৰ পৰায়ে সুতুলীৰ আৱিষ্কাৰ বুলিব পাৰি। আগৰ দিনত নল-খাগৰিৰ পেঁপা, গছৰ কুঁহিপাতৰ পেঁপা, শামুকৰ শুকান খোলাৰ পেঁপা সাজি বজাইছিল। আজিকালি তাৰ পৰিৱৰ্তে মাটিৰ সুতুলি সাজি নাইবা আগলি বাঁহৰ সৰু চূড়াত সুতুলী সজোৱা দেখা যায়। বিহু গীত-নাচত এইবিধ যন্ত্ৰও ব্যৱহাৰ কৰা হয়। ❑

# Global Warming



Raisumai Basumatary

The sky over all the large cities and industrial centre is found to remain smoky. This is mainly because carbon-di-oxide and various other gases which come out from the industries and vehicles float in the atmosphere of these places. Man is using now-a-days great quantities of coal, oil and natural gas. Their use to light a fire or drive an engine immediately gives out carbon-di-oxide and other gases that pollute air. It is estimated the coal, oil and natural; gas used in 1860, together produced an amount of energy equivalent to that produced an amount of energy equivalent to that produced by 10,000 million tones of coal. The carbon-di-oxide, methane and other gases that come out from the use of coal, petroleum and natural gas, decomposition of refuses in the villages and towns, forest fire and domestic fire have now almost saturated our atmosphere.


On the otherhand, the amount of $CO_2$ consumed by plants has decreased due to destruction of forests. As a result, the amount of $CO_2$ in the atmosphere has been increasing. This has led to an increase of temperature of the atmosphere. It is estimated that the temperature of the atmosphere has increased by about 3°C in the last 300 years. such a phenomenon of increase in the temperature of atmosphere is called 'Green House effect'. There has been increase of temperature all over the world and hence this phenomenon is known as 'Global Warming'.

Many species of plants and animals have found it difficult to live because of increase in the temparature of the atmosphere. They are in their way of extinction. Besides, global warming has also led to melting of ice sheets over the high mountains and polar areas. Apart from global warming, there has been an increase of the amount of nitrus Oxide (NO), nitrogendioxide ($NO_2$), Sulpherdioxide ($SO_2$) and such other gases in the atmosphere. As a result of this, sometimes acid rain occurs in northern U.S.A., Canada, North Western Europe, Scandinavia and Russia.❑

# আমাৰ বিশ্বব্ৰহ্মাণ্ড

বিকাশ শৰ্মা






ৰাতিৰ আকাশত আমি অসংখ্য তৰা দেখা পাওঁ। এই তৰাবোৰৰ বেছিভাগেই নক্ষত্ৰ আৰু বাকীবোৰ গ্ৰহ। নক্ষত্ৰবোৰৰ নিজা তাপ আৰু পোহৰ আছে কিন্তু গ্ৰহবোৰৰ নিজা তাপ আৰু পোহৰ নাই। গ্ৰহ, নক্ষত্ৰ আদি আকাশী পিণ্ডবোৰে মহাকৰ্ষণ বলৰ দ্বাৰা আৱদ্ধ হৈ আছে। সকলো ভৰযুক্ত বস্তুৱে এটাই আনটোক আকৰ্ষণ কৰে। এই আকৰ্ষণী বলটোৱেই হ'ল মহাকৰ্ষণ বল। এই বলৰ বাবেই ওপৰৰ পৰা দলিয়াই দিয়া আপেল এটা পুনৰ আমাৰ হাতলৈ ঘূৰি আহে, পানী ওপৰৰ পৰা তললৈ বয় আনকি এই বলৰ বাবেই গ্ৰহ, নক্ষত্ৰবোৰে এটাই আনটোক আকৰ্ষণ কৰে আৰু এটা সাম্যাৱস্থা বজাই ৰাখে।

মহাকৰ্ষণ বলৰ বাবে গ্ৰহ-নক্ষত্ৰবোৰে এটাই আনটোক আকৰ্ষণ কৰাৰ উপৰিও মহাকাশত থকা গেছ, ধূলিৰ কণিকা আদিয়ে কিছুমান নিৰ্দিষ্ট আকাৰ লয়। এনে গ্ৰহ, নক্ষত্ৰ, গেছ, ধূলি ইত্যাদিৰ বিশাল আকাৰক তাৰকাৰাজ্য (Galaxy) বোলে। আমি বাস কৰা তাৰকাৰাজ্যখন হ'ল হাতীপটি তাৰকাৰাজ্য। ইয়াত প্ৰায় $১০^{১১}$ টা মান তৰা আছে। এই তাৰকাৰাজ্যবোৰে মহাকৰ্ষণ বলৰ বাবে এখনে আনখনক আকৰ্ষণ কৰে আৰু কেইখনমান তাৰকাৰাজ্য লগ হৈ তাৰকাৰাজ্যৰ থূপ এটা গঠন

কৰে। এই থূপবোৰে আন থূপবোৰক আকৰ্ষণ কৰে আৰু বিশাল আকাৰ কিছুমান গঠন কৰে। এই আকাৰবোৰক Galaxy cluster বোলে। এই Galaxy cluster বোৰেও আন Galaxy cluster বোৰক আকৰ্ষণ কৰে আৰু Galaxy supercluster গঠন কৰে। এই গঠনবোৰক large scale structure বোলা হয়।

গতিকে বিশ্বব্ৰহ্মাণ্ড বুলি ক'লে সাধাৰণতে পৃথিৱী, গ্ৰহ-উপগ্ৰহ, সৌৰজগত, তাৰকাৰাজ্য, মহাশূন্য আদিৰে ভৰা এক বিশাল মহাকাশৰ ধাৰণা মনলৈ আহে। ইয়াক এনেদৰেও ক'ব পাৰি যে আমি অনুধাৱন কৰিব পৰা সকলো বস্তুকেই অকল নুবুজায়। সকলো ৰূপৰ পদাৰ্থ, শক্তি লগতে স্থান-কাল (space-time)ক একেলগে বিশ্বব্ৰহ্মাণ্ড বুলি ক'ব পাৰি।

কিছুমান নতুন পৰীক্ষাৰদ্বাৰা গম পোৱা গৈছে যে বিশ্বব্ৰহ্মাণ্ডত আমি দেখা পোৱা পদাৰ্থৰ উপৰিও কিছুমান অদৃশ্য পদাৰ্থ আছে। এইবোৰক ডাৰ্ক মেটাৰ (Dark Matter) বোলে। তাৰোপৰি কিছুমান অজান শক্তিয়ে বিশ্বব্ৰহ্মাণ্ডৰ প্ৰসাৰণ ত্বৰিত কৰি আছে। এই শক্তিক ডাৰ্ক এনাৰ্জি (Dark Energy) বোলে। ডাৰ্ক মেটাৰ বা ডাৰ্ক এনাৰ্জিৰ বিষয়ে এতিয়াও ভালদৰে গম পোৱা হোৱা নাই। এইবোৰৰ ওপৰত বস্তুত

অতি প্ৰয়োজনীয়। বিজ্ঞানীসকলে বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি সম্পৰ্কে বিভিন্ন ধাৰণা আগবঢ়াইছে যদিও বিগ বেং (Big Bang) নামৰ তত্ত্বটোৱে বিশ্বব্ৰহ্মাণ্ড সম্পৰ্কে সকলোতকৈ গ্ৰহণযোগ্য ব্যাখ্যা দিব পাৰিছে। এই তত্ত্বমতে আজিৰ পৰা প্ৰায় ১৩.৮২ বিলিয়ন বছৰ আগতে বিশ্বব্ৰহ্মাণ্ডৰ সকলোখিনি পদাৰ্থ আৰু শক্তি এটা বিন্দুত থূপ খাই আছিল। এই অৱস্থা বা দশাটোৰ নাম হৈছে প্লাংক দশা। এই দশাৰ পৰাই সকলোবোৰ পদাৰ্থ আৰু শক্তি প্ৰসাৰিত হ'ব ধৰিলে আৰু আজিও প্ৰসাৰিত হৈ গৈ আছে। এনেকৈয়ে আমাৰ বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি হৈছে। বিগ বেং তত্ত্বই বিশ্বব্ৰহ্মাণ্ডৰ বিভিন্ন পৰিঘটনা ব্যাখ্যা কৰিব পাৰিছে।

**ইতিহাসৰ পাতত বিশ্বব্ৰহ্মাণ্ডৰ ধাৰণা ঃ** প্ৰাচীন কালৰ পৰাই মানুহে বিশ্বব্ৰহ্মাণ্ড সম্পৰ্কে নানা জ্ঞান লাভ কৰি আহিছে। তেওঁলোকে এই ধাৰণাবোৰ লিপিবদ্ধ কৰি থৈছিল ফলত আজি আমি তেওঁলোকৰ ধাৰণাবোৰ জানিবলৈ সক্ষম হৈছো। এই ধাৰণাবোৰৰ ভিতৰত তলত উল্লেখ কৰা ধাৰণাকেইটাই বিখ্যাত।

**বেবিলনীয় ধাৰণা ঃ** আজিৰ পৰা ৩৫০০ বছৰ আগতে গঢ়ি উঠা বেবিলনীয় সভ্যতাৰ লোকসকলৰ ধাৰণা আছিল যে বিশ্বব্ৰহ্মাণ্ডখন ভগৱানে সৃষ্টি কৰিছে। তেওঁলোকে ভাবিছিল যে সূৰ্য, চন্দ্ৰ, তৰাবোৰ স্বৰ্গৰ অংশ আৰু পৃথিৱীখন

**টলেমীৰ ধাৰণা ঃ** ইজিপ্তৰ জ্যোতিৰ্বিদ টলেমীৰ ধাৰণামতে পৃথিৱীখন বিশ্বব্ৰহ্মাণ্ডৰ কেন্দ্ৰত আছে আৰু সূৰ্যৰ লগতে আন গ্ৰহবোৰে পৃথিৱীৰ চাৰিওফালে ঘূৰি আছে আৰু দূৰৈত থকা তৰাবোৰ এটা প্ৰকাণ্ড গোলকৰ অন্তঃপৃষ্ঠত লাগি আছে।

**কোপাৰনিকাছৰ ধাৰণা ঃ** পোলেণ্ডৰ সন্যাসী আৰু জ্যোতিৰ্বিজ্ঞানী নিকোলাছ কোপাৰনিকাছে ১৫৪৩ চনত দেখুৱায় যে বিশ্বব্ৰহ্মাণ্ডৰ কেন্দ্ৰত সূৰ্য আছে আৰু পৃথিৱীয়ে আন গ্ৰহকেইটাৰ সৈতে সূৰ্যৰ চাৰিওফালে ঘূৰি আছে। এই ধাৰণা সকলোৱে লগে লগে মানি ল'ব পৰা নাছিল কিয়নো টলেমীৰ ভূ-কেন্দ্ৰিক ধাৰণা বাইবেলৰ দ্বাৰা সমৰ্থিত হৈছিল।

আজি আমাৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা ইমান আগবাঢ়িছে যে আমি বিশ্বব্ৰহ্মাণ্ডৰ বহু গভীৰলৈ যাবলৈ সক্ষম হৈছো। ফলত বিশ্বব্ৰহ্মাণ্ড সম্পৰ্কে আমাৰ জ্ঞান আৰু স্পষ্ট হৈ গৈ আছে।

**নক্ষত্ৰৰ বিষয়ে কিছু কথা ঃ** আমি আকাশত দেখা তিৰবিৰাই থকা তৰাবোৰেই হ'ল নক্ষত্ৰ। ই শক্তি সৃষ্টিৰ এক উৎস। নক্ষত্ৰৰ কেন্দ্ৰত ঘটি থকা নিউক্লীয় সংযোজন বিক্ৰিয়া। এই বিক্ৰিয়াৰ ফলত সৃষ্টি হোৱা শক্তিয়ে বৰ্হিমুখী চাপ দিয়ে আৰু কেন্দ্ৰভিমুখী প্ৰবল মহাকৰ্ষণ বলক প্ৰতিহত কৰি নক্ষত্ৰটোক এটা সুস্থিৰ অৱস্থাত ৰাখে।

এতিয়া প্ৰশ্ন হ'ল নিউক্লিয়াছনো কি? আমি সকলোৱে জানো যে সকলো পদাৰ্থ অনুৰ দ্বাৰা গঠিত আৰু অনুবোৰ পৰমানুৰ দ্বাৰা গঠিত। এই পৰমানুবোৰ আকৌ তিনিবিধ কণাৰ দ্বাৰা গঠিত — ইলেকট্ৰন, প্ৰ'টন আৰু নিউট্ৰন। প্ৰ'টন আৰু নিউট্ৰনবোৰে সবল বলৰ দ্বাৰা লগ হৈ থাকে আৰু ইলেকট্ৰনবোৰে ইয়াৰ চাৰিওফালে ঘূৰি থাকে। পৰমানুৰ কেন্দ্ৰত থকা এই প্ৰ'টন আৰু নিউট্ৰনৰ থূপটোক পৰমানুৰ নিউক্লিয়াছ বোলে।

**নক্ষত্ৰৰ জন্ম ঃ** প্ৰাণীৰ দৰে নক্ষত্ৰৰো জন্ম আৰু মৃত্যু আছে। মহাকাশত থকা হাইড্ৰ'জেন গেছৰ বিশাল ডাৱৰবোৰ মহাকৰ্ষণ বলৰ বাবে সংকুচিত হ'বলৈ ধৰে। সংকোচনৰ ফলত ই গোলাকাৰ হ'ব ধৰে আৰু ইয়াৰ কেন্দ্ৰত তাপ উৎপন্ন হ'ব ধৰে। এই উষ্ণতা যেতিয়া নিউক্লীয় সংযোজন বিক্ৰিয়াৰ বাবে প্ৰয়োজনীয় উষ্ণতাৰ সমান হয় তেতিয়া হাইড্ৰ'জেন নিউক্লিয়াছবোৰ লগ হৈ ইয়াতকৈ গধূৰ হিলিয়াম নিউক্লিয়াছলৈ পৰিৱৰ্তিত হয়। এই বিক্ৰিয়াৰ ফলত সৃষ্টি হোৱা শক্তিবোৰ তাপ আৰু পোহৰৰ ৰূপত নক্ষত্ৰটোৰ পৰা নিৰ্গত হয়। যেতিয়ালৈ নিউক্লীয় সংযোজন বিক্ৰিয়া নক্ষত্ৰটোত ঘটি থাকে তেতিয়ালৈ ই তাপ আৰু পোহৰ বিকিৰণ কৰি থাকে।

**নক্ষত্ৰৰ মৃত্যু ঃ** নক্ষত্ৰ এটাৰ কেন্দ্ৰত থকা আটাইবোৰ হাইড্ৰ'জেন যেতিয়া হিলিয়ামলৈ ৰূপান্তৰিত হয় তেতিয়া নক্ষত্ৰটোত নিউক্লীয় সংযোজন বিক্ৰিয়া বন্ধ হয়। ফলত নক্ষত্ৰটো শক্তি উৎপাদন বন্ধ হ'ব ধৰে। তীব্ৰ সংকোচন ফলত ইয়াৰ কেন্দ্ৰভাগৰ উষ্ণতা আকৌ বৃ হ'বলৈ ধৰে। উষ্ণতা যেতিয়া বহুত বেছি হ তেতিয়া কেন্দ্ৰৰ হিলিয়াম নিউক্লিয়াছবো

নিউক্লীয় সংযোজন ঘটি কাৰ্বন নিউক্লিয়াছৰ সৃষ্টি হয়।এই বিক্ৰিয়াৰ সময়ত বহিৰ্মুখী বিকিৰণ চাপৰ মান ইমান বেছি হয় যে ই নক্ষত্ৰটোৰ বহিৰ্ভাগ বহু দূৰলৈ ঠেলি দি ইয়াৰ আকাৰ অতি বৃহৎ কৰি দিয়ে। ইয়াৰ ফলত নক্ষত্ৰটো দেখিবলৈ ৰঙা হৈ পৰে। ইয়াক ৰঙা দানৱ (Red giant) বোলা হয়। যদি নক্ষত্ৰটোৰ ভৰ কম হয় তেতিয়া ৰঙা দানৱ অৱস্থা পোৱাৰ পিছত ইয়াৰ বাহিৰৰ খোলটো আঁতৰি যায় আৰু অকল অতি ঘন কেন্দ্ৰ অংশ ৰৈ যায়।ইয়াত কোনো ধৰণৰ বিক্ৰিয়া নহয়।এই অকলশৰীয়া মৃত নক্ষত্ৰটোক বগা বামন (White dwarf) বোলে। যদি নক্ষত্ৰটোৰ ভৰ বেছি হয় তেতিয়া নক্ষত্ৰটোৰ কেন্দ্ৰত নিউক্লীয় সংযোজন বিক্ৰিয়া ঘটি থাকে আৰু অৱশেষত কেন্দ্ৰত লো (Iron) সৃষ্টি হয়। ইয়াৰ পিছত নক্ষত্ৰটোত এটা প্ৰৱল বিস্ফোৰণ ঘটে আৰু ইয়াৰ বাহিৰৰ অংশখিনি আঁতৰি যায় আৰু অকল লোৰ কেন্দ্ৰটো ৰৈ যায়। এই বিস্ফোৰণটোক ছুপাৰনোভা বিস্ফোৰণ (Supernova explosion) বোলা হয়। যদি লোৰ কেন্দ্ৰ অংশৰ ভৰ মজলীয়া ধৰণৰ হয় তেতিয়া ই নিউট্ৰনলৈ ৰূপান্তৰিত হয় আৰু ইয়াৰ সংকোচন বন্ধ হয়। এনেকুৱা মৃত তৰাক নিউট্ৰন তৰা (Neutron star) বোলে। ইহঁতৰ অতি শক্তিশালী চুম্বকক্ষেত্ৰ থাকে আৰু তাৰ বাবে কিছুমান নিউট্ৰন তৰাৰ পৰা পৰ্যাবৃত্তভাৱে বিদ্যুৎ চুম্বকীয় তৰংগ আমাৰ চকুত পৰে। এইবোৰ তৰাক পালচাৰ (Pulsar) বোলে।ছুপাৰনোভা বিস্ফোৰণৰ পিছত ৰৈ যোৱা নক্ষত্ৰৰ কেন্দ্ৰৰ ভৰ যদি বহুত বেছি হয় তেতিয়া ইয়াৰ সংকোচন কেতিয়াও বন্ধ নহয়। ক্ৰমে ইয়াৰ আকাৰ সৰু হৈ গৈ থাকে আৰু ইয়াৰ মহাকৰ্ষণিক শক্তিৰ মান বাঢ়ি গৈ থাকে। এটা সময়ত ইয়াৰ মহাকৰ্ষণিক শক্তিৰ মান ইমান বেছি হয় যে ইয়াৰ পৰা কোনো বস্তু আনকি পোহৰো ওলাই আহিব নোৱাৰা হয়। এনেকুৱা মৃত নক্ষত্ৰক কৃষ্ণ গহ্বৰ (Black hole) বোলে। কৃষ্ণ গহ্বৰবোৰ অদৃশ্য হয়। কিন্তু ইহঁতৰ অস্তিত্বৰ উমান পোৱা যায়।

আমাৰ সূৰ্যটোও এটা নক্ষত্ৰ। ইয়াৰো এক নিৰ্দিষ্ট পৰিমাণৰ হাইড্ৰ'জেন আছে। ইয়াত থকা হাইড্ৰ'জেনবোৰ শেষ হোৱাৰ পিছত ই এটা বগা বামন তৰালৈ ৰূপান্তৰিত হ'ব। লাহে লাহে ইয়াৰ উজ্বলতা নোহোৱা হৈ যাব। এটা সময়ত ই সম্পূৰ্ণভাৱে আন্ধাৰ হৈ যাব। যিটো সূৰ্য্যই আমাক তাপ পোহৰ দিছিল সেইটো সূৰ্য্য নিজেই অন্ধকাৰত ডুব যাব। পিছে সেই দিন আহিবলৈ এতিয়াও বহুত বাকী। যদি মানৱ জাতি জীয়াই থাকে তেতিয়াহ'লে মানুহে নিজক বচাবলৈ কোনো বেলেগ নক্ষত্ৰৰ কোনো গ্ৰহলৈ মানুহ যাব লাগিব।□

# Higher Education and Quality Maintenance



Mridula Das

Today institutions of higher education are expected to perform roles drastically different from the ones for which they were established. "Low quality of education affects development in the country. At a time when the country is liberalizing economy and entiring the global market, we need to stress quality higher education. It is said that nature of the market economy that only those who are efficient maintain high productivity and quality will survive. Without high quality, it is difficult for the Indian institutions, whether industry or education." - Reddy (1994).


There is a growing concern of assuming quality at all levels of education especially in higher education in the present educational scenario. Higher education is considered as the apex of formal education. It includes greater specialization necessitated by rapid socio-economic and industrial development. Quality in higher education today has become a primary concern of countries all over the world. When higher education is concieved as production of highly qualified manpower, the graduates are seen as products whose career earnings and employment will relate to the education that they have received. When higher education is link to training for research careers, the performance indicators then become the research output of staff and student.

The International Network of Quality Assurance Agencies in Higher Education is of the view that "quality assurance may relate to a programme, an institution or a whole higher education system. In each case quality is of those attitudes, objects, action and procedures which, through their existence and use, and together with quality control activities; ensure that appropriate academic students are maintained and enhanced in and by each programme." Nobody is denying the quality maintainance in higher education level. Really quality in education has to be a continuous journey. Thu quality education implies comprehen sively developing individuals to their fu potentials, unfolding the perfection a ready in man and woman.



# যোগ আৰু স্বাস্থ্য

মিতালী শৰ্মা



জন্তুনাং মানৱঃ শ্ৰেষ্ঠ অৰ্থাৎ জন্তু আৰু প্ৰাণীবোৰৰ ভিতৰত মানৱ জতিটোৱেই শ্ৰেষ্ঠ। এই মানৱ জাতিয়েই চিন্তা, ভাৱনা, তপ, জপ ধ্যান-ধাৰণাৰে বিশ্ব ব্ৰহ্মাণ্ডৰূপে যি বৈজ্ঞানিক পদ্ধতিৰে অভ্যাস কৰি সাধনাৰ চূড়ান্ত পৰ্যায়ত উপনীত হৈ ভূত, ভৱিষ্যৎ আৰু বৰ্তমানৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰে সেয়ে যোগ।

সংস্কৃত যুজ্ ধাতুৰ পৰা যোগ শব্দৰ জন্ম হৈছিল যাৰ অৰ্থ হ'ল যুক্তকৰণ বা একত্ৰিকৰণ। জীৱাত্মাৰ লগত পৰমাত্মাৰ মিলনেই হ'ল যোগ। যোগৰ উৎপত্তি সম্বন্ধে বিভিন্ন জনে বিভিন্ন মত পোষণ কৰে যদিও ভাৰতীয় সংস্কৃতিত, ভাৰতীয় সনাতন হিন্দু ধৰ্মত দেৱাদিদেৱ মহাদেৱ শিৱই হ'ল যোগৰ স্ৰষ্টা। মহেঞ্জোদাৰৰ আৱিস্কৃত ধ্বংসাৱশেষৰ পৰা যোগৰ প্ৰচলনৰ প্ৰমাণ পোৱা যায়।

যৌগিক আসন, মুদ্ৰা আৰু প্ৰাণায়ামৰ দ্বাৰা স্নায়ু, পেশী, ধমনী, গ্ৰন্থি, হৃদপিণ্ড, ফুচফুচ আদি ইমানেই সবল আৰু প্ৰাণৱান হৈ উঠে যে কোনো ৰোগ বিষ বা বিজানু দেহত প্ৰৱেশ কৰি বৃদ্ধি পোৱাৰ সুযোগ নাপায়। ইয়াৰ দ্বাৰা অকাল মৃত্যু জয় কৰিব

পাৰি।

যৌগিক আসনক দুটা ভাগত ভগোৱা হৈছে-

১) ধ্যানাসন আৰু

২) স্বাস্থ্যাসন।

ধ্যানাসনবোৰ যোগৰ উচ্চাঙ্গ ধ্যান, ধাৰণা, সমাধি আদি অভ্যাসৰ বাবে ব্যৱহৃত হয়। যেনে - পদ্মাসন, বজ্রাসন ইত্যাদি।

আনহাতে স্বাস্থ্যাসনবোৰে দেহৰ স্নায়ু আৰু পেশীবোৰক সুস্থ, সবল কৰি নিৰোগী দেহ লাভ কৰিবলৈ সহায় কৰে। যেনে - ভূজাঙ্গাসন, ধনুৰাসন আদি। যোগাসনৰ গুণাগুণ বিচাৰ কৰিলে দেখা যায় যে ই তেজ চলাচল ক্রিয়াক উন্নত কৰে আৰু দেহক সুস্থ ৰাখে। ভাৰতৰ ঋষি-মুনি, সন্যাসী, ৰজা, মহাৰজা সকলোৰে যোগ সাধনা কৰিছিল। এই সাধনা প্রণালীৰ দ্বাৰা মানুহৰ শাৰীৰিক, মানসিক, নৈতিক, আধ্যাত্মিক দিশৰ উন্নতি ঘটায় মন আৰু দেহৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্রণ লাভ কৰিব পাৰে।

বৰ্তমান যুগত স্বাস্থ্যাসনৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। যাৰ দ্বাৰা মানুহৰ নানান ধৰণৰ চিকিৎসা বিজ্ঞানেও আৰোগ্য কৰিব নোৱাৰা ৰোগসমূহ আৰোগ্য কৰিবলৈ সক্ষম হৈছে। ঔষধে সাময়িকভাৱে ৰোগ আৰোগ্য কৰে কিন্তু এই উদৰস্থ ঔষধবিধে আকৌ নতুন ৰোগৰ সৃষ্টি কৰে। কিন্তু যোগ সাধনাৰ ফলত দেহৰ কোনো ক্ষতি নহয় সেয়েহে এৰৈশ শতিকাৰ চিকিৎসক সকলেও যোগৰ গুৰুত্ব মানি লৈ ৰোগ আৰোগ্যৰ ক্ষেত্ৰত ইয়াক ব্যৱহাৰ কৰা দেখা যায়।

যোগ অভ্যাস কৰোতে কোনো যোগ আচাৰ্য্যৰ তত্ত্বাৱধানত থাকিহে প্ৰথমতে অভ্যাস কৰিব লাগে কাৰণ এই বিদ্যা বিজ্ঞানসন্মত। পৃথিৱীৰ বিভিন্ন দেশত এই যোগ অতি জনপ্ৰিয় হৈ আহিছে আৰু অকাল বৃদ্ধ বনিতাই যোগাভ্যাস কৰি নিজৰ স্বাস্থ্য নিৰোগী কৰি ৰাখিবলৈ আৰু অকাল মৃত্যু জয় কৰিবলৈ সক্ষম হৈছে।

বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীৰ দৈহিক আৰু মানসিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয় সমূহতো যোগক এটা গুৰুত্বপূৰ্ণ বিষয় হিচাপে স্বীকৃতি দিছে।

সেয়েহে আমি এখন স্বাস্থ্যৱান আৰু নিকা সমাজ গঢ়িবলৈ যোগাভ্যাস কৰাতো নিতান্তই প্ৰয়োজন।❑

# Globalization - It's Impact on Our Society

Tandraleem Kashyap



Today Globalization is a familiar word, known to one and all - be it a kid or an old, irrespective of their social, economic backgrounds. It is now a no longer thing of luxury or fascination to wait for in an anticipation. Globalization has now enabled to cross bars to reach out to people which was earlier almost imposible in the stereotypically prevalent society.

Introducing Globalization as a glorious nightmare would be less right, rather it should be defined as the process of increasing interdependence, interconnectedness and integration of economics and society to an extent that an event in one part of globe affect people in other of the world. So as 21st century people we have already witnessed Globalization and if not we ought to do so. Globalization has provided movement of goods, services, people, ideas, technology and most importantly reformed our society with certain modernities, moreover the women population which was a socially deprived section from times immemorial have now geared up, mobilizing and raising up their voices against several oddities on the virtue of Globalization. Hence now it is a clear cut instinct that Globalization has paved out to people in mass with all arms in hand and so we would run out short of words describing it.

To discuss a few, we can not neglect the impact of Globalization on Assamese women. To answer to the question 'now' we must go with examples of women trading muga, eri, pat in the global market. Bamboo crafting, pital industry are now no longer under restricted trade barrier to be sold in market. With this place like Sualkuchi has budded out to be called 'Manchester of Assam' which was

predominated by a socially under privileged and backward society.

Talking about the youth which constitute a major portion of our society, are all well equiped with latest innovatives of mankind - the cellphones, i-pad, laptops and so many other electronic goods. Today these technologies have reached the milestone to cross various landmarks in the global market.

Globalization has globally made it possible to carry out foreign exchange and enhanced the earnings of entrepreneurs in stock market, e-commerce, entire shopping, social networking and even the online studies are now seen carried out by different institutions across the globe.

The political, educational, cultural fields have now rised up to an extent which was never thought to be possible in their respective area. These have broken the trend of dark shadows of traditional sarcasms and have interwoven bonds of integrity around the world.

No doubt, we can go up adding to our list various benefits of Globalization but we cann't ignore the ill-effects of it. We know that a coin always has a head or a tail, in the same way Globalization is both a boon as well as a curse to people. There are rising stories, in fact realities more correctly of exploitation on environment, some sections of people who are still in a wait of better opportunities by a few unwise sections of people managing from the big entrepreneurs to a normal man around us who are destined harm the people with all social evils like corruption, terrorism, internet hacking etc. Many learned individuals are being criminally cheated who approach the large companies for the advertised job guarantees on payment of a handsome amount of money. The mobile phones which we use also have effects that may malfunction the existing harmony and dignity of the society of which everyone is aware of.

So individuals from all backgrounds are now required to be responssible of their own life, future and security purposes and accept only the needful effects of Globalization, emphasize on being fruitful and prosperous rather than being selfish about own demands. As the citizens of today's world, it is our utmost duty to go hand in hand with Globalization and its positive impacts.❑



# বৰ্তমান অসমীয়া সমাজ জীৱনত ব'হাগ বিহুৰ ভূমিকা

চন্দনা বৰ্মন

ব'হাগ হ'ল অসমীয়া জাতীয় জীৱনৰ লগত জড়িত হৈ থকা এটি বিশেষ মাহ। ইয়াক অসমীয়া জাতীয় আৰু সাংস্কৃতিক জীৱনৰ ধাৰক আৰু বাহক বুলি ক'ব পাৰি। অতীজৰে পৰা ব'হাগ বিহুৱে অসমীয়া জাতিৰ মনত এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। ব'হাগৰ ৰঙালী বিহুৱে গছে-পাতে সেউজীয়া ৰহন সানি আনে সৃষ্টিৰ বতৰা, কুলি-কেতেকীৰ মিঠা মাতে, ঢোল-পেঁপা-গগণাৰ মাতে বসন্তক আদৰাৰ প্ৰস্তুতি চলায়। অসমীয়া লোকজীৱনৰ মনলৈ আনে আনন্দ সম্প্ৰীতিৰ বতৰা। এইখিনিতে গীতিকাৰ ডঃ ভূপেন হাজৰিকাদেৱে গোৱা এটি গীতৰ কলি মনলৈ আহে

ব'হাগ মাথোঁ এটি ঋতু নহয়।
নহয় ব'হাগ এটি মাহ।।
অসমীয়া জাতিৰ ই আয়ুস ৰেখা।
জনজীৱনৰ ই সাহ।।

এই গীত ফাঁকিয়েই আমাৰ সকলোৰে উপলব্ধিৰ বাবে যথেষ্ট যে ই আমাৰ অসমীয়া জাতীয় জীৱনৰ অমূল্য সম্পদ।

কিন্তু দেখা যায় যে বৰ্তমান সময়ত পাশ্চাত্য সংস্কৃতিৰ প্ৰভাৱত পৰি ব'হাগ বিহুৱে নিজৰ স্বকীয় মৰ্যাদা হেৰুৱাৰ উপক্ৰম হৈছে। কিন্তু বৰ্তমান সময়ত ব'হাগ বিহু বুলিলে সস্তীয়া গান-বাজানা, ফাংচন, যুৱ উশৃংখলতাৰ পয়োভৰ দেখা যায়। আজি অসমীয়া নৱ প্ৰজন্মৰ প্ৰায় ভাগেই নুবুজে ব'হাগ বিহুৰ মহত্ব আৰু অসমীয়া লোক-সংস্কৃতি আৰু সাজপাৰৰ গুৰুত্ব। ফোপোলা আধুনিকতাৰ ধামখুমীয়াত অসমীয়া সমাজ জীৱনত ব'হাগ বিহুৰ গুৰুত্ব হেৰাই যোৱাৰ উপক্ৰম হৈছে। প্ৰকৃতাৰ্থত দেখা যায় যে এটা জাতিৰ জাতীয় জীৱন নিৰ্ভৰ কৰে তাৰ লোকসংস্কৃতি, লোককলা-সাজপাৰ আদিৰ ওপৰত, কিন্তু আজিৰ অসমীয়াই লাহে লাহে পাহৰি পেলাইছে লোকসংস্কৃতি, লোককলা-সাজপাৰ আদিৰ গুৰুত্ব যিয়ে অসমীয়া জাতিটোক সংকটৰ গৰাহলৈ ঠেলি দিছে। এই সকলোবোৰেই এদিন অসমীয়া জাতীয় জীৱনৰ প্ৰাণৰ স্পন্দনস্বৰূপ বিহুটিক গ্ৰাস কৰি পেলাব।

গতিকে আজিৰ যুৱ প্ৰজন্ম সজাগ হ'বৰ হ'ল। বিহুটিক আমি সংকটৰ গৰাহলৈ ঠেলি নিদি নতুন ৰহণেৰে সজাই পৰাই বিশ্বৰ দৰবাৰত উজলাই ৰাখিব পাৰিলেই অসমীয়া জাতিয়ে নিজৰ মহত্ব ৰাখিবলৈ সক্ষম হ'ব।□

# Redifining Dulha Dulhan Wali Baat

Ranjita Talukdar Bora





A quote from a popular actor, during a recently held Bridal Fashion Week 2013 India, brought a point home. It saw her raising a point on the fact that the majority of Indian bride and groom are made to sit in a corner, instead of enjoying their wedding celebration! I second her thoughts, very often it happens that everybody enjoys a wedding, except the wedding couple.

Luckily, I have a partner who shares my right to expression and express I did; glowed in the loving gaze of my partner, danced hand in hand gazing into his eyes, whispered sweet nothings to each other, laughed at the jokes being cracked

around, smiled mysteriously, rebuked softly, nodded satisfactorily, prayed silently, repeated my vows loud and clear, it was a gamut of expressions and nothing was left for later. And as long as you and your partner are in sync, no amount of piercing looks and disapproving heads should stop you from being YOU!

However, I do agree with the actress that it can almost become a challenge for you to enjoy your own wedding, with the couple being asked not to laugh out loud, not to talk, be gaambhirjya(serious) in demeanor , look down and other such don'ts and do's. So what if you are grown up, mature, independent, with ideas of your own, one can easily slip into being a mute spectator of one's own wedding given the societal eyes. Somehow a wedding couple at ease is frowned upon or at the least discouraged to show their emotions in the name of spoiling culture and such crap. They are expected to look serious or sahma hua(timid) or even smug!

But, from my own experience I can say, once you make up your mind to have your wedding your way, the disapproving figures will either loath your guts or make merry with you, either way you seized your day!

It might be a new wave, but I can see it's here to spread. With more and more couples planning their own wedding, we see a growing number of smiling eyes replacing the exasperated looks on wedding couple's faces.

We all pine for a partner. So once you've come across this very-sought- after- person, do not let stress and pressure get the better of you. Celebrate your day with chutzpah, because no amount of lighting or decoration will be more sparkling than your smile!❑

# অসমীয়া সংস্কৃতি আৰু নৱ প্ৰজন্ম



মলয়া বৰ্মন

প্ৰাচীন সভ্যতা, সাহিত্য, কলা-সংস্কৃতি, শিল্প, ভাস্কৰ্য্য, জ্যোতিষ, বিজ্ঞান, গণিত আৰু দৰ্শন বিষয়ত সমৃদ্ধ আমাৰ দেশ ভাৰতবৰ্ষ। বৈচিত্ৰ্যময় ভাৰতীয় সংস্কৃতি আৰু ঐতিহ্যৰ বাবে আজি এই দেশ গৌৰৱান্বিত আৰু সমগ্ৰ বিশ্বৰ বাবে স্মৰণীয়, বৰণীয়, আৰু আদৰণীয়। এইখন দেশৰ পূৰ্ব দিশত অৱস্থিত অংগৰাজ্য অসম। বাৰেবৰণীয়া কলা-সংস্কৃতি, সাহিত্যৰ সম্ভাৰ আৰু বিনন্দীয়া প্ৰাকৃতিক সৌন্দৰ্য্যৰে পৰিপুষ্ট এই প্ৰদেশ। সংস্কৃতিৰ প্ৰায় সকলো সমলৰ ক্ষেত্ৰত প্ৰাচীন কালৰ পৰাই অসম চহকী। এই বৰ্ণাঢ্য কলা-সংস্কৃতিৰ মাজতেই অসমীয়া জাতিৰ বৈশিষ্ট্য সোমাই আছে। সেয়েহে অসীম অসমীয়া সংস্কৃতিত বিমুগ্ধ হৈ কবিয়ে আৱেগেৰে গাইছে —

> এইখন অসম মোৰ মৰমৰ দেশ।
> কলা-সংস্কৃতি য'ত আছে অশেষ।।
> বিশ্বত যাৰ বাবে হৈছে সুনাম।
> অসমী আইক যাচিছোঁ প্ৰণাম।।

এইখন প্ৰদেশ য'ত আহোমসকলে দীৰ্ঘদিনীয়া ৰাজত্ব কালত শিল্প, সাহিত্য, সংস্কৃতি, ভাস্কৰ্য্য আৰু ধৰ্মৰ ক্ষেত্ৰত যথেষ্ট অৱদান আগবঢ়াইছে, য'ত মহাপুৰুষ শংকৰদেৱৰ দৰে সাহিত্য, ধৰ্ম চৰ্চাৰ মাজেৰে অসমীয়া জাতিক একত্ৰিত কৰা সমাজ সংস্কাৰকৰ আৱিৰ্ভাৱ হৈছিল, য'ত ভাৰতৰ গদ্য সাহিত্যৰ জনক ভট্টদেৱৰ আৱিৰ্ভাৱ হৈছিল, য'ত লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী আদিৰ নিচিনা সাহিত্য-সংস্কৃতি সেৱীয়ে জন্মগ্ৰহণ কৰিছিল, য'ত জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভাৰ দৰে শিল্পী আৰু সত্য শিৱ সুন্দৰৰ পূজাৰীৰ জন্ম হৈছিল, য'ত ভূপেন হাজৰিকাৰ নিচিনা বিশ্ব বিশ্ৰুত গায়কৰ জন্ম হৈছিল। এনেকুৱা সংস্কৃতি, সাহিত্য সৌৰভৰে বিমণ্ডিত আছিল এই অসম প্ৰদেশ। কিন্তু আজি এই মূল্যৱান সংস্কৃতিবোৰ লোপ পোৱাৰ উপক্ৰম হৈছে। যিখন দেশৰ অসমীয়া তিৰোতাই নিজৰ স্বামীক নিজে কাপোৰ বুই পিন্ধাই যুদ্ধ ক্ষেত্ৰলৈ শুভেচ্ছাৰে পঠাইছিল, য'ত অসমীয়া শিপিনীয়ে 'ছাঁতে শুকোৱা মুঠিতে লুকোৱা' কাপোৰ তৈয়াৰ কৰিছিল, আজি এইখন অসমৰ উক্ত মহান আৰু ঐতিহ্যমণ্ডিত শিল্প সংস্কৃতিবোৰ লোপ পালে। আজি বিহুৰ বতৰত অসমীয়া সমাজ-সংস্কৃতিৰ অমূল্য সম্পদ ঢেঁকী, তাঁত শাল আদিৰ ব্যৱহাৰ

প্ৰায় নাইকিয়া হ'ল। ইয়াৰ সলনি যন্ত্ৰৰ শব্দই পৰিৱেশ বিনষ্ট কৰিবলৈ লৈছে। অসমীয়াৰ অতি আদৰৰ বৰগীত, লোকগীত আদিৰ আদৰ লাহে লাহে কমি যাবলৈ ধৰিছে। সেইকাৰণে আমাৰ অসমখনৰ প্ৰাচীন ঐতিহ্য, সংস্কৃতি, সাহিত্য উজ্জীৱিত কৰি ৰাখিবলৈ বিভিন্ন ঠাইত বিভিন্ন গাঁৱত উদ্‌যাপিত হোৱা বিভিন্ন উৎসৱ, সভা, মহোৎসৱ, অধিৱেশন আদিৰ লগত সংগতি ৰাখি বিভিন্ন প্ৰতিযোগিতা আদি কাৰ্য্যসূচীৰ আয়োজন কৰা দেখা যায়। আজিকালি ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন বিকাশ মন্ত্ৰালয়ে অৰ্থাৎ শিক্ষা বিভাগে বিদ্যালয়সমূহত এনে কাৰ্য্যসূচী বাধ্যতামূলক কৰি দিছে। এই কাৰ্য্যসূচীবোৰৰ এটা অতি গুৰুত্বপূৰ্ণ অন্তৰ্নিহিত উদ্দেশ্য আছে যিয়ে আমাৰ নৱ প্ৰজন্মক পৰোক্ষভাৱে উৎসাহ আৰু সুবিধা দি আহিছে। অসমৰ সকলো অঞ্চলতে কিছুমান প্ৰতিভাৱান ব্যক্তি আছে যিসকলে নিজৰ সুপ্ত প্ৰতিভাক জাগ্ৰত কৰাৰ কাৰণে সুবিধা পোৱা নাই। এওঁলোকৰ মাজত বহুতো ভাল গান গাব পৰা, নৃত্য কৰিব পৰা, অভিনয় কৰিব পৰা, বাদ্য বজাব পৰা, আবৃত্তি কৰিব পৰা, সাহিত্য সৃষ্টি কৰিব পৰা কবি, শিল্পী আদি প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰী বা যুৱ প্ৰজন্ম আছে। এওঁলোকে কোনো পৰিৱেশ, কোনো মঞ্চ নোপোৱা বাবে প্ৰতিভা বিকাশৰ সুবিধা পোৱা নাই। সেয়েহে তেওঁলোকৰ সুপ্ত প্ৰতিভা জাগ্ৰত কৰিবলৈ বৰ্তমান একোখন মঞ্চৰ সুবিধা দিয়া হৈছে। এই মঞ্চতেই সংস্কৃতি বিকাশ হয়। সংস্কৃতিৰ এঘাৰ বিধ উপাদান আছে। এই একাদশ উপাদানেই সংস্কৃতিৰ মূল ভেঁটি বুলি শাস্ত্ৰত উল্লেখ আছে।

ৰসা ভাৱাভিনয়া ধৰ্মোবৃত্তি প্ৰবৃত্তয়ঃ।
সিদ্ধি স্বৰাস্ত ঘাতেদ্যং গানং ৰঙ্গস্ব সংগ্ৰহ।।

ৰস, ভাব, অভিনয়, ধৰ্ম, বৃত্তি, প্ৰবৃত্তি, স্বৰ, বাদ্য, গান আৰু ৰঙ্গমঞ্চ এই একাদশ উপাদান।

নৱ প্ৰজন্মই এই মঞ্চৰ জৰিয়তে নিজৰ প্ৰতিভা বিকাশৰ সুবিধা পাব। বিশ্বৰ বিখ্যাত শিল্পী সকলৰ জীৱন বুৰঞ্জী যদি অধ্যয়ন কৰো তেন্তে দেখা পাওঁ যে বেছিভাগে গাঁও অঞ্চলৰ পৰা গৈ নিজৰ সাধনা আৰু একাগ্ৰতাৰ বলেৰে নিজৰ নাম উজলাব পাৰিছে। আমাৰ নৱ প্ৰজন্মসকলে মহান শিল্পী সকলৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ নিশ্চয় জীৱনত উন্নতি লাভ কৰিব। কোনে জানে এওঁলোকৰ মাজৰ পৰাই নিশ্চয় পলৰুবচন, ভূপেন হাজৰিকাৰ নিচিনা গায়ক, উদয়শংকৰ আৰু আনা পাভলোতাৰ নিচিনা নৃত্যশিল্পী, ওস্তাদ আমজাদ আলী খানৰ দৰে বাদক, অমিতাভ বচ্চনৰ নিচিনা অভিনেতা, লিওনাৰ্ডো-ডা-ভিন্সিৰ নিচিনা চিত্ৰকৰ, ছেক্সপিয়েৰ, বাৰ্ণাডশ্বৰ নিচিনা নাট্যকাৰ সৃষ্টি হ'ব পাৰে।

আচলতে সংস্কৃতি কি, ক'ৰ পৰা, কেনেকৈ উদ্ভৱ হ'ৰ সেয়াও জানিব লগা কথা।

বৈদিক সাহিত্যত সংস্কৃতি শব্দৰ মূল পোৱা যায়। আনহাতে 'ঐতেৰেয় ব্ৰাহ্মণ' পুথিত ইয়াক শিল্প বুলি উল্লেখ আছে। সংস্কৃতি শব্দটো পোনতে মাৰাঠী ভাষাত ব্যৱহাৰ হৈছিল। বিশ্ব কবি ৰবীন্দ্ৰ নাথ ঠাকুৰে এই শব্দটো মাৰাঠী ভাষাৰ পৰা

চিটিৱান

আহৰণ কৰি বঙালী ভাষাত জনপ্ৰিয় কৰি তোলে। বঙলা ভাষাৰ পৰাই সংস্কৃতি শব্দটো অসমীয়া ভাষালৈ অহা বুলি পণ্ডিতসকলে কয়। সংস্কৃতি শব্দটোৰ অভিধানিক অৰ্থ হ'ল কৃষ্টি, শিল্প কৰ্ম নাইবা ৰীতি-নীতি আদিৰ চৰ্চাৰ দ্বাৰা লব্ধ বিকাশ। সেইকাৰণে প্ৰথমতে অসমত সংস্কৃতি বুজাবলৈ কৃষ্টি শব্দটো ব্যৱহাৰ কৰা হৈছিল। কৃষ্টি শব্দটো আকৌ 'কৃষ' ধাতুৰ পৰা নিষ্পন্ন হৈছে। ইয়াৰ অৰ্থ খেতি। অৰণ্যত আহাৰ বিচাৰি ফুৰা আদিম মানৱে উৎপাদিকা শক্তি সম্পন্না পৃথিৱী কৰ্ষণ কৰি (মাটি চহাই) বিভিন্ন শস্য উৎপাদন কৰি পেট পুৰাই খাবলৈ শিকিলে। শস্য উৎপাদনৰ আনন্দই জন্ম দিলে বিভিন্ন উৎসৱ, মহোৎসৱৰ। শস্যদাত্ৰী ধৰিত্ৰীৰ প্ৰতি কৃতজ্ঞতা জনাই সৃষ্টি ক্ষমতাক স্বীকৃতি দি পূজা কৰিলে মাতৃস্বৰূপা বসুন্ধৰাক। পূজাৰ সময়ত পুঞ্জীভূত অনুভূতিয়ে আত্ম প্ৰকাশ কৰিলে সংগীত হৈ। স্থান, কাল, পাত্ৰই জন্ম দিলে সীমাহীন লোকাচাৰ, লৌকিক সংস্কৃতি। যুগ বাগৰি গ'ল। মানুহে বিচাৰি পালে সৃষ্টিকৰ্তাৰ অপৰিসীম ক্ষমতা। পোনতে ভয়ত পিছলৈ ভক্তিত মন উপচি পৰিল। অসংখ্য দেৱ-দেৱীৰ কল্পনা কৰা হ'ল। এই দেৱ-দেৱীসকলক কেন্দ্ৰ কৰি সৃষ্টি হ'ল মন্দিৰ, ভাস্কৰ্য্য, শিল্প, সৌন্দৰ্য্য, সংগীত, শাস্ত্ৰ, সাহিত্য, ভাষা, লিপি, লেখন কলাৰ। মানুহে যিমানেই ধাৰ্মিক বা ভক্তি পৰায়ণ নহওক, মানুহৰ জৈৱিক বাসনা শূন্য হ'ব নোৱাৰে। মানুহৰ জৈৱিক প্ৰয়োজনীয়তায়ো বস্তুগত সৃষ্টিৰ প্ৰেৰণা যোগায়। এইদৰে মানুহৰ বস্তুগত, ভাবগত, আধ্যাত্মিক আৰু জাগতিক সকলো সৃষ্টিকে সংস্কৃতিয়ে সামৰি লয়।

সংস্কৃতি শব্দটো আকৌ দুটা শব্দৰ সন্ধি হৈ নিষ্পন্ন হৈছে। সম + কৃতি = সংস্কৃতি। সম মানে সমান বা তূল্য। কৃতি মানে কৰ্ম বা নিৰ্মাণ। অৰ্থাৎ দেৱসম কৃতিয়েই সংস্কৃতি। যি শিল্পকৰ্মৰ সম্যক সৃজনশীলতা আছে, সৌন্দৰ্য্য আছে, মানৱতা আছে সিয়েই সংস্কৃতি। খ্যাতনামা কবি সাহিত্যিক ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ মতে অনুভূতি, অনুসন্ধিৎসা, অহিংসা, ত্যাগ আৰু সত্য শিৱ সুন্দৰৰ আৰধানাই হৈছে সংস্কৃতিৰ মূল সূত্ৰ।

আজিকালি গাঁৱে-ভূঞে, চহৰে-নগৰে যি সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হয় তাতে থাকে নৃত্য, কেইটামান সংগীত, এখন বা দুখন একাংকিকা নাট, আবৃত্তি আদি। কেৱল এই কেইটাই সংস্কৃতিৰ স্বৰূপ নহয়। ইয়াৰ উপৰিও এটা জাতিৰ বা এখন সমাজৰ আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম, সাজ-পোছাক, আহাৰ, বিভিন্ন উৎসৱ-পাৰ্বণ, বিভিন্ন বস্তুৰ ব্যৱহাৰ আদিয়ে সংস্কৃতিৰ উপাদান। সংস্কৃতিয়ে যথাৰ্থতে এটা জাতিৰ সমগ্ৰ সৃষ্টি প্ৰতিভাক প্ৰতিনিধিত্ব কৰে। এটা জাতিৰ উন্নতি নিৰ্ভৰ কৰে সেই জাতিৰ শিল্প, সাহিত্য, সংস্কৃতিৰ ওপৰত। সংস্কৃতিৰ দিশ টনকিয়াল হ'লে জাতিটো প্ৰগতিৰ পথত আগবাঢ়ি যাব পাৰে।

কলা-সংস্কৃতিত উচ্চ-নীচ, জাতি-ভেদ, ধনী-দুখীয়াৰ পৰিসীমা নাথাকে। ই সকলো শ্ৰেণীৰ সকলো ব্যক্তিৰ অন্তৰত সমভাৱ সৃষ্টি কৰে। সেইকাৰণে সংস্কৃতিক সমন্বয়ৰ সেতু বুলি

অভিহিত কৰা হৈছে। সংস্কৃতিৰ ক্ষেত্ৰত এই ফাঁকি পংক্তি প্ৰণিধানযোগ্য —

জাতি ধৰ্ম ভাষা বৰ্ণ যদিও অনেক
তেজৰ বৰণ কিন্তু সকলোৰে এক।

সৃষ্টি পাতনিৰ পৰা পৃথিৱীত দুটা শক্তিয়ে সদায় বিপৰীতমুখী ক্ৰিয়া কৰি আহিছে। এটা দুষ্কৃতি যিয়ে সমাজৰ উন্নতিত বাধা স্বৰূপে থিয় হৈ অনাচাৰ, অত্যাচাৰৰ দ্বাৰা সমাজ ধ্বংস কৰিবলৈ চেষ্টা চলাই আহিছে। আনবিধ হৈছে সংস্কৃতি যিয়ে সমাজৰ দুষ্কৃতিৰ নাশ কৰি শান্তি স্থাপনেৰে সুস্থ সমাজ গঢ়াত আগবাঢ়ি গৈ আছে।

বৰ্তমান সময়ত দুষ্কৃতিৰ প্ৰভাৱ বাঢ়ি গৈছে। চাৰিওফালে হত্যা, হিংসা, অপহৰণ, লুণ্ঠন, ধৰ্ষণ, নিৰ্যাতন আদি দুষ্কাৰ্য্য সঘনে সংঘটিত হৈ আছে। ফলত পবিত্ৰ সংস্কৃতি ম্লান হ'বলৈ উপক্ৰম হৈছে। দুষ্কৃতিৰ কৰাল গ্ৰাসৰ পৰা অসমীয়া সংস্কৃতিক ৰক্ষা কৰিবলৈ প্ৰতিজন অসমীয়া বুদ্ধিজীৱি, শিল্পী, সাহিত্যিক আৰু নাগৰিকৰ লগতে চৰকাৰৰ কৰ্তব্য। ইয়াৰ উপৰিও নৱ প্ৰজন্মসকলক অসমীয়া সংস্কৃতি জীয়াই ৰখাৰ কাৰণে লগতে ইয়াৰ উন্নতিৰ কাৰণে কাম কৰিবলৈ উৎসাহিত আৰু অনুপ্ৰাণিত কৰা উচিত।❑

**-ঃ সমল গ্ৰন্থ ঃ-**

১। অসমৰ সংস্কৃতি — ডঃ লীলা গগৈ।
২। বৈকুণ্ঠ (আলোচনী) — দ্বিতীয় প্ৰকাশ
৩। Cultural History of Assam - B. K. Baruah

# বিখ্যাত লোকৰ অখ্যাত কাহিনী



তুষাৰ শৰ্মা

প্ৰতিভাশালী ব্যক্তিসকলৰ জীৱন পৰ্যালোচনা কৰিলে দেখা যায় যে অনেকেই ব্যতিক্ৰমী জীৱন-যাপনেৰে সৰ্বসাধাৰণৰ হাঁহিয়াতৰ পাত্ৰ হ'ব লগা হৈছিল। তাৰ ভিতৰত চিত্ৰশিল্পী, সাহিত্যিক, বিজ্ঞানী, সংগীত শিল্পী আদি বহুত খ্যাতমান ব্যক্তিয়ে মানসিক ৰোগত ভূগিছিল।

আমেৰিকান ঔপন্যাসিক তথা ন'বেল বঁটা বিজয়ী আৰ্নেষ্ট হেমিংৱেই দেওবাৰে নিলিখিছিল। নতুন কাপোৰ কিনাৰ প্ৰতি আছিল তেওঁৰ প্ৰবল অনিচ্ছা, সেইবাবে তেওঁ পুৰণি জাৰ্মান সৈনিকৰ দৰে ককালত এডাল ডাঙৰ চামৰাৰ পেটি পৰিধান কৰিছিল আৰু জীৱনৰ শেষৰ সময়ছোৱাত মানসিক ৰোগৰ চিকাৰ হৈ আত্মহত্যা কৰিছিল।

ইংলেণ্ডৰ বিখ্যাত সাহিত্যিক, দাৰ্শনিক, ফ্ৰেন্সিচ বেকান দুৰ্নীতি আৰু ভেঁটি খোৱাৰ অপৰাধত বহুত বছৰ জেলত কটাব লগা হৈছিল।

নিয়ম মতে আহাৰ গ্ৰহণ কৰাত সবাতোকৈ বেছি অনীহা প্ৰদৰ্শন কৰিছিল ইংৰাজ কবি ৱৰ্ডচ্‌ৱৰ্থ আৰু তেওঁৰ ভগ্নী ডৰথী ৱৰ্ডচ্‌ৱৰ্থ। তেওঁলোকে প্ৰায়ে নৈশ আহাৰ গ্ৰহণ নকৰিছিল আৰু অতি কম খোৱাত মনোনিৱেশ কৰিছিল।

ঠিক সেইদৰে নিউটন আছিল আনমনা। এওঁৰ অন্যমনস্কতাৰ অনেক গল্প শুনা যায়। তেওঁ আছিল খোৱা-বোৱাৰ ক্ষেত্ৰত অন্যমনস্ক। কেতিয়াবা তেওঁ বন্ধুক খাবলৈ মাতে, ঘৰত খোৱা বস্তু নাই, ওচৰৰ ঘৰৰ পৰা আনিবলৈ গৈ ঘূৰি নাহে। এবাৰ নিউটনে এজনী গাভৰুক বিয়া কৰাবলৈ মন কৰিলে। তেওঁ এদিন গাভৰু গৰাকীক বিয়াৰ প্ৰস্তাৱ দিবলৈ গৈ গাভৰু জনীৰ হাত এখনত ধৰি কথাটো ক'ব খুজিছিল, ঠিক সেই সময়ত বিজ্ঞানৰ এটা গভীৰ তত্ব মনত পৰিল। আৰু তেওঁ পাহৰি গ'ল যে তেওঁ গাভৰু গৰাকীৰ হাতত ধৰি আছে। তাৰ পাছত তেওঁৰ





থাকিলহেঁতেন বুলি সমালোচকসকলে ভাবে।

ঠিক সেইদৰে ভাৰতৰ স্বাধীনতা যুঁজৰ সেনাপতি মহাত্মা গান্ধী অকল এজন মুক্তি যুঁজাৰুয়ে নাছিল। তেওঁ আছিল শিক্ষাবিদ, ৰাজনীতিবিদ, অৰ্থনীতিবিদ, সমাজ সংস্কাৰক। বিশ্বৰ আগশাৰীৰ বুদ্ধিৱান ব্যক্তিসকলৰ ভিতৰত গান্ধীজীও এজন। কিন্তু সেইজন ব্যক্তিয়ে প্ৰৱেশিকা পৰীক্ষাত অনুত্তীৰ্ণ হ'ব লগা হৈছিল ইংৰাজী আৰু ভূগোলত শূন্য পোৱাৰ বাবে। কিন্তু তেখেতৰ বেছিভাগ ৰচনা ইংৰাজীতে লিখা, অৱশেষত ১৮৮৭ চনত কোনোমতে প্ৰৱেশিকা পৰীক্ষাত গ্ৰেছ মাৰ্ক লৈ তৃতীয় বিভাগত উত্তীৰ্ণ হৈছিল।

মহান বিজ্ঞানী আইনষ্টাইনৰ নাম আমি সকলোৱে জানো। যিজন ব্যক্তিয়ে আপেক্ষিকতাবাদৰ সূত্ৰ আৱিষ্কাৰ কৰি বিজ্ঞানক শীৰ্ষতম্ বিন্দুলৈ আগুৱাই লৈ গৈছে, সেইজন ব্যক্তিয়ে এটা মাত্ৰ স্কুলৰ শিক্ষকৰ চাকৰি পাবৰ বাবে হাবাথুৰি খাব লগা হৈছিল কাৰণ বি.এছচি. স্নাতকৰ নম্বৰ ন্যূনতম নম্বৰতকৈ কম হোৱা বাবে। কিন্তু সেইজন ব্যক্তিয়ে অৱশেষত আমেৰিকাৰ বিখ্যাত হাভাৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক হিচাপে নিযুক্ত হৈছিল।□

ধুমপান কৰিবলৈ মন গ'ল আৰু অন্যমনস্কতাৰ বাবে তেওঁ গাভৰুজনীৰ হাতখনক পাইপ বুলি ভাবি জুই জ্বলাব খুজিছিল।

সত্য আৰু সুন্দৰৰ পূজাৰী কবি জন কীটছৰ নাম কোনে শুনা নাই। কবি জন কীটছে কবিতাসমূহ ৰচনা নকৰা হ'লেও তেওঁৰ প্ৰেয়সী ফেনী ব্ৰাউন আৰু বন্ধু-বান্ধৱসকললৈ লিখা চিঠিৰ দ্বাৰাই বিশ্ব-সাহিত্যত অমৰ হৈ

(বিভিন্ন কাকত, আলোচনীৰ পৰা সংগ্ৰহিত)

# (এছ.ডি.পি.) বি. এড. কলেজৰ প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকল

| | |
|---|---|
| সাবিত্ৰী দেৱী | ১৯৯৪ |
| সুৰেশ বাবু এম | ১৯৯৪ |
| হিমালিনা বেজবৰুৱা | ২০০১ |
| চন্দনা ভাগৱতী | ২০০৩ |
| প্ৰণীতা পাঠক | ২০০৪ |
| প্ৰতিভা তালুকদাৰ | ২০০৫ |
| মঞ্জুৱাণী ৰাজবংশী | ২০০৫ |
| বৰ্ণালী দেৱী | ২০০৬ |
| বৰ্ণালী শৰ্মা | ২০০৭ |
| ৰিজু পাটোৱাৰী | ২০০৮ |
| গীতাঞ্জলি চৌধুৰী | ২০০৮ |
| ফুলকুমাৰী কলিতা | ২০০৮ |
| মিতালী দত্ত | ২০০৮ |
| লাটুমণি হালৈ | ২০০৮ |
| খুচবু শৰ্মা | ২০০৯ |
| নিত্যাশ্ৰী গোস্বামী | ২০০৯ |
| উপমা কলিতা | ২০০৯ |
| ফুলকুমাৰী ডেকা | ২০০৯ |
| অৰূপ চৌধুৰী | ২০০৯ |
| সুভাষ চন্দ্ৰ দাস | ২০০৯ |
| পল্লৱী গোস্বামী | ২০১০ |
| ডলি তালুকদাৰ | ২০১০ |
| প্ৰতীক্ষা ত্ৰিপাঠী | ২০১০ |
| অৰিন্দম দাস | ২০১০ |
| সঙ্গীতা দেৱী | ২০১১ |
| জুতিৰাণী দেৱী | ২০১১ |
| বৰ্ণালী শৰ্মা | ২০১১ |
| নিৰ্মালী দেৱী | ২০১১ |
| অৰ্চনা বৰ্মন | ২০১১ |
| অংকুৰ ৰয় | ২০১১ |
| বিশ্বজিৎ শৰ্মা | ২০১১ |
| অঙ্গনা ভট্টাচাৰ্য্য | ২০১২ |
| কিশোৰ হালৈ | ২০১২ |
| নাছৰিন আখটাৰ | ২০১২ |
| মঞ্জুৰ আলম মিঞা | ২০১২ |
| ডেনিয়েল ইছলাম | ২০১২ |
| নন্দিতা ডেকা | ২০১৩ |
| সীমা শৰ্মা | ২০১৩ |
| স্বপ্না দাস | ২০১৩ |
| মনিষা ঠাকুৰীয়া | ২০১৩ |
| সুৰজিৎ পাঠক | ২০১৩ |
| দিপুল তালুকদাৰ | ২০১৩ |
| অনুপ কলিতা | ২০১৩ |
| ভূপেন ডেকা | ২০১৩ |
| বন্তী দাস | ২০১৪ |
| পাপৰি কলিতা | ২০১৪ |
| জোনালী ডেকা | ২০১৪ |
| অলিস্মিতা শৰ্মা | ২০১৪ |
| শান্তনা গোস্বামী | ২০১৪ |
| দেৱযানী মিত্ৰ | ২০১৪ |
| প্ৰিয়ংকা ভট্টাচাৰ্য্য | ২০১৪ |
| শৰ্মিষ্ঠা সৰকাৰ | ২০১৪ |
| শেৱালী তালুকদাৰ | ২০১৪ |
| সঞ্জীৱ কলিতা | ২০১৪ |
| চয়নিকা তালুকদাৰ | ২০১৪ |
| হিমাশ্ৰী ডেকা | ২০১৪ |
| গীতাশ্ৰী পাল | ২০১৪ |
| ৰাজু দত্ত | ২০১৪ |
| কমল হালৈ | ২০১৪ |
| জিমি ডেকা | ২০১৪ |
| গীতিমা বেজবৰুৱা | ২০১৪ |
| কৰবী দাস | ২০১৪ |
| পূৰবী ডেকা | ২০১৪ |
| নন্দিতা ঠাকুৰীয়া | ২০১৪ |
| সৰযু হালৈ | ২০১৪ |
| হিমাক্ষী মজুমদাৰ | ২০১৪ |

# প্ৰতিভাৱান চিটিয়ান

## বাৰ্ষিক মহোৎসৱ উপলক্ষে আয়োজন কৰা বিভিন্ন প্ৰতিযোগিতাত বহুতৰ মাজত এওঁলোক জিলিকি উঠিল —

### সংগীত প্ৰতিযোগিতা
প্ৰথম ঃ জয়ন্ত বৰ্মন
ঃ ৰঞ্জিতা তালুকদাৰ বৰা
দ্বিতীয় ঃ ববিতা বৰুৱা
তৃতীয় ঃ কল্পনা দেৱী (দলীয়ভাৱে)
ঃ মৌচুমী কলিতা
ঃ ভূপালী বৰ্মন

### আবৃত্তি প্ৰতিযোগিতা
প্ৰথম ঃ দিপ্তী মেধি
দ্বিতীয় ঃ ধনমণি ঠাকুৰীয়া
তৃতীয় ঃ চন্দ্ৰমা কলিতা
ঃ জয়ন্ত বৰ্মন

### অভিনয় প্ৰতিযোগিতা
প্ৰথম ঃ দ্বীপজ্যোতি কলিতা
দ্বিতীয় ঃ কমল দাস
তৃতীয় ঃ চন্দ্ৰমা কলিতাৰ দল

### একক নৃত্য প্ৰতিযোগিতা
প্ৰথম ঃ স্নিগ্ধা দত্ত
দ্বিতীয় ঃ গোবিন্দ চক্ৰৱৰ্তী
তৃতীয় ঃ হিমাক্ষী মজুমদাৰ

### দলীয় নৃত্য প্ৰতিযোগিতা
প্ৰথম ঃ ববিতা বৰুৱা
দ্বিতীয় ঃ মৌচুমী কলিতা

### টেকেলি ভঙা প্ৰতিযোগিতা
প্ৰথম ঃ স্নিগ্ধা দত্ত
দ্বিতীয় ঃ বনশ্ৰী দেৱী
তৃতীয় ঃ হিৰকজ্যোতি পাটগিৰি

### পানীত পাৰত প্ৰতিযোগিতা
প্ৰথম ঃ ববিতা বৰুৱা
দ্বিতীয় ঃ মৌচুমী কলিতা
তৃতীয় ঃ মলয়া বৰ্মন

### ফ'টোগ্ৰাফী প্ৰতিযোগিতা
প্ৰথম ঃ জ্যোতিস্মিতা লহকৰ
দ্বিতীয় ঃ জয়ন্ত বৰ্মন
তৃতীয় ঃ কল্পনা দেৱী
ঃ ববিতা বৰুৱা

**শ্ৰেষ্ঠ প্ৰতিযোগী ববিতা বৰুৱা**

## এছ.ডি.পি. শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় পৰিচালনা সমিতি

### (২০১৫ বৰ্ষ)

- ❑ পবিন্দ্ৰ নাথ দাস, সভাপতি
- ❑ ডঃ কিশোৰ কুমাৰ তালুকদাৰ, সম্পাদক
- ❑ ডঃ সুৰজিৎ বৰ্মন, সদস্য
- ❑ ডঃ জগৎ স্বৰ্গীয়াৰী, সদস্য
- ❑ ডঃ ভবেশ চন্দ্ৰ চৌধুৰী, সদস্য
- ❑ শ্ৰীৰেখা ডেকা কলিতা, সদস্যা
- ❑ ডঃ সাবিত্ৰী বেজবৰুৱা, সদস্যা
- ❑ ডঃ বিৰেন্দ্ৰ নাথ ভট্টাচাৰ্য্য, সদস্য
- ❑ শ্ৰীখুচবু শৰ্মা, সদস্যা
- ❑ ডঃ অঞ্জলি কৰ্মকাৰ, সদস্যা
- ❑ শ্ৰীতৰুণ চন্দ্ৰ কলিতা, সদস্য
- ❑ শ্ৰীবিৰেন্দ্ৰ ডেকা, সদস্য

## এছ.ডি.পি. শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষসকল

### (প্ৰতিষ্ঠা কালৰ পৰা বৰ্তমানলৈকে)

| | |
|---|---|
| ❑ শশীভূষণ মিশ্ৰ | (১৯৯৪ - ২০০৯) |
| ❑ ৰবিন শৰ্মা | (২০০৯ - ২০১০) |
| ❑ হেমেন্দ্ৰ গোস্বামী | (২০১০ - ২০১২) |
| ❑ মৌচুমী দত্ত | (২০১২) |
| ❑ ডঃ বিৰেন্দ্ৰ ডেকা | (২০১৩) |
| ❑ ডঃ হিমাদ্ৰী কাকতি | (২০১৩) |
| ❑ ডঃ অঞ্জলী কৰ্মকাৰ | (২০১৪ পৰা বৰ্তমানলৈকে) |

# চিটিয়ান সম্পাদনা সমিতি (২০১৫-১৬ বর্ষ)


জয়ন্ত বৰ্মন


ধনমণি ঠাকুৰীয়া


গোবিন্দ চক্ৰবৰ্ত্তী



দিপজ্যোতি কলিতা


তুষাৰ শৰ্মা


অস্মিতা কাকতি


ৰঞ্জিতা তালুকদাৰ বৰা


মিণ্টি কলিতা


মেডামসকল ক্ৰমে - দিপ্তী, প্ৰিন্সিপাল, প্ৰণীতা, পাপৰি, খুচবু মেম


দিপ্তী মেধি



আমাৰ মহাবিদ্যালয়ৰ কৰ্মচাৰীসকল ক্ৰমে দীপকদা, পুটুকনদা, বৰ্মনদা, শৈলেনদা, ভাইটিদা, সোণমণিদা




আমাৰ মহাবিদ্যালয়ৰ ভূমি দানৰ সময়ত ডুলুৰাণী পাঠক (মাতৃ সুধাৰাণী আৰু পিতৃ দলৈৰাম পাঠকৰ নামত)


ভিন্ন ৰূপত চিটিয়ান

# CTEAN

1st Edition, 2014-15



Editor
Jayanta Barman